বিশ্বসাহিত্যৰ অমৰস্রষ্টা

শ্বেক্সপীয়েৰ

জীৱন আৰু নাটক

আব্দুল আলিম

PASCHIM GUWAHATI MAHAVIDYALAYA
Dharapur, Guwahati - 781133
LIBRARY
Class No. 808.92
Book No. ALI
Acc No. 10932

PASCHIM GUWAHATI MAHAVIDYALAYA
P. O.: Dharapur : Guwahati - 781133
LIBRARY
Acc. No. 10932

Accession No. 10932
Paschim Guwahati Mahavidyalaya
P. O.: Dharapur : Guwahati - 781133
LIBRARY
1. Books may be retained for a period not exceeding 15 days by the Members.
2. Books may be renewed on request at the discretion of the Librarian.
3. Dog-earing the pages of a book, marking or writing therein with ink or pencil, tearing or taking out its pages or otherwise damaging it will constitute an injury to a book.
4. Any such injury to a book is a serious offence Unless the borrower points out the injury at the time of borrowing the book, he/she shall be required to replace the book or pay its price
Help to keep the Book fresh & clean.

বিশ্বসাহিত্যৰ অমৰস্রষ্টা

শেক্সপীয়েৰ

জীৱন আৰু নাটক

আব্দুল আলিম

B.C.B.L.
10932
Dharapur Ghy-133
ACC No- 10932
Date....

প্ৰকাশক

কমলা প্ৰকাশ
পাঠশালা

BISHWA SAHITYAR AMARSRASTA SHAKESPEARE : JIBAN ARU NATAK A book on the life & works of *William Shakespeare* written by *Abdul Alim*,M.A. and published by *Sri Pulendra Mohan Das* on behalf of Kamala Prakash, College Road, Pathsala.

Price Rs: Twenty only

First Published : Oct' 2003

প্ৰকাশক

পুলেন্দ্ৰ মোহন দাস
কমলা প্ৰকাশ
কলেজ ৰোড, পাঠশালা

© প্ৰকাশক

প্ৰথম সংস্কৰণ

অক্টোবৰ- ২০০৩

বেটুপাত

মনোজ কুমাৰ চৌধুৰী

ছপা

ভায়োলিনা অফ্‌চেট এণ্ড মেগালিংকছ ডি.টি.পি. চেন্টাৰ
কলেজ ৰোড, পাঠশালা
ফোন - ২৬৫৬৪৫

মূল্য

কুৰি টকা মাথোন

Late Bipin Chandra Baruah Paschim Guwahati Mahavidyalaya
Dharapur Ghy-133
ACC No-
Date........

উছৰ্গা

যাৰ প্ৰেৰণাত এদিন
বিশ্বসাহিত্যৰ বহল পথাৰত
খোজ দিছিলো
সেইগৰাকী পিতৃদেউ
আব্দুল গফুৰৰ
কৰকমলত।

—আব্দুল আলিম

দুআষাৰ

বিশ্বসাহিত্যৰ ইতিহাসত উইলিয়াম শ্বেক্সপীয়েৰ এক বিস্ময়কৰ প্রতিভা। বিশ্বৰ সৰ্বকালৰ শ্ৰেষ্ঠ কবি আৰু নাট্যকাৰ শ্বেক্সপীয়েৰ সম্বন্ধে যোৱা চাৰিশ বছৰে হাজাৰ হাজাৰ গ্রন্থ ৰচিত হৈছে । দেশ-বিদেশৰ অগণন শ্বেক্সপীয়েৰ বিশেষজ্ঞ আৰু গৱেষকে এই গৰাকী বিস্ময়স্রষ্টাৰ জীৱন আৰু কীৰ্ত্তিৰ ওপৰত গবেষণাও অব্যাহত ৰাখিছে। যুগৰ পৰিৱৰ্তন হৈছে। শতিকাৰ পিছত নতুন শতিকা আৰম্ভ হৈছে। কিন্তু শ্বেক্সপীয়েৰৰ আদৰ কমা নাই। শ্বেক্সপীয়েৰ সম্পৰ্কে আলোচনা-সমালোচনা বা গবেষণাৰো অন্ত পৰা নাই। কিন্তু আশ্চৰ্যৰ বিষয় যে এই গৰাকী মহৎ স্ৰষ্টাৰ জীৱন সম্পৰ্কে সবিশেষ প্রামাণিক তথ্য পাবলৈ নাই।

আমাৰ বৰ্তমান ৰচনাত শ্বেক্সপীয়েৰৰ জীৱন আৰু কৰ্মৰ যৎকিঞ্চিৎ আভাস দিয়াৰহে প্রয়াস কৰা হৈছে। ইয়াত আমাৰ মৌলিকতা একোৱেই নাই। আমি শ্বেক্সপীয়েৰীয় সাহিত্যৰ ছাত্ৰ বা পাঠকহে, পণ্ডিত বা সমালোচক নহয়। পুথিখনিও পাঠকৰ দৃষ্টিতহে যুগুতো ৰা হৈছে। এই ক্ষেত্ৰত অনেক বিদগ্ধ পণ্ডিতৰ মতামত আৰু ধাৰণা আমি প্রত্যক্ষ ভাৱে গ্ৰহণ কৰিছোঁ। তেওঁলোকৰ প্ৰতি আমাৰ কৃতজ্ঞতা স্বীকাৰ কৰাৰ বাহিৰে গত্যন্তৰ নাই।

অগ্রজ ভাতৃসম লেখক প্রকাশক পুলেন্দ্র মোহন দাসৰ তৎপৰতা অবিহনে পুথি খনি ছপা আখৰত প্ৰকাশিত হোৱাটোৱে সম্ভৱ নহ'লহেঁতেন। অগ্রজপ্রতীম লেখক সমালোচক ইছমাইল হোছেইন, হাফিজ আহমেদ আৰু দীপক কাকতিয়েও বিভিন্ন ক্ষেত্ৰত দিহা পৰামৰ্শ দি আমাক উৎসাহিত কৰিছে। পাঠশালাৰ ভায়োলিনা অফছেট প্ৰেছৰ মনোজ কুমাৰ চৌধুৰীৰ লগতে প্ৰেছৰ সমূহ কৰ্মীবৃন্দই অতি কম সময়ৰ ভিতৰতে পুথিখনি প্ৰকাশৰ বাবে সাজু কৰি তোলাত অৰিহণা যোগাইছে। আটাইলৈকে আমাৰ কৃতজ্ঞতা জ্ঞাপন কৰিলো। সহৃদয় পাঠকে পুথিখনি আদৰি ল'লে আমাৰ শ্ৰম সাৰ্থক হোৱা বুলি ভাৱিম।

ছাপাৰবৰী, বৰপেটা

আব্দুল আলিম

শৈশৱ আৰু কৈশোৰ

ইংৰাজী সাহিত্যৰ ইতিহাসত ৰাণী প্ৰথম এলিজাবেথৰ ৰাজত্বকালৰ যুগটোক গৌৰৱময় যুগ (১৫৫৮-১৬২৫ খ্ৰীঃ) বুলি কোৱা হয়। ইয়াৰ প্ৰায় তিনিশ বছৰ পাছৰ পৰাই সূচনা হয় মহাৰাণী ভিক্টোৰিয়াৰ ৰাজত্ব কাল। (১৮৩৭-১৯০১) ইংৰাজী সাহিত্যত এই দুয়োটা যুগেই অতুলনীয় স্বাক্ষৰ বহন কৰিছে। এই যুগ দুটাতেই ইংলণ্ডৰ ভূখণ্ডত বিশ্বসাহিত্যৰ কেবাগৰাকীও অমৰ স্ৰষ্টাৰ আবিৰ্ভাৱ ঘটে। ৰাণী এলিজাবেথৰ যুগত ইংৰাজী কাব্য আৰু নাট্য সাহিত্যই উন্নতিৰ চৰম শিখৰ আৰোহণ কৰিবলৈ সক্ষম হয়। ইংৰাজী সাহিত্যৰ এই অতি উৰ্বৰ যুগটোতেই কাব্য আৰু নাট্য সাহিত্যৰ অদ্বিতীয় প্ৰতিভা স্বৰূপে উইলিয়াম শ্বেক্সপীয়েৰে জন্ম গ্ৰহণ কৰে।

প্ৰত্যেক মহৎ সাহিত্যিকেই তেওঁৰ যুগৰ সৃষ্টি। শ্বেক্সপীয়েৰো ইয়াৰ ব্যতিক্ৰম নহয়। তেওঁৰ জন্ম যদি এলিজাবেথীয় যুগত নহৈ তাৰ এশ বছৰ পূৰ্বে হ'লহেতেঁন, তেন্তে তেওঁক বিশ্ববাসীয়ে দুৰন্ত প্ৰতিভাধাৰী এজন স্ৰষ্টা হিচাপে পোৱাটোতো দূৰৰে কথা, তেওঁ কিজানি মঞ্চৰ ব্যৱহাৰ সম্পৰ্কেই নেজানিলেহেতেঁন। নাইবা তেওঁক আমি কিছুমান সৰু সৰু কবিতাৰ এজন অখ্যাত কবি হিচাপেই জানিলোহেতেঁন। মুঠতে, কৰ্মচঞ্চল, প্ৰাণোচ্ছল এলিজাবেথৰ যুগতেই শ্বেক্সপীয়েৰৰ আবিৰ্ভাৱে চৰম সাৰ্থকতা লাভ কৰিছিল।

১৫৬৪ খ্ৰীষ্টাব্দৰ ২৩ এপ্ৰিল (আনুমানিক) ত ইংলণ্ডৰ এভন নদীৰ পাৰত ষ্ট্ৰাটফোৰ্ড নামৰ সৰু চহৰ এখনত শ্বেক্সপীয়েৰৰ জন্ম হৈছিল। তেওঁৰ পিতৃৰ নাম আছিল জন শ্বেক্সপীয়েৰ আৰু মাকৰ নাম আছিল মেৰী। পিতৃ-মাতৃৰ মুঠ আঠোটি সন্তানৰ তেওঁ আছিল তৃতীয় আৰু পুত্ৰ সন্তান হিচাপে আছিল প্ৰথম। তেওঁৰ জন্মৰ তাৰিখ যিদৰে আনুমানিক, একেদৰে তেওঁৰ শৈশৱৰ অনেক কথাই আনুমানিক ধাৰণাৰ ওপৰত প্ৰতিষ্ঠিত। সাহিত্যৰ ইতিহাসত তেওঁৰ শৈশৱ আৰু কৈশোৰৰ কোনো বিশদ বৰ্ণনা পোৱা নাযায়। শ্বেক্সপীয়েৰৰ শিক্ষা সম্পৰ্কেও পণ্ডিতসকলৰ মাজত মত বিৰোধ থকা পৰিলক্ষিত হয়। অনেকৰ মতে শ্বেক্সপীয়েৰৰ কোনো আনুষ্ঠানিক শিক্ষা নাছিল নাইবা আছিল যদিও সেয়া তেনেই সামান্য। আকৌ অষ্টাদশ শতিকাৰ এগৰাকী বিশিষ্ট শ্বেক্সপীয়েৰ বিশেষজ্ঞ নেথানিয়েল ৰোৰ মতে, শ্বেক্সপীয়েৰৰ প্ৰকৃত শিক্ষা একোৱেই নাছিল, তেওঁ এক অলৌকিক শক্তিৰহে অধিকাৰী আছিল। আনহাতে জন আব্ৰেই শ্বেক্সপীয়েৰ এজন স্কুল শিক্ষক আছিল বুলি উল্লেখ কৰিছে। এইক্ষেত্ৰত শ্বেক্সপীয়েৰৰ সমসাময়িক নাট্যকাৰ বেন জনচনৰ মন্তব্য প্ৰণিধানযোগ্য। বেন জনচনৰ মতে শ্বেক্সপীয়েৰে লেটিন আৰু গ্ৰীক ভাষাৰ অতি সামান্য জ্ঞানহে (Small Latin and less Greek) আহৰণ কৰিছিল। তেওঁ আছিল গ্ৰামাৰ স্কুলৰ ছাত্ৰ। যিসকল শিক্ষকৰ ওচৰত শ্বেক্সপীয়েৰে পাঠ গ্ৰহণ কৰিছিল তেওঁলোকৰ ভিতৰত ওৱাল্টাৰ ৰোজ, চাইমন হাণ্ট, টমাচ জেক্কিণ আৰু জন কটনে এজনৰ পাছত এজনকৈ তেওঁক পাঠদান কৰিছিল। জেক্কিণৰ ওচৰত তেওঁ তৰ্ক আৰু অলঙ্কাৰ শাস্ত্ৰৰ পাঠ গ্ৰহণ কৰিছিল। অলঙ্কাৰ শাস্ত্ৰৰ অধ্যয়নত তেওঁৰ বিশেষ মনোযোগ থকাৰ কথা জনা যায়। ভাষাৰ মেৰপাক, ৰচনা শৈলীৰ মাজত উপমাৰ প্ৰয়োগ, উৎপ্ৰেক্ষা, শ্লেষ, বিৰোধোক্তি আদিয়ে তেওঁৰ মনোজগতত অপূৰ্ব এক জগতৰ দুৱাৰ মুকলি কৰে।

শ্বেক্সপীয়েৰৰ যেতিয়া এঘাৰ বছৰ বয়স, তেতিয়াই তেওঁ ষ্ট্ৰাটফোৰ্ডৰ পৰা পোন্ধৰ মাইল দূৰৰ কেনিলওৱাৰ্থত ৰাণী এলিজাবেথৰ দৰবাৰত লৰ্ড লিষ্টাৰৰ দলৰ অভিনয় প্ৰত্যক্ষ কৰাৰ সুযোগ লাভ কৰিছিল। তদুপৰি গাৱঁতো মাজে সময়ে নাট্যাভিনয়ৰ ব্যৱস্থা কৰা হৈছিল। নাট্যদলবোৰে

অভিনয়ৰ বাবে প্ৰথমে কৰ্পোৰেচনৰ পৰা অনুমতি লোৱাৰ নিয়ম আছিল। শ্বেক্সপীয়েৰৰ পিতৃ জন শ্বেক্সপীয়েৰ আছিল কৰ্পোৰেচনৰ কৰ্মচাৰী। সেয়েহে পুতেকে যাতে অভিনয় চোৱাৰ সুযোগ পায়, তাৰ সু-ব্যৱস্থা তেওঁ নিজেই কৰিছিল।

ছাত্ৰাৱস্থাত শ্বেক্সপীয়েৰে নিয়মিত ভাবে গীৰ্জালৈ গৈছিল। বাইবেল আছিল বিদ্যালয়ৰ পাঠ। তেওঁ মনপুতি বাইবেল অধ্যয়ন কৰিছিল। বাইবেলৰ ভাষাৰ যাদুৱে তেওঁক মন্ত্ৰমুগ্ধ কৰি ৰাখিছিল। সেয়েহে তেওঁৰ ৰচনাৰাজিতো অনেক ক্ষেত্ৰত বাইবেলৰ সুৰৰ প্ৰতিধ্বনি পোৱা যায়।

মাত্ৰ তেৰ বছৰ বয়সতে শ্বেক্সপীয়েৰৰ জীৱনলৈ চৰম দুৰ্দিন নামি আহে। দেউতাকে কৰ্পোৰেচনৰ সদস্য পদ ত্যাগ কৰাত আৰ্থিক সংকটৰ পৰিত্ৰাণ বিচাৰি তেওঁ কচাইখানাৰ ব্যৱসায় কৰিবলৈ আৰম্ভ কৰে। ইমানতে তেওঁৰ ছাত্ৰ জীৱনৰো সামৰণি পৰে। কোনো কোনোৰ মতে এই সময়তে তেওঁ শিক্ষকতা কৰি উপাৰ্জনৰ পথ মুকলি কৰে।

বিবাহ আৰু মধুচন্দ্ৰিকা ঃ

শ্বেক্সপীয়েৰ যেতিয়া স্বপ্নাতুৰ দৃষ্টিৰ ওঠৰ বছৰীয়া এজন চফল ডেকা তেতিয়া ষ্ট্ৰাৰ্টফোৰ্ড নগৰৰ ওচৰৰ শ্ব'টাৰী নামৰ এখন সৰু গাৱঁৰ বিচাৰ্ড হ্যাথৱেৰ জেষ্ঠা কন্যা অ্যান হাথৱেৰ স'তে বিবাহপাশত আৱদ্ধ হয়। অ্যান আছিল তেওঁতকৈ আঠবছৰ ডাঙৰ। তথাপিও শ্বেক্সপীয়েৰে অ্যানক লৈয়েই তেওঁৰ প্ৰেমৰ সংসাৰ ৰচনা কৰিলে। ছাব্বিশ বছৰীয়া অ্যানৰ ওচৰত তেওঁ আত্মসমৰ্পন কৰিলে। কিছুদিন পাছত অ্যান অন্তঃসত্বা হ'ল। জন্ম হ'ল তেওঁলোকৰ প্ৰথম সন্তান 'সুজানা'ৰ। অ্যান আছিল পিউৰিটান। সম্ভৱত পিউৰিটান পৰিয়ালত প্ৰচলিত নাম এটাই প্ৰথম সন্তানক দিলে। ইয়াৰ ঠিক ডেৰ বছৰ পাছত এটা পুত্ৰ আৰু এটি কন্যা সন্তানৰ জন্ম হ'ল একেলগে। পুত্ৰ হেমনেট আৰু কন্যা জুডিথ। এমাডিমা তিনিটা সন্তানৰ পিতৃ হোৱাৰ পাছত শ্বেক্সপীয়েৰে ষ্ট্ৰাটফোৰ্ড এৰি লণ্ডনলৈ ঢাপলি মেলিলে।

০০০০০০০০০০০

লণ্ডনত কৰ্মময় জীৱন

ভাগ্য পৰীক্ষাৰ বাবে শ্বেক্সপীয়েৰে এইবাৰ লণ্ডনত উপস্থিত হ'ল। লণ্ডনৰ জীৱন অতি বৈচিত্ৰময়। ইয়াতো তেওঁৰ আকাংক্ষিত শান্তি পোৱা নাই। শ্বেক্সপীয়েৰে যেতিয়া লণ্ডনত থিতাপি লয়, তেতিয়াও স্পেনিচ আৰ্মাডাৰ পৰাজয় হোৱা নাই। চৌদিশে কৰ্মব্যস্ততা, প্ৰাণচঞ্চলতা, জাতিৰ নৱজাগৰণৰ সুস্পষ্ট চিহ্ন। ইংৰাজসকল তেতিয়া একতাৰ এনাজৰীৰে বন্ধা এটা সংস্কৃতিবান জাতি। এই সময়তেই লণ্ডনত নাটক, অভিনয় আৰু ৰঙ্গমঞ্চৰ এক নতুন অধ্যায়ৰ সূচনা হৈছে। বিশ্ববিদ্যালয়ৰ উচ্চশিক্ষা লাভ কৰি শ্বেক্সপীয়েৰৰ সমসাময়িক বা বয়সত সামান্য জ্যেষ্ঠ কেইজনমান নাট্যকাৰে ইংৰাজী নাটকৰ ক্ষেত্ৰত এক নতুন দিগন্তৰ সূচনা কৰিছে। 'ইউনিভাৰ্চিটি উইটচ' খ্যাত এই সকলৰ ভিতৰত মাৰ্লো, গ্ৰীণ, কীড, পীল, লিলি, ন্যাশ্ব আৰু লজ নামৰ নাট্যকাৰ কেইজন বিশেষভাবে উল্লেখনীয়। শ্বেক্সপীয়েৰৰ অব্যৱহিত পূৰ্বৰ এই নাট্যকাৰ সকলো ইংৰাজী নাট্যসাহিত্যৰ অমৰ স্ৰষ্টা হিচাপে আজিও বিশ্ববন্দিত।

এলিজাবেথীয় যুগৰ দৰ্শকসকলে মঞ্চত সদায় উত্তেজনা আৰু ৰক্তপাত বিচাৰিছিল।

উত্তেজনা আৰু ৰক্তপাতৰ দৃশ্য নথকা নাটকে দৰ্শকৰ মনোযোগ আকৰ্ষণ কৰাত সফল হোৱা নাছিল। অভিনেতা সকলৰ বাবে নৃত্যত পাৱদৰ্শিতা থকাটোও আছিল বাঞ্চনীয়। তদুপৰি একেজন অভিনেতাই কেতিয়াবা নাটকৰ বিভিন্ন চৰিত্ৰত অভিনয় কৰাৰ বাবে প্ৰস্তুত থাকিব লগা হোৱাটো আছিল অতি স্বাভাৱিক কথা। সাধাৰণতে বৃহৎ নাট্যদল একোটাত খুব বেছি বাৰজনকৈ অভিনেতাই অভিনয় কৰিছিল। অ্যালেন প্ৰযোজিত এটি নাটকত একেজন অভিনেতাই প্ৰেতাত্মা, ভূত, শিশু, যোদ্ধা, দস্যু, ভৃত্য আৰু পাৰস্যবাসীৰ চৰিত্ৰত অভিনয় কৰিছিল। এইজন অ্যালেন নামৰ প্ৰযোজকেই 'ৰোজ' থিয়েটাৰৰ যোগে শ্বেক্সপীয়েৰক সৰ্বপ্ৰথম মঞ্চাভিনয়ৰ সুযোগ দিয়ে। এনেক্ষেত্ৰত স্বাভাৱিকতেই অনুমান কৰিব পাৰি মঞ্চত শ্বেক্সপীয়েৰে কি দুঃসাধ্য সাধন কৰিবলগীয়া হৈছিল।

অনেক সৰু সৰু কিন্তু জটিল চৰিত্ৰত শ্বেক্সপীয়েৰে জীৱন্ত অভিনয় কৰিছিল। নাটক লিখাৰ ইচ্ছা আৰু ক্ষমতা দুয়োটাই আছিল তেওঁৰ। কিন্তু নাছিল সময়। ৰাতিপুৱা আখৰা আৰু দুপৰীয়াৰ পৰা সন্ধিয়ালৈকে অভিনয়। এয়ে আছিল লণ্ডনত শ্বেক্সপীয়েৰৰ প্ৰাত্যহিক জীৱন। তাৰ মাজতে তেওঁ লিখাৰ বাবে সময় উলিয়াই লৈছিল।

লাহে লাহে শ্বেক্সপীয়েৰ অভিনেতা আৰু নাট্যকাৰ হিচাপে একেলগে খ্যাতি অৰ্জন কৰিবলৈ সক্ষম হ'ল। তেওঁ নিজে অভিনয় কৰা দলৰ বাবে নাটক লিখিছিল বাবেই আন নাট্যকাৰ সকলৰ নাটক চোৱাৰ সৌভাগ্যও তেওঁৰ হৈছিল। এবাৰ 'ৰোজ' থিয়েটাৰত খ্ৰীষ্টোফাৰ মাৰ্লো ৰচিত 'টাম্বাৰলেইন' নামৰ ঐতিহাসিক নাটকখন চোৱাৰ পিচত তেওঁ সংকল্প লয় যে তেৰো মাৰ্লোৰ দৰে নাট ৰচনা কৰিব লাগিব। এই সময় ছোৱাতে তেওঁ বুৰঞ্জীবিদ হলিনশ্বেডে লিখা 'ইংলণ্ডৰ বুৰঞ্জী' পঢ়াৰ সুযোগ লাভ কৰে। হলিনশ্বেডৰ 'ইংলণ্ডৰ বুৰঞ্জী' পঢ়াৰ পাছত তেওঁ অনুভৱ কৰিলে যে দেশৰ ৰজা মহাৰজাসকলৰ জীৱনকলৈয়ে দেখোন ভাল নাটক লিখিব পৰা সম্ভৱ। এই সময়তেই তেওঁ 'ষষ্ঠ হেনৰী' নাটক লিখি ইংৰাজ সকলক তেওঁলোকৰ জাতিৰ ঐতিহ্যমণ্ডিত আৰু গৌৰৱোজ্বল অতীত সম্পৰ্কে সচেতন কৰি তোলে। লণ্ডনৰ দৰ্শকচামৰ মাজত বিশেষভাৱে সমাদৃত হয় নাট্যকাৰ শ্বেক্সপীয়েৰ। 'ষষ্ঠ হেনৰী'ৰ তিনিটা খণ্ড ৰচনা কৰাৰ পাচত তেওঁ হাতত লয় 'ৰিচাৰ্ড থাৰ্ড'। অৱশ্যে 'তৃতীয় ৰিচাৰ্ড' নাটকৰ গল্পাংশ আৰু চৰিত্ৰাঙ্কন তুলনামূলক ভাৱে দুৰ্বল, কিন্তু দ্বিতীয় খণ্ডই নাট্যকাৰৰ প্ৰতিভাৰ স্বাক্ষৰ বহন কৰিছে। তৰুণ ৰজা হেনৰী আৰু তেওঁৰ পত্নী মাৰ্গাৰেটৰ চৰিত্ৰই পাঠকৰ মনত মৃদু আলোড়নৰ সৃষ্টি কৰে। ৰাজসিংহাসন গ্ৰাস কৰিব বিচাৰে নিষ্ঠুৰ ৰিচাৰ্ডে। তৃতীয় খণ্ডত হেনৰীৰ মৃত্যু হয়।

'ষষ্ঠ হেনৰী'ৰ তিনিটা খণ্ডৰ ওপৰতেই মাৰ্লোৰ প্ৰভাৱ স্পষ্ট। অৱশ্যে সংলাপবোৰৰ কাব্যিকতা আটাইকেইটা খণ্ডতে প্ৰকট হয়। কিন্তু নাট্যকাৰ যে ৰঙ্গমঞ্চ আৰু দৰ্শকৰ ৰুচি সম্বন্ধে যথেষ্ট সচেতন তাত সন্দেহৰ অৱকাশ নাই। এই কথা ঠিক যে তিনিওটা খণ্ডৰ সৰ্বাঙ্গই শ্বেক্সপীয়েৰৰ নিজৰ ৰচনা হয় নে নহয় সেই কথা এতিয়াও সন্দেহৰ উৰ্দ্ধত নহয়। এলিজাবেথীয় যুগত মুলতঃ অভিনয়ৰ বাবেই নাটক ৰচনা কৰা হৈছিল। নাটকৰ দৰ্শক আছিল, পাঠক নাছিল। সেয়েহে, বহু সময়ত সোনকালে নাটক এখন মঞ্চস্থ কৰাৰ বাবেও কেবাজনো নাট্যকাৰে এখন নাটকত হাত দিব লগা হৈছিল। তদুপৰি 'ষষ্ঠ হেনৰী' নাটকৰ ৰচনাশৈলীৰ পৰাও এই কথাই প্ৰতীয়মান হয়।

১৫৯৩ খ্ৰীষ্টাব্দত ইংলণ্ডত প্লেগ মহামাৰীয়ে দেশৰ জনজীৱনত ভীতিগ্ৰস্ত পৰিবেশৰ সৃষ্টি কৰে। মানুহৰ ওপৰত অতি ভয়াবহ ভাৱে নামি অহা এই প্ৰাকৃতিক দুৰ্যোগৰ সময়ত ইংৰাজজাতিৰ সাংস্কৃতিক জীৱন স্তব্ধ হোৱাৰ উপক্ৰম হয়। 'ৰোজ' থিয়েটাৰৰ কৰ্তৃপক্ষয়ো নাট্যাভিনয়

বন্ধ কৰিব লগাত পৰে। এইবাৰ নাট্যকাৰ শ্বেক্সপীয়েৰে কাব্যচৰ্চাত মনোনিবেশ কৰে। এই সময়ছোৱাতে তেওঁ ৰচনা কৰে 'ভেনাচ এণ্ড এড'নিচ' নামৰ প্ৰেমৰ কবিতা। কামনা, প্ৰেম আৰু সৌন্দৰ্য্যৰ দেৱী ভেনাচ আৰু তৰুণ এড'নিচৰ প্ৰেমৰ কাহিনীয়ে হ'ল কবিতাটিৰ বিষয়বস্তু। শ্বেক্সপীয়েৰে এই কবিতাটি উচৰ্গা কৰিছিল আৰ্ল-অব-চাদাম্পটনলৈ। উচৰ্গা পত্ৰত কবিয়ে লিখিছিল যে তেওঁ চাদাম্পটনক আন এটি সুন্দৰ কবিতা উপহাৰ দিব। কবিৰ প্ৰতিশ্ৰুত এই কবিতাটি আছিল 'দ্য ৰেপ অব লুক্ৰিচ'। এইবাৰৰ উচৰ্গা পত্ৰত তেওঁ লিখিলে, 'যি প্ৰেম আৰু শ্ৰদ্ধাৰে মই আপোনাৰ উদ্দেশ্যে এই কবিতাটি উচৰ্গা কৰিছো তাৰ কোনো সীমা নাই। এই উচৰ্গা পত্ৰ তাৰেই মাথো এটি ক্ষুদ্ৰ নিদৰ্শন। মোৰ যোগ্যতা একেবাৰেই নাই। কিন্তু আপোনাৰ অপৰিসীম স্নেহে মোৰ কবিতাক গ্ৰহণযোগ্য কৰি তুলিছে। মই যি কৰিছো এই সকলো আপোনাৰ। ভৱিষ্যতে যি কৰিম, সেয়াও আপোনাৰ। মোৰ সমস্তই আপোনাৰ। যদি মোৰ ইয়াতকৈ অধিক যোগ্যতা থাকিলেহেতেঁন মই আৰু সুন্দৰভাৱে আপোনাৰ সেৱা কৰিলোহেতেঁন। কিন্তু যি সামান্য যোগ্যতা মোৰ আছে, তাকেই আপোনাৰ সেৱাত নিয়োজিত কৰিছো। মই আপোনাৰ দীৰ্ঘ আৰু সুখী জীৱন কামনা কৰোঁ।'

'দ্য ৰেপ অব লুক্ৰিচ' লিখি পঠিওৱাৰ পাছত চাদাম্পটনে হেনো শ্বেক্সপীয়েৰক একহাজাৰ পাউণ্ড পুৰস্কাৰ হিচাপে আগবঢ়াইছিল। সম্ভৱত ইয়াত কিছু অতিশয়োক্তি আছে।

দীৰ্ঘদিন ৰঙ্গমঞ্চ বন্ধ হৈ থকাৰ পাছত আকৌ যেতিয়া নাট্যাভিনয় আৰম্ভ হ'ল শ্বেক্সপীয়েৰে তেতিয়া পুনৰ নাটকত হাত দিলে। ৰচনা কৰিলে 'টাইটাচ এণ্ড্ৰোনিকাচ' (১৫৯৩)। নাটকখনত থকা উত্তেজনা আৰু ৰক্তপাতৰ দৃশ্যই দৰ্শকক শিহৰিত কৰিছিল। অতিমাত্ৰা বিভৎসতাৰ বাবে শ্বেক্সপীয়েৰৰ এই নাটকখনক টমাচ কিডৰ 'স্পেনিচ ট্ৰেজেদি'ৰ স'তে তুলনা কৰিব পাৰি। নাটকখনত প্ৰেক্ষাগৃহ ভৰা দৰ্শকৰ মাজতেই টাইটাচৰ এটা হাত কাটি পেলোৱা হয়। মঞ্চত তেজৰ ঢল বয়। তেওঁৰ পুতেক কেইজনৰ শিৰচ্ছেদৰ দৃশ্যই দৰ্শকক শিহৰিত কৰি তোলে। হাত ভৰি কটা লেভিনিয়াই তাইৰ বলাৎকাৰকাৰী সকলৰ তেজ এটি পাত্ৰত ধৰি ৰাখে। তাৰ পাছত দুৰ্বৃত্তবোৰৰ মাংস ৰান্ধি সিহঁতৰ মাকক খাবলৈ দিয়া হয়। নাটকখনত লেটিন নাট্যকাৰ চেনেকাৰ প্ৰভাৱ সুস্পষ্ট। চেনেকাৰ নাটকত প্ৰতিহিংসা, ৰক্তপাত, হত্যা, উন্মত্ততা, ভুত প্ৰেতৰ বিভীষিকা আদিৰ পয়োভৰ লক্ষণীয়। অৱশ্যে চেনেকাই নাট ৰচনা কৰিছিল ৰোমৰ অবক্ষয়ৰ যুগত। চেনেকাৰ ৰোমৰ দৰ্শকসকলো আছিল ব্যাধিগ্ৰস্ত মনোভাৱাপন্ন। কিন্তু এলিজাবেথীয় যুগৰ দৰে এটি জীৱনমুখী, প্ৰাণোচ্ছল আৰু কৰ্মচঞ্চল যুগত এই ধৰণৰ নাটক শ্বেক্সপীয়েৰে কিয় লিখিলে সেই প্ৰশ্নৰ উত্তৰ দিয়া সহজ নহয়। চেনেকাৰ নাটকত মৃত্যুৰ সমাৰোহ উদ্‌যাপিত হয়। কিন্তু শ্বেক্সপীয়েৰৰ যুগৰ নাট্যকাৰ সকলে মৃত্যু নহ'লেও উত্তেজনামূলক চাঞ্চল্যকৰ ঘটনাৰ সমাবেশ বিচাৰিছিল। দৰ্শকসকলে একান্তমনে তাকেই কামনা কৰিছিল। চেনেকাৰ 'থাইষ্টিচ' নাটকখন শ্বেক্সপীয়েৰৰ অতি প্ৰিয় আছিল। এই নাটকখনৰ স'তে 'টাইটাচ এণ্ড্ৰোনিকাচ'ৰ এটি বিশেষ মিল আছে। দুয়োখন নাটকতে পুত্ৰক হত্যা কৰি পিতৃ মাতৃক মাংস খাবলৈ দিয়া হৈছে। জন্মদাতা পিতৃ মাতৃয়ে আপোন সন্তানৰ মাংস ভক্ষণ কৰিছে।

১৫৯১ খ্ৰীঃত 'লাভচ লেবাৰচ লষ্ট' নাটকখন ৰচনা কৰাৰ লগে লগে শ্বেক্সপীয়েৰে কমেডিৰ জগতত প্ৰৱেশ কৰে। একে বছৰতেই তেওঁ 'দ্য টু জেণ্টেলমেন অব ভেৰোনা' আৰু ইয়াৰ পাছত ১৫৯২ খ্ৰীঃত তেওঁ 'কমেডি অব এৰ'ৰচ' নামৰ নাটখন ৰচনা কৰে। যদিও শ্বেক্সপীয়েৰৰ প্ৰথম ট্ৰেজেদি 'টাইটাচ এণ্ড্ৰোনিকাচ', কমেডি 'লাভচ লেবাৰচ লষ্ট', 'টু জেণ্টেলমেন অব ভেৰোনা'

আৰু ঐতিহাসিক নাট 'ষষ্ঠ হেনৰী' আৰু 'ৰিচাৰ্ড থাৰ্ড' এই আটাইকেইখনেই ১৫৯১ খ্ৰীঃৰ পৰা ১৫৯৩ খ্ৰীঃৰ ভিতৰতে লিখা, তথাপিও অনুমান কৰা হয় যে এই নাটক সমূহৰ এখনো ১৫৯৪ খ্ৰীঃৰ পূৰ্বে প্ৰকাশিত হোৱা নাছিল। ১৫৯৩ খ্ৰীষ্টাব্দত ইংলণ্ডত ভয়াবহ ত্ৰাসৰ সৃষ্টি কৰা প্লেগ মহামাৰী ইয়াৰ পাছৰ বছৰতেই শাম কটাৰ পাছত শ্বেক্সপীয়েৰে পুনৰ নাট্যদলত যোগ দিয়ে। এইবাৰ তেওঁ বিখ্যাত লৰ্ড চেম্বাৰলেইন থিয়েটাৰ কোম্পানীৰ সদস্য পদ গ্ৰহণ কৰে। এই সময়ছোৱাতে তেওঁ ৰচনা কৰি উলিয়াই জীৱনৰ প্ৰথম শ্ৰেষ্ঠ কমেডি 'এ মিডচামাৰ নাইট্‌চ ড্ৰিম'। ১৫৯৪ খ্ৰীঃৰ পৰা ১৬০০ খ্ৰীষ্টাব্দলৈ ছবছৰ বিস্তৃত এই কালছোৱাৰ শ্বেক্সপীয়েৰৰ আন উল্লেখযোগ্য সৃষ্টিসমূহৰ ভিতৰত 'মাৰ্চেন্ট অব ভেনিচ', 'এজ ইউ লাইক ইট', 'মাচ্ এডো এবাউট নাথিং' আদিয়েই প্ৰধান। এই নাটকসমূহতেই শ্বেক্সপীয়েৰৰ সৃজনী প্ৰতিভা, ভাষাৰ মাধুৰ্য্যপূৰ্ণ ব্যৱহাৰ, জীৱনৰ জটিলতাৰ উপলদ্ধি আৰু তেওঁৰ নাটকৰ কাব্যিকতা লক্ষ্য কৰা যায়। এই সময়ছোৱাতেই প্ৰেমৰ এক কৰুণ আৰু বিড়ম্বনাপূৰ্ণ কাহিনীৰে শ্বেক্সপীয়েৰে ৰচনা কৰে সৰ্বকালৰ এখন শ্ৰেষ্ঠ ৰোমাণ্টিক নাটক 'ৰোমিও জুলিয়েট'। 'কিং জন', 'দ্বিতীয় ৰিচাৰ্ড', 'পঞ্চম হেনৰী' আৰু 'চতুৰ্থ হেনৰী'ৰ দুয়োটা খণ্ডই এই সময়তে ৰচিত হয়।

ইতিমধ্যে নাট্যকাৰ আৰু অভিনেতা হিচাপে ইংলণ্ডত শ্বেক্সপীয়েৰে বৈ বৈ যোৱা খ্যাতি অৰ্জন কৰিবলৈ সক্ষম হয়। ইংৰাজ জনগণৰ হৃদয়ত তেওঁ স্থান দখল কৰিবলৈ সক্ষম হয়। তেওঁৰ নাটকে ইংৰাজ সকলৰ জাতীয় জীৱনতো ব্যাপকপ্ৰভাৱ পেলায়। এনে সময়তে তেওঁৰ ঘৰৰ পৰা পুত্ৰ হেমনেটৰ মৃত্যুৰ দুঃসংবাদ আহে। কিছুদিনৰ বাবে শ্বেক্সপীয়েৰে নাট্যকলাৰ স'তে ব্যস্ত থকাৰ বাবেই হয়তো নিজ পুত্ৰ পৰিবাৰৰ কথাও পাহৰি গৈছিল। হেমনেটৰ মৃত্যুৰ দুঃসংবাদে তেওঁৰ হৃদয়ত যেন শৰবিদ্ধ কৰিলে। তেওঁ উভতি গ'ল ষ্ট্ৰাটফৰ্ডলৈ। এঘাৰ বছৰীয়া পুত্ৰ হেমনেটৰ শেষকৃত্য সমাপন কৰিলে ইংলণ্ডৰ ট্ৰিনিটি চাৰ্চত। গীৰ্জাত সিদিনা সকলোৱে শ্বেক্সপীয়েৰৰ ফালে চাই আছিল। তেওঁ অনুভৱ কৰিছিল, তেওঁ যেন অপৰাধী। বিচাৰকে অপৰাধীৰ ফালে চাই থকাৰ দৰে আন আনসকলেও তেওঁৰ ফালে সেই দৃষ্টিৰেই চাই আছে।

পুত্ৰৰ অকাল মৃত্যুৰ পাছতো শ্বেক্সপীয়েৰে ঘৰত বেছিদিন কটাব নোৱাৰিলে। আকৌ তেওঁ লণ্ডনলৈ উভতি আহিল। শ্বেক্সপীয়েৰ আছিল ৰাজতন্ত্ৰৰ সমৰ্থক। তেওঁ ৰচনা কৰা বুৰঞ্জীমূলক নাট 'চতুৰ্থ হেনৰী' এই সময়ৰে সৃষ্টি। এই নাটকখনৰেই এক অনবদ্য চৰিত্ৰ 'ফলষ্টাফ'। যোৱা চাৰিশ বছৰে 'ফলষ্টাফ'ৰ চৰিত্ৰই বিশ্বৰ কোটি কোটি দৰ্শক পাঠকক বিমোহিত কৰিছে। কিন্তু 'পঞ্চম হেনৰী' ৰজা হোৱাৰ পাছত 'ফলষ্টাফ'ক ত্যাগ কৰি ৰাজ্যবাসীয়ে ধন্যবাদৰ পাত্ৰ হৈছে। 'চতুৰ্থ হেনৰী' নাটকৰ অভিনয় চোৱাৰ পাছত ৰাণী এলিজাবেথে আন এখন নাটক লিখিবলৈ আদেশ দিয়ে। ৰাণীৰ আদেশ মৰ্মে তেওঁ ৰচনা কৰে 'দ্য মেৰী ওৱাইভচ অব উইণ্ডচৰ' নামৰ নাটখন। ইয়াতো তেওঁ পুনৰায় 'ফলষ্টাফ'ৰ চৰিত্ৰৰ আমদানি কৰে। অৱশ্যে 'মেৰী ওৱাইভচ্'ত 'ফলষ্টাফ'ক কামুক আৰু লম্পট হিচাপেহে চৰিত্ৰায়িত কৰা হৈছে।

পুত্ৰ হেমনেটৰ মৃত্যুৰ পাছত শ্বেক্সপীয়েৰে লণ্ডনৰ 'গ্লোব' থিয়েটাৰত যোগ দিয়ে। গ্লোব থিয়েটাৰত তেওঁৰ প্ৰথম অভিনীত নাট 'জুলিয়াচ চিজাৰ'। ইয়াৰ পূৰ্বৰ বুৰঞ্জীমূলক নাটকসমূহৰ বিষয়বস্তু ইংলণ্ডৰ বুৰঞ্জীৰ পৰা লোৱা হৈছিল। কিন্তু এইবাৰৰ পৰা তেওঁ ৰোমান সাম্ৰাজ্যৰ ইতিহাসকো তেওঁৰ নাটকৰ বিষয়বস্তু হিচাপে গ্ৰহণ কৰিলে।

১৬০১ খ্ৰীষ্টাব্দত শ্বেক্সপীয়েৰৰ পিতৃ বিয়োগ হয়। ১৬০৮ খ্ৰীঃত তেওঁৰ মাতৃ মেৰী

আৰ্ডেনেও ইহসংসাৰৰ পৰা চিৰ বিদায় লয়। তেওঁৰ পিতৃ আৰু মাতৃ বিয়োগৰ মাজৰ এই সময়ছোৱা তেওঁৰ প্ৰতিভাবিকাশৰ অন্যতম ফলপ্ৰসু সময়। এই সময়ছোৱাতেই তেওঁ ৰচনা কৰে বিশ্বসাহিত্যৰ অমূল্য সম্পদ 'হেমলেট', কিং লিয়েৰ', 'অথেলো' আৰু 'মেকবেথ'। 'জুলিয়াচ চিজাৰ'ৰ উপৰিও শ্বেক্সপীয়েৰৰ আন তিনিখন বিখ্যাত ট্ৰেজেদি 'টাইমন অব এথেন্স', 'এন্ট'নি এণ্ড ক্লিওপেট্ৰা' আৰু 'কৰিওলেনাচ'ও এই সময়ৰে ৰচনা। একে সময়ৰ কমেডি সমূহৰ ভিতৰত 'মিজাৰ ফৰ মিজাৰ', 'অলচ ওৱেল দেট এণ্ডচ ওৱেল', 'ট্ৰইলাচ এণ্ড ক্ৰিচিডা' আৰু 'টুৱেলফ্থ নাইট' উল্লেখনীয়। ১৬০৮ খ্ৰীষ্টাব্দৰ পৰা ১৬১০ খ্ৰীষ্টাব্দৰ ভিতৰত তেওঁ লিখি উলিয়াই 'অষ্টম হেনৰী', 'পেৰিক্লিচ', 'চিম্বেলীন', 'উইন্টাৰ্চ টেল' আৰু 'দ্য টেমপেষ্ট'।

১৬১৩ খ্ৰীঃত 'অষ্টম হেনৰী' নাট মঞ্চস্থ হোৱাৰ সময়তেই 'গ্লোব' থিয়েটাৰ আকস্মিক অগ্নিকাণ্ডত ভস্মীভূত হয়। অৱশ্যে ইয়াৰ এবছৰ পূৰ্বৰ পৰাই শ্বেক্সপীয়েৰৰ সৃষ্টিশীল কাম কাজ স্তব্ধ হৈ পৰে। জীৱনৰ অন্তিম দিন কেইটা শ্বেক্সপীয়েৰে তেওঁৰ জন্মস্থান ষ্ট্ৰেটফৰ্ড নগৰতেই অতিবাহিত কৰে। ১৬১৬ খ্ৰীষ্টাব্দৰ ২৩ মাৰ্চৰ দিনাই তেওঁ জীৱন নাট সামৰি বিশ্ববাসীৰ পৰা বিদায় লয়। মৃত্যুৰ দুদিন পাছত তেওঁক ষ্ট্ৰেটফৰ্ডৰ ট্ৰিনিটি চাৰ্চত সমাধিস্থ কৰা হয়। সমগ্ৰ বিশ্বৰ অগনন সাহিত্যপ্ৰেমীৰ বাবে শ্বেক্সপীয়েৰৰ সমাধি পবিত্ৰ তীৰ্থস্থানস্বৰূপ।

০০০০০০০০০০০

শ্বেক্সপীয়েৰৰ ট্ৰেজেদি

বিশ্বৰ শ্ৰেষ্ঠ নাট্যকাৰ শ্বেক্সপীয়েৰৰ ট্ৰেজেদিৰ ৰচয়িতা হিচাপে মৌলিকতা নাই। ট্ৰেজেদিৰ স্ৰষ্টা হিচাপে তেওঁৰ ওপৰত চেনেকা, কীড আৰু মাৰ্লোৰ প্ৰভাৱ স্পষ্ট। তেওঁৰ ট্ৰেজেদিত নায়কৰ মৃত্যু অৱশ্যম্ভাৱী। কিন্তু নাট্যকাৰৰ ইচ্ছাত নায়কৰ মৃত্যু নহয়। নায়কে কৃতকৰ্মৰ ফলহে ভোগ কৰে। নায়কে নিজেই নিজৰ ভাগ্য নিয়ন্ত্ৰণ কৰে। নাট্যকাৰে মাথো নায়কৰ ৰূপকাৰ হিচাপেহে কাম কৰে। অৱশ্যে কেতিয়াবা শ্বেক্সপীয়েৰৰ নায়কে বিনা অপৰাধতো দুখ-যন্ত্ৰণা ভোগ কৰিব লগা হয়। ব্ৰুটাচ, হেমলেট, অথেলো আৰু ৰোমিও ইয়াৰ উদাহৰণ। মৃত্যুৰ ভয়াবহতা, ৰক্তপাত আদি শ্বেক্সপীয়েৰৰ ট্ৰেজেদিৰ স্বাভাৱিক ঘটনা। কিন্তু এইধৰণৰ ভয়াবহ দৃশ্যৰ মাজে মাজেও শ্বেক্সপীয়েৰে ক্ষন্তেকীয়া আনন্দৰ বাবে কিছু ধেমেলীয়া দৃশ্যৰ সংযোজন ঘটাইছিল।

ডাঃ জনচনে শ্বেক্সপীয়েৰৰ যুগক বৰ্বৰ যুগ বুলি অভিহিত কৰিছে। সেই যুগৰ দৰ্শকসকলে ভুত, প্ৰেত, ডাইনী আদিত বিশ্বাস কৰিছিল। শ্বেক্সপীয়েৰে তেওঁৰ ট্ৰেজেদি সমূহত এই অতিপ্ৰাকৃত উপাদানসমূহৰ আমদানি কৰি নাট্যকাহিনী ৰহস্যাবৃত কৰিছিল। তেওঁৰ 'হেমলেট', 'মেকবেথ', 'জুলিয়াচ চিজাৰ' আৰু 'তৃতীয় ৰিচাৰ্ড'ত অতি প্ৰাকৃত বা অলৌকিক চৰিত্ৰৰ অৱতাৰণা কৰিছে। 'মেকবেথ' নাটকখনত প্ৰথমৰ পৰাই তেওঁ এক ৰহস্যময় পৰিবেশ সৃষ্টি কৰিছে। নাটকৰ আৰম্ভণিতে ধুমুহা, বজ্ৰপাতৰ শব্দ। মেকবেথ আৰু বাংকোৰ স'তে ডাইনীসকলৰ সাক্ষাতে নাটকখন আৰু অধিক ৰহস্যঘন কৰি তোলে। 'হেমলেট'তো আদিৰ পৰা অন্তলৈ ৰহস্যৰ শেষ নাই। 'জুলিয়াচ চিজাৰ' নাটকখনত চিজাৰৰ হত্যাৰ পাছত ব্ৰুটাচে তেওঁৰ প্ৰেতাত্মাৰ সাক্ষাৎ লাভ কৰিছিল। প্ৰেতাত্মাৰ স'তে তেওঁ দুবাৰকৈ কথা-বতৰাও পাতিছিল। প্ৰেতাত্মাৰ স'তে হোৱা কথোপোকথনে এই কথা প্ৰতীয়মান কৰিছিল যে ব্ৰুটাচ গণতন্ত্ৰৰ প্ৰতীক।

নাট্যকাৰ হিচাপে শ্বেক্সপীয়েৰৰ ওপৰত চেনেকাৰ প্ৰভাৱ অপৰিসীম। চেনেকা আছিল প্ৰথম শতাব্দীৰ ৰোমান নাট্যকাৰ আৰু দাৰ্শনিক। তেওঁ তেওঁৰ দাৰ্শনিক আৰু নৈতিক উপদেশবোৰ পাঠকৰ হৃদয়গ্ৰাহী কৰাৰ বাবে নাটক ৰচনাত ব্ৰতী হয়। ৰোমৰ অন্ধকাৰ যুগত তেওঁ নাট্যৰচনা কৰি ৰোমান সকলক বাট প্ৰদৰ্শন কৰিছিল। চেনেকাৰ নাটকত হতাশাৰ সুৰ প্ৰতিধ্বনিত হয়। অন্যহাতে তেওঁৰ অধিকাংশ নাটকেই প্ৰতিহিংসামূলক। এলিজাবেথীয় আৰু জেকোবীয় যুগৰ নাট্যকাৰ সকলেও প্ৰতিহিংসাক নাটকৰ মূল উপজীৱ্য হিচাপে গ্ৰহণ কৰিছিল। নিষ্ঠুৰতা, বৰ্বৰতা আৰু অমানুষিকতাই ট্ৰেজেদিত স্থান লাভ কৰিছিল। শ্বেক্সপীয়েৰৰ ক্ষেত্ৰতো ইয়াৰ ব্যতিক্ৰম হোৱা নাই। প্ৰতিহিংসাৰ স'তে অলৌকিকতা। শ্বেক্সপীয়েৰৰ ওপৰত চেনেকাৰ প্ৰত্যক্ষ প্ৰভাৱৰ ইয়াতকৈ উজ্বল দৃষ্টান্ত নাই।

শ্বেক্সপীয়েৰ নাট্যকাৰ। তেওঁ জীৱনৰ চিত্ৰকৰ। নীতিবাগীশ নহয়। তেওঁৰ নায়কসকলো অসাধাৰণ ধৰ্মনিষ্ঠ বা ন্যায়পৰায়ণ নহয়। তথাপিও শ্বেক্সপীয়েৰৰ ট্ৰেজেদিৰ নায়কৰ মহত্বক অস্বীকাৰ কৰাৰ কোনো উপায় নাই।

০০০০০০০০০০০

শ্ৰেষ্ঠ ট্ৰেজেদিসমূহৰ চমু আলোচনা–

বিশ্বসাহিত্যলৈ শ্বেক্সপীয়েৰৰ অপূৰ্ব অৱদান হৈছে তেওঁৰ সাতত্ৰিশখন নাটক, এশ চৌৱন্নটি ছনেট আৰু চাৰিটা দীঘল কবিতা। সাতত্ৰিশখন নাটকৰ যোল্লখনেই কমেডি। বাকী একৈশখন ট্ৰেজেদি, বুৰঞ্জীমূলক। ট্ৰেজেদি সমূহৰ ভিতৰত চাৰিখনক সৰ্বশ্ৰেষ্ঠ বুলি বিবেচনা কৰা হৈছে। তেওঁৰ এই শ্ৰেষ্ঠ বিবেচিত ট্ৰেজেদিসমূহ হ'ল 'হেমলেট', 'কিং লিয়েৰ, 'অথেলো' আৰু 'মেকবেথ'।

হেমলেট

১৬০০-১৬০১ খ্ৰীঃত শ্বেক্সপীয়েৰে 'হেমলেট' ৰচনা কৰে। নাটকখনৰ প্ৰথম অভিনয় হয় ১৬০২ খ্ৰীঃত। প্ৰথম প্ৰকাশিত হয় ১৬০৩ খ্ৰীঃত।

নাটকৰ কাহিনীভাগ ডেনমাৰ্কৰ ৰাজকোঁৱৰ হেমলেটৰ জীৱনৰ কৰুণ পৰিণতিৰ আধাৰত ৰচিত। যুৱৰাজ হেমলেট আছিল উইটেনবাৰ্গ বিশ্ববিদ্যালয়ৰ দৰ্শনৰ ছাত্ৰ। অসময়ত পিতৃৰ মৃত্যুৱে তেওঁৰ হৃদয়ত বজ্ৰাঘাত কৰিছে। দেউতাকৰ মৃত্যুৰ পাছতেই যেতিয়া তেওঁৰ মাতৃ গাৰ্ট্ৰুডে তেওঁৰ দদায়েক ক্ল'ডিয়াচৰ ওচৰত নিৰ্লজ্জ আত্মসমৰ্পন কৰি বিবাহ পাশত আৱদ্ধ হ'ল তেতিয়া হেমলেটৰ বাবে এই ঘটনা দুঃসহ বেদনাৰ উৎসত পৰিণত হ'ল। ইফালে হেমলেটেও মন্ত্ৰী পোলোনিয়াচৰ কন্যা অফেলিয়াৰ স'তে গোপন প্ৰেমত পৰিল। কিন্তু পোলোনিয়াচে কন্যা অফেলিয়াক বাধা প্ৰদান কৰাৰ বাবে হেমলেটৰ প্ৰেমৰ প্ৰতি সহাঁৰি জনাব নোৱাৰিলে। প্ৰথম প্ৰেমতে হেমলেট ব্যৰ্থ হ'ল।

হেমলেটৰ বন্ধু হৰেচিওই এদিন এই সংবাদ দিলে যে তেওঁ ৰজা হেমলেটৰ প্ৰেতাত্মা

দেখিবলৈ পাইছে। যুবৰাজ হেমলেটে প্ৰেতাত্মাৰ স'তে সাক্ষ্যাত কৰি গম পালে তেওঁৰ দদায়েক ক্ল'ডিয়াচেই তেওঁৰ পিতৃ ৰজা হেমলেটক বাগিছাত শুই থাকোতে কাণেৰে বিষ ঢালি হত্যা কৰিছে। গতিকে হেমলেটে যিকোনো উপায়ে ইয়াৰ প্ৰতিশোধ লবই লাগিব। ঠিক এই সময়ৰ পৰাই হেমলেটে চৰম মানসিক দন্দ্বত ভুগিবলৈ ধৰিলে। হেমলেট বলিয়াপ্ৰায় হৈ পৰিল। পোলোনিয়াচে মন্তব্য কৰিলে যে প্ৰেমৰ ব্যৰ্থতাই হেমলেটৰ বলিয়ালিৰ কাৰণ। কিন্তু ডেনমাৰ্কৰ বৰ্ত্তমান ৰজা ক্ল'ডিয়াচে এই কথা মানি লব নোৱাৰিলে। হেমলেটৰ বলিয়ালিৰ প্ৰকৃত কাৰণ অনুসন্ধানৰ বাবে তেওঁ হেমলেটৰ দুজন বন্ধুক গুপ্তচৰ হিচাপে নিয়োগ কৰিলে।

বলিয়াৰ ভাও দেখুওৱা হেমলেটেও তেওঁৰ নিজ বুদ্ধিমত্তাৰে মৃত পিতৃ ৰজা হেমলেটৰ প্ৰেতাত্মাৰ সেই সাংঘাতিক উক্তিৰ যথাৰ্থতা প্ৰমান কৰিব বিচাৰিলে। তেওঁৰ অনুৰোধ মৰ্মে এদল বিচক্ষণ অভিনেতাই বৰ্ত্তমানৰ ৰজা আৰু ৰাণীৰ সন্মুখত এনে এটি নাট্যাভিনয় প্ৰদৰ্শন কৰিলে, যি নাটকৰ কাহিনীভাগ হেমলেটৰ পিতৃৰ অস্বাভাৱিক মৃত্যু (?) ৰ কাহিনীৰ স'তে একে। এই চুটি নাটকখন চোৱাৰ লগে লগে ক্ল'ডিয়াচৰ মুখমণ্ডলত ভয়ৰ ছাপ স্পষ্ট হোৱা দেখি হেমলেটৰ বুজিবলৈ বাকী নাথাকিল যে পিতৃৰ প্ৰেতাত্মাৰ কথাই আখৰে আখৰে সত্য। ৰজা হেমলেটৰ হত্যাকাৰী আন কোনো নহয়, মাতৃ গাৰ্ট্ৰুডৰ গোপন প্ৰেমত মচগুল হৈ বিশ্বাসঘাতক ক্ল'ডিয়াচেই তেওঁক হত্যা কৰিছে।

মঞ্চত 'গঞ্জাগোৰ হত্যা' নামৰ এই চুটি অভিনয়খন চোৱাৰ পাছৰ পৰাই হেমলেটে সম্বন্ধে ৰজাৰ সন্দেহ ঘণীভূত হ'ব ধৰিলে। তেওঁ দুজন গুপ্তচৰৰ সতে হেমলেটক ইংলণ্ডলৈ পঠিয়াই দিয়াৰ ব্যৱস্থা কৰিলে। কিন্তু হেমলেটে পিতৃৰ প্ৰেতাত্মাৰ সেই উক্তি পাহৰি যাব পৰা নাই। এবাৰ তেওঁ প্ৰাৰ্থনাৰত অৱস্থাতে ক্ল'ডিয়াচক হত্যা কৰাৰ সুযোগ লাভ কৰিছিল। কিন্তু তেতিয়া তেওঁক হত্যা কৰিলে তেওঁৰ আত্মাই স্বৰ্গত স্থান লাভ কৰিব বুলি ভাবি সেইবাৰ হেমলেটে তেওঁক ৰেহাই দিলে। এদিন নিজৰ মাতৃক তেওঁ অতি তুচ্ছভাৱে ভৰ্ৎসনা কৰিলে, দেউতাকৰ মৃত্যুৰ পাছত অতি নিম্ন মনোবৃত্তিৰ এজন লম্পটক তেওঁ বিয়া কৰোৱাৰ বাবে।

হেমলেট আৰু ক্ল'ডিয়াচৰ মাজত প্ৰতিহিংসা পৰায়ণতাই চৰম পৰ্যায় পালেগৈ। হেমলেটক হত্যা কৰাৰ পৰিকল্পনাৰে ক্ল'ডিয়াচে তেওঁক ইংলণ্ডলৈ পঠিয়ালে। হেমলেটে এই ষড়যন্ত্ৰ বুজিব পাৰিলে। তেওঁ সাগৰীয় দস্যুসকলৰ জাহাজত উঠি ডেনমাৰ্কলৈ উভতি আহিল। ইপিনে পোলোনিয়াচৰ মৃত্যুৰ পাছত পিতৃ শোকত ম্ৰিয়মান হৈ অফেলিয়াই আত্মহত্যা কৰিলে। (হেমলেটে ক্ল'ডিয়াচ বুলি ভাবি ভুলবশত মন্ত্ৰী পোলোনিয়াচক হত্যা কৰিছিল)। পিতৃ আৰু একমাত্ৰ ভগ্নীক হেৰুওৱাৰ পাছত লৰেটিচ তীব্ৰ হেমলেট বিদ্বেষী হৈ পৰে। এনেতে ৰজাই হেমলেট আৰু লৰেটিচৰ মাজত অসিচালনা প্ৰতিযোগিতা অনুষ্ঠিত কৰে। ক্ল'ডিয়াচে লৰেটিচক এই দিহাও দিয়ে যে হেমলেটৰ সৈতে যুদ্ধত অৱতীৰ্ণ হোৱাৰ সময়ত যাতে তেওঁৰ তৰোৱালত মাৰাত্মক বিষ সানি লয়। ৰজাৰ মতেই লৰেটিচ আৰু হেমলেটৰ যুদ্ধ আৰম্ভ হ'ল। প্ৰথমতে লৰেটিচৰ বিষ সনা তৰোৱালেৰে হেমলেটক আঘাত কৰিলে। ইয়াৰ পাছত লৰেটিচৰ দুৰ্ভাগ্য। অস্ত্ৰৰ বিনিময় হ'ল। এইবাৰ হেমলেটে লৰেটিচক আহত কৰিলে। ইফালে ৰজাই মাথো তৰোৱালত বিষ সানিয়ে ক্ষান্ত থকা নাই। হেমলেটৰ বাবে তেওঁ বিহৰ পিয়লা এটিও সাজু কৰি ৰাখিছে। হেমলেট আৰু লৰেটিচ দুয়ো বিহ সনা তৰোৱালেৰে আঘাতপ্ৰাপ্ত হোৱাৰ পাছত ৰাণী উত্তেজিত হৈ পৰিল। হেমলেটৰ বাবে সযতনে ৰাখি থোৱা বিহৰ পিয়লাটোকেই পানী বুলি ভাবি ৰাণীয়ে পান কৰিলে। মৃত্যু

যন্ত্ৰণাত ৰাণী ঢলি পৰিল। অৱশেষত বিশ্বাসঘাতক ৰজা ক্ল'ডিয়াচক হত্যা কৰি হেমলেটে নিজেও মৃত্যুৰ শয্যাত শয়ন কৰিলে। এইদৰে ডেনমাৰ্কৰ ৰাজপৰিয়ালৰ কৰুণ পৰিসমাপ্তিৰ পাছত নৰৱেৰ যুৱৰাজ ফৰ্টিনব্ৰাছে আহি সিংহাসনত বহে আৰু মৃতকসকলৰ শেষকৃত্য সম্পন্ন কৰাৰ ব্যৱস্থা কৰে।

শ্বেক্সপীয়েৰৰ হেমলেট বিশ্বসাহিত্যৰ এক অপূৰ্ব ৰহস্য। যোৱা চাৰিশ বছৰ ধৰি বিশ্বৰ অগনন শ্বেক্সপীয়েৰ বিশেষজ্ঞয়ো এই ৰহস্য ভেদ কৰিব পৰা নাই। সম্ভৱতঃ হেমলেটৰ চৰিত্ৰটোৱেই আজি পৰ্য্যন্ত সৰ্বাধিক চৰ্চিত হৈছে। কিন্তু পিতৃ হত্যাকাৰীৰ ওপৰত প্ৰতিশোধ লওতে কিয় তেওঁ ইমান বিলম্ব কৰিলে তাৰ কোনো নিৰ্ভুল উত্তৰ পণ্ডিতসকলে দিব নোৱাৰিলে। অথচ পিতৃ ৰজা হেমলেটৰ প্ৰেতাত্মাৰ পৰা যেতিয়া যুৱৰাজ হেমলেটে তেওঁৰ হত্যাৰ কাহিনী জানিব পাৰিলে, তেতিয়া তেওঁ দীপ্তকণ্ঠে ঘোষণা কৰিলে, 'আজিৰ পৰা তোমাৰ নিৰ্দ্দেশ পালন কৰাটোৱেই হ'ব মোৰ একমাত্ৰ উদ্দেশ্য।' তথাপিও পিতৃৰ প্ৰেতাত্মাই তেওঁৰ হত্যাকাৰীৰ ওপৰত প্ৰতিশোধ লোৱাৰ বাবে হেমলেটক যি নিৰ্দ্দেশ দিছিল, সেই নিৰ্দ্দেশ কাৰ্য্যকৰী কৰাত হেমলেটে যথেষ্ট পলম কৰিছিল। প্ৰতিহিংসা চৰিতাৰ্থ কৰাৰ ক্ষেত্ৰত হেমলেটে কিয় ইমান পলম কৰিবলগীয়া হ'ল, সেই প্ৰশ্নৰ উত্তৰত কোনো কোনো সমালোচকে ক'ব খোজে যে নাটকখনত হেমলেটে যদি অথেলোৰ দৰে সক্ৰিয় হ'লহেতেঁন, তেন্তে নাটকখন প্ৰথম অঙ্কতেই সমাপ্ত হ'লহেতেঁন। নাটকখন পূৰ্ণাঙ্গ নাটকেই নহ'লহেতেঁন। কিন্তু এই ব্যাখ্যা আমি যথাৰ্থ বুলি মানি ল'ব নোৱাৰো। বহুক্ষেত্ৰত দেখা গৈছে হেমলেট এজন বিষাদগ্ৰস্ত কবি। তেওঁৰ অনেক চিন্তাধাৰা দাৰ্শনিক ভাৱেৰে আচ্ছন্ন। কিন্তু সেইবুলি তেওঁৰ সক্ৰিয় হোৱাৰ ক্ষমতা নাছিল নেকি? হেমলেটতো কাপুৰুষ নহয়। তেওঁৰ বুদ্ধিমত্তা যথেষ্ঠ উন্নত পৰ্যায়ৰ। অসিচালনাত তেওঁ নিপুণ। তেওঁৰ নিজৰ মতেই, তেওঁ যুদ্ধ বিদ্যাতো পাৰ্গত, আৰু কোনো ক্ষেত্ৰতে দুৰ্বল নহয়। হেমলেটে তেওঁৰ পিতৃৰ স'তে হাৰকিউলিছৰ তুলনা কৰিছে, আৰু পিতৃৰ তুলনাত তেওঁক দুৰ্বল বুলি কৈছে। তথাপি শত্ৰু বিনাশ কৰাত তেওঁৰ দ্বিধা নাই। তেওঁৰ যি দুজন বন্ধুৱে তেওঁৰ প্ৰতি বিশ্বাসঘাতকতা কৰি শত্ৰুতা কৰিছে সিহঁতক তেওঁ বিনাদ্বিধাই প্ৰাণদণ্ড দিছে। শত্ৰুক মৃত্যুদণ্ড বিহাটো তেওঁ অপৰাধ বুলি ভৰা নাই।

হেমলেটৰ বলিয়ালি লৈও সমালোচকসকলৰ জল্পনা-কল্পনাৰ শেষ নাই। হেমলেট সচাঁই উন্মাদ হৈছিলনে? নে বলিয়াৰ ভাও জুৰিছিল। জৰ্জ ফেৰেন নামৰ এজন সমালোচকৰ মতে হেমলেট সম্পূৰ্ণ উন্মাদ নহ'লেও, উন্মাদৰ কেইটামান লক্ষণ তেওঁৰ আছিল। প্ৰেমত ব্যৰ্থতা আৰু পিতৃৰ অস্বাভাৱিক মৃত্যুৰ পাছত ক্ল'ডিয়াচৰ দৰে দুৰাচাৰৰ স'তে মাতৃৰ দ্বিতীয় বিবাহ এই ঘটনাবোৰে হেমলেটৰ মানসিকতাত আঘাতৰ পিছত আঘাত হানিছিল। নাটকখনত আঘাতে আঘাতে জীৰ্ণ হেমলেটৰ চৰিত্ৰৰ তিনিটা ভিন্ন আচৰণ লক্ষ্য কৰা যায়। কিছুমান দৃশ্যত তেওঁ স্বাভাৱিক অভিনয়েই কৰিছে। আকৌ আন কিছুমানত তেওঁ বলিয়াৰ ভাও জুৰিছে। যেতিয়া হেমলেটে হৰেচিত্তৰ স'তে আলাপ কৰিছে তেতিয়া তেওঁ স্বাভাৱিক। কিন্তু যেতিয়া দ্বিতীয় অঙ্কৰ দ্বিতীয় দৃশ্যত পোলোনিয়াচৰ সৈতে সাক্ষাৎ কৰিছে তেতিয়া পোলোনিয়াচৰ চকুত ধুলি দিয়াৰ বাবে তেওঁ উন্মাদনা প্ৰদৰ্শন কৰিছে। অৱশ্যে পোলোনিয়াচৰ ধাৰণা ভিন্ন। পোলোনিয়াচে অন্ততঃ এইদৰে ভাৱে যে তেওঁৰ কন্যা অফেলিয়াৰ প্ৰেমত ব্যৰ্থ হৈ হেমলেট উন্মাদ প্ৰায় হৈ পৰিছে। আকৌ নাটকখনৰ তৃতীয় অঙ্কৰ প্ৰথম দৃশ্যত অফেলিয়াৰ স'তে যেতিয়া মুখামুখি হৈছে তেতিয়া হেমলেটে আকৌ বলিয়ালি প্ৰদৰ্শন কৰিছে। চতুৰ্থ অঙ্কৰ তৃতীয় দৃশ্যত তেওঁ ক্ল'ডিয়াচৰ সন্মুখত আকৌ উন্মাদনাৰ অভিনয়

কৰিছে। আপাত দৃষ্টিত হেমলেটৰ চৰিত্ৰত উন্মাদনাৰ ছাপ স্পষ্ট হ'লেও তেওঁ যুক্তিবোধ কেতিয়াও হেৰুৱাই পেলোৱা নাই। নাটকৰ প্ৰথম অঙ্কৰ পঞ্চম দৃশ্যত হেমলেটে তাৰ পিতৃৰ প্ৰেতাত্মা দৰ্শন কৰি তেওঁ সম্পূৰ্ণ বিহ্বল হৈ পৰিছিল। পিতৃ ৰজা হেমলেট আছিল তেওঁৰ আদৰ্শ পুৰুষ। আকৌ পঞ্চম অঙ্কৰ প্ৰথম দৃশ্যত তেওঁ দেখিলে প্ৰাণৰ প্ৰিয়া অফেলিয়াৰ মৃতদেহ আৰু ওচৰতে তেওঁৰ ভাতৃ লৰেটিছে শোক উজাৰি আছে। এইবোৰ কাৰণতে হেমলেটৰ উন্মাদনাই চৰম সীমা পাইছিল।

কিন্তু অনেক সমালোচকেই হেমলেটৰ এই উন্মাদনাৰ কথা সম্পূৰ্ণ অস্বীকাৰ কৰে। তেওঁলোকে ভাৱে যে হেমলেটৰ সকলো অভিনয়। তেওঁৰ বলিয়ালিও যে অভিনয় আছিল সেই কথা তেওঁ নিজেই কৈছে। হেমলেটৰ মৃত পিতৃৰ প্ৰেতাত্মা যেতিয়া আহিছিল তেতিয়া তেওঁৰ বন্ধু সকলক কৈছিল যে এতিয়াৰ পৰা তেওঁ বলিয়াৰ অভিনয় কৰিব।

হেমলেটে পোলোনিয়াচৰ কন্যা অফেলিয়াৰ প্ৰেমত পৰিছিল। কিন্তু অফেলিয়াই হেমলেটক প্ৰেমৰ সহাঁৰি জনাব পৰা নাছিল। পিতৃ পোলোনিয়াচ আৰু ভাতৃ লৰেটিছৰ পৰা সদায় এই ক্ষেত্ৰত তেওঁ বাধা পাইছিল। অফেলিয়াৰ প্ৰতি হেমলেটৰ প্ৰেম কিমান গভীৰ আছিল, সেই কথা হেমলেটে লিখা এখন চিঠিৰ পৰাই স্পষ্ট হয়। চিঠিত হেমলেটে লিখিছিল— আকাশৰ তৰাবোৰক জুই বুলি ভাৱিলেও, সূৰ্যক গতিশীল বুলি ভাৱিলেও, সত্যক প্ৰৱঞ্চনা বুলি ভাৱিলেও, তোমাৰ প্ৰতি থকা মোৰ প্ৰেমক সন্দেহৰ দৃষ্টিৰে নেচাবা।' তদুপৰি অফেলিয়াৰ মৃত্যুৰ পাছত সমাধিস্থলত লৰেটিচৰ স'তে হোৱা হতাহতি আৰু সেই সময়ত হেমলেটে কৰা এই উক্তি, অফেলিয়াক তেওঁ ইমান ভাল পাইছিল যে লৰেটিছৰ দৰে চল্লিশ হাজাৰ ভাতৃৰ ভালপোৱাও তেওঁৰ ভাল পোৱাৰ সমান নহয়। (I loved Ophelia : forty thousand brothers could not, with all their quantity of love, make up my sum.)

হেমলেট আছিল বিশ্ববিদ্যালয়ৰ ছাত্ৰ। জীৱনটো তেওঁ প্ৰথমতে নিলগৰ পৰা উপলব্ধি কৰিছিল। অতি উচ্ছাসিত ভাৱত তেওঁ মানুহ সম্পৰ্কে মন্তব্য কৰিছিল— What a piece of work is man? কিন্তু পিছ মূহুৰ্ত্ততে স্ৰষ্টাৰ অপূৰ্ব সৃষ্টি মানুহ সম্পৰ্কে তেওঁৰ ধাৰণা সলনি হৈছে। এইবাৰ তেওঁ জীৱনটো ওচৰৰ পৰা চোৱাৰ সুযোগ লাভ কৰিছে। বাস্তৱৰ পৰা বিচ্ছিন্ন দাৰ্শনিকৰ দৃষ্টিৰে তেওঁ যি জীৱনৰ ৰূপ দেখি বিমোহিত হৈছিল, সেই জীৱনত হত্যা, হিংসা, লোভ, উচ্চাকাঙ্খা, নাৰী মাংসৰ প্ৰতি লোলুপতা আদি একো নাছিল। কিন্তু বিশ্ববিদ্যালয়ৰ পৰা তেওঁ ডেনমাৰ্কৰ ৰাজদৰবাৰত আহি নতুন অভিজ্ঞতা লাভ কৰিলে। তেওঁৰ বুজিবলৈ বাকী নাথাকিল, জীৱন বৰ নিষ্ঠুৰ। তেওঁৰ মাকৰ স'তে কামনা চৰিতাৰ্থ কৰা আৰু ডেনমাৰ্কৰ সিংহাসন দখল কৰাৰ উদ্দেশ্যে ক্ল'ডিয়াচে তেওঁৰ পিতৃক নিষ্ঠুৰ ভাৱে হত্যা কৰিলে। পিতৃৰ মৃত্যুৰ পাছত মাকে ক্ল'ডিয়াচৰ স'তে বিবাহপাশত আৱদ্ধ হ'ল। হেমলেটে অসহ্যকৰ যন্ত্ৰণাত ভুগিবলৈ ধৰিলে। তেতিয়াই হেমলেটে এই উক্তি কৰিলে যে– "Frailty, thy name is woman." দুৰ্বলতা, তোমাৰ নামেই নাৰী। নাৰী সচাঁই প্ৰতাৰিণী, বিশ্বাসঘাতকিনী। অন্ততঃ হেমলেটে এই কথাৰেই প্ৰমান পালে।

আধুনিক ইংৰাজী সাহিত্যৰ অসাধাৰণ প্ৰতিভাশালী কবি আৰু সমালোচক এলিয়টে কিন্তু 'হেমলেট' নাটকখনক শ্বেক্সপীয়েৰৰ 'ব্যৰ্থ প্ৰয়াস' বুলিহে অভিহিত কৰিছে। এলিয়টৰ মতে, শ্বেক্সপীয়েৰৰ 'হেমলেট' এক 'artistic failure' হে। যি সময়ত 'হেমলেট'ৰ প্ৰশংসাত বিশ্বৰ অগণন সমালোচক পঞ্চমুখ, সেই সময়ত এলিয়টে এই ধৰণৰ উদ্ভট মন্তব্য কৰি উচিত কাম কৰা নাই। ফৰাচী সমালোচক ভিক্টৰ হুগোই 'হেমলেট'ক শ্বেক্সপীয়েৰৰ 'Capital work' অৰ্থাৎ

শ্ৰেষ্ঠগ্ৰন্থ বুলি অভিহিত কৰিছে। জৰ্জ হেনৰী লুইচৰ মতে, হেমলেটে লাখ লাখ মানুহক অনুপ্ৰেৰণা যোগায় (Stimulates the minds of millions)। বহু সমালোচকে 'হেমলেট'ক লক্ষ্য কৰিছে 'Grandeur' হিচাপে, আন কিছুমানে আকৌ 'Variety' বা বৈচিত্ৰ হিচাপে লক্ষ্য কৰিছে। বহুতে নাটকখনত চিন্তাৰ গভীৰতা আৰু চিন্তাৰ স'তে নাটকীয action ৰ অপূৰ্ব সমন্বয় দেখিবলৈ পাইছে। 'হেমলেট' সম্পৰ্কে এলিয়টে যি মতেই পোষণ নকৰক কিয়, যোৱা চাৰিশ বছৰ ধৰি ই যি প্ৰশস্তি আৰু স্বীকৃতি পাই আহিছে, সেই গৌৰৱোজ্জ্বল ঐতিহ্য যুগে যুগে অটুট থাকিব।

OOOOOOOOOOO

অথেলো

'অথেলো'ৰ ৰচনা কাল ১৬০৪ খ্ৰীষ্টাব্দ। ১৬২২ খ্ৰীঃত নাটকখন প্ৰকাশিত হয়। ভেনিচৰ প্ৰধান সেনাপতি মুৰবংশৰ দিগ্বিজয়ী বীৰ অথেলোৰ জীৱনৰ কৰুণ কাহিনীয়ে নাটকখনৰ প্ৰতিপাদ্য বিষয়। ভেনিচৰ সেনাপতি হিচাপে তেওঁ দেশৰ প্ৰতি অপৰিমেয় বৰঙণি আগবঢ়াইছে। চিনেটৰ সভ্য ব্ৰেবানচিত্তৰ ৰাজভৱনলৈ অথেলোৰ অবিৰত অহাযোৱা। ব্ৰেবানচিত্তৰ কন্যা ডেচডিমোনাই অথেলোৰ দুঃসাহসিক অভিযান আৰু সেনা জীৱনৰ নিঃসঙ্গতাৰ অনেক কাহিনী শুনিছে। ক্ৰমান্বয়ে অথেলো আৰু ডেচডিমোনাৰ মাজত ঘনিষ্ঠতা গঢ়ি উঠিল। প্ৰথমতে অনুকম্পা, আৰু তাৰ পাছত প্ৰেম। এসময়ত দুয়ো গোপনে বিবাহ পাশত আৱদ্ধ হ'ল।

অথেলো কৃষ্ণাঙ্গ। বয়সৰ ক্ষেত্ৰত অথেলো ডেচডিমোনাৰ পিতৃৰ সমপৰ্যায়ৰ। ডেচডিমোনা ব্ৰেবেনচিত্তৰ একমাত্ৰ কন্যা। অপৰূপ সুন্দৰী। যৌৱন আৰু নাৰীত্বৰ সৰ্ব সম্ভাৰেৰে তাই বিভূষিতা। অথচ এই ডেচডিমোনাই এদিন পিতৃগৃহ ত্যাগ কৰি ব্ৰেবেনচিত্তৰ অজ্ঞাতেই শাৰীৰিক সৌন্দৰ্য্যত হীন কৃষ্ণাঙ্গ অথেলোৰ ওচৰত নিজকে সমৰ্পন কৰিলে।

কিন্তু অথেলো আৰু ডেচডিমোনাৰ বিয়াৰ দিনাই ভেনিচৰ অধীনত থকা চাইপ্ৰাচ দ্বীপ দখল কৰাৰ বাবে তুৰস্কৰ নৌবাহিনীয়ে চাইপ্ৰাচ আক্ৰমণ কৰাৰ খবৰ পোৱা গ'ল। ভেনিচৰ ডিউক আৰু তেওঁৰ ডা-ডাঙৰীয়াসকলে এই ক্ষেত্ৰত বীৰ সেনাপতি অথেলোৰ কায চাপিলে। অথেলোই তেওঁৰ নৱবিবাহিতা পত্নীৰ দায়িত্ব ইয়াগো নামৰ এজন বিষয়াৰ হাতত অৰ্পণ কৰি যুদ্ধ ক্ষেত্ৰলৈ যাত্ৰা কৰিলে।

ইয়াগো আছিল বাহিৰে সৎ আৰু ভিতৰি অসৎ প্ৰকৃতিৰ লোক। অথেলোই কিন্তু ইয়াগোক 'সাধু ইয়াগো' বুলিয়ে জ্ঞান কৰিছিল। সেয়েহে ডেচডিমোনাই নিজেও যেতিয়া চাইপ্ৰাচ অভিমুখে যোৱাৰ সংকল্প লৈছিল, অথেলোই ইয়াগোকে একমাত্ৰ বিশ্বস্ত সহচৰ হ'ব বুলি ভাৱিছিল। কিন্তু সাধুতাৰ মুখা পিন্ধা ইয়াগোই নিজ স্বাৰ্থ পূৰণৰ বাবে এই সমাজত কিমান ভণ্ড হোৱাৰ প্ৰয়োজন সেই কথা জানে। ইয়াগোৰ বাহ্যিক ৰূপটো তেওঁৰ চৰিত্ৰৰ আচল স্বৰূপ নহয়। নিজ স্বাৰ্থ সিদ্ধিৰ বাবে তেওঁ যিকোনো পথেই অৱলম্বন কৰিব পাৰে।

ইপিনে চাইপ্ৰাচ আক্ৰমণ কৰিবলৈ অহা তুৰস্কৰ নৌবাহিনী সাগৰীয় ধুমুহাত বিপৰ্যস্ত হোৱাত বিনাযুদ্ধেই চাইপ্ৰাচ দ্বীপবাসী শত্ৰুভয়ৰ পৰা ৰক্ষা পৰিল। অথেলোই দ্বীপবাসীক আনন্দ উৎযাপনৰ নিৰ্দেশ দিলে। দ্বীপৰ অধিবাসীসকলে যাতে নিশা দহ বজালৈকে আনন্দ স্ফুৰ্ত্তিত নিমজ্জিত হৈ থাকিলেও কোনেও কোনো ধৰণৰ অসংযত আচৰণ নকৰে তাৰ বাবে তীক্ষ্ণ দৃষ্টি ৰাখিবলৈ

তেওঁ মাইকেল কেচিওক আদেশ দিলে। উল্লেখযোগ্য যে দ্বীপবাসীক নিশা দহ বজালৈকে আনন্দ স্ফূৰ্ত্তি কৰাৰ স্বাধীনতা প্ৰদানৰ এই নিশাটোৱেই আছিল অথেলো আৰু ডেচডিমোনাৰ ফুলশয্যাৰ নিশা। কিন্তু অথেলোই শান্তিৰক্ষাৰ দায়িত্ব কেচিওৰ হাতত অৰ্পণ কৰাত ইয়াগোৰ মনত ক্ষোভৰ জুই জ্বলিবলৈ ধৰিলে। ইয়াগোৰ প্ৰতি কৰা এই অপমানৰ তেওঁ প্ৰতিশোধ ল'ব বিচাৰিলে। কাৰণ কেচিওতকৈ তেওঁ কোনো গুণেই কম নহয়। 'সাধু ইয়াগো'ই সেই নিশা আমোদ প্ৰমোদৰ মাজতেই কেচিওক সামান্য মদ্যপান কৰাৰ বাবে প্ৰৰোচিত কৰিলে। তাৰপাছত আপোনা-আপুনি বটলৰ পাছত বটল মদ্যপান কৰি কেচিও অপ্ৰকৃতস্থ হৈ পৰিল। এই অৱস্থাত ৰ'ডাৰিগোৰ স'তে তেওঁৰ কাজিয়া হ'ল। ৰ'ডাৰিগোক আঘাত কৰিবৰ বাবে কেচিওই তৰোৱালেৰে খেদি গ'ল। মাজনিশাৰ এই কোলাহলে পৰিস্থিতি বিষম কৰি তুলিলে। ৰ'ডাৰিগোই বিপদ ঘণ্টা বজাই দিলে। ক্ষন্তেক পিছতে মধুচন্দ্ৰিকাত মত্ত হৈ থকা অথেলো আহি উপস্থিত হ'ল। ইয়াগোই ঘটনাৰ সবিশেষ অথেলোক অৱগত কৰোৱাত কেচিও অপৰাধী সাব্যস্ত হ'ল। অথেলোই কেচিওক ততালিকে পদচ্যুত কৰিলে।

মানৱ জন্মৰ প্ৰহেলিকা ইয়াগোৰ কূট-কৌশলৰ যেন কোনো অন্ত নাই। তেওঁ কেচিওক বুজনি দিব ধৰিলে যে সাময়িক খঙৰ বশৱৰ্ত্তী হৈ যদিও অথেলোই তেওঁক পদৰ পৰা বৰ্খাস্ত কৰিছে, তথাপিও তেওঁৰ হেৰোৱা পদ ওভোতাই পোৱাৰ পথ এতিয়াও ৰুদ্ধ হোৱা নাই। ইয়াগোৰ মতে যদি কেচিওই ডেচডিমোনাৰ হতুৱাই অথেলোক অনুনয় বিনয় কৰাব পাৰে তেন্তে নিশ্চয় তেওঁ এই ক্ষেত্ৰত সফল হ'ব। কেচিওৰ হকে যদি ডেচডিমোনাই তাইৰ স্বামী অথেলোক অনুৰোধ কৰে তেতিয়া কোমল মনৰ আৰু দয়ালু অথেলোই কেচিওক পূৰ্বৰ পদত বাহাল ৰাখিব পাৰে। ইয়াগোৰ পৰামৰ্শ মতে কেচিওই ডেচডিমোনাৰ কাষ চাপিল। ডেচডিমোনাও পূৰ্বৰ পৰাই তেওঁৰ প্ৰতি অত্যন্ত সহানুভূতিশীল। ইয়াগোৰ পত্নী এমিলিয়াই এই ক্ষেত্ৰত কেচিওক কিছু সহায় কৰিলে। বাগিছাত কেচিও আৰু ডেচডিমোনা মুখামুখি হ'ল। কেচিওৰ দুৰ্ভাগ্যৰ কাহিনী তেওঁ ডেচডিমোনাক জনালে। অৱশেষত ডেচডিমোনাই তেওঁক আশ্বাস দি ক'লে যে তেওঁৰ পূৰ্বৰ পদত বাহাল ৰখাৰ ব্যৱস্থা তাই কৰিব। উদ্যানত তেওঁলোকৰ কথোপকথনৰ সময়তেই কেচিওই ইয়াগো আৰু অথেলোক দেখা পালে। কেচিও ততালিকে তাৰ পৰা আঁতৰি গ'ল। 'সাধু ইয়াগো'ৰ কথা মতেই সকলো চলি আছে। কেচিও আঁতৰ হোৱাৰ লগে লগে ইয়াগোই ক'লে, 'ইস্, এনে এটা দৃশ্য চাব লাগিব বুলিতো ভবাও নাছিলো।' এই উক্তিত অথেলোই যেন কিবা এটা অস্পষ্ট ইংগিত পালে। তেওঁৰ সন্দেহ উপজিল। ডেচডিমোনাৰ ওপৰত। কেচিওৰ ওপৰত। অথেলো কাষ চাপি অহাৰ পাছত ডেচডিমোনাই কেচিওৰ অপৰাধ মাৰ্জনা কৰি তেওঁক পুনৰাই আগৰ পদত অধিষ্ঠিত কৰাৰ বাবে মিনতি কৰিলে। তেওঁ যিহেতু নিজৰ ভুলৰ বাবে অনুতাপত দগ্ধ হৈছে, সেয়েহে এই ভুল ক্ষমা কৰা উচিত। কেচিওৰ হ'কে ওকালতি কৰি ডেচডিমোনাই অনেক কথা গিৰিয়েকক ক'লে। অথেলো মহা সংকটত নিমজ্জিত হ'ল। ডেচডিমোনাক তেওঁ প্ৰাণতকৈও অধিক ভাল পায়। যৌৱনমতী ডেচডিমোনাৰ অপৰূপা সৌন্দৰ্য্য আৰু নাৰীত্বৰ মহিমাই বিমোহিত কৰা অথেলোৰ জীৱনত ডেচডিমোনাৰ প্ৰেমেই যেন মৃত সঞ্জীৱনী স্বৰূপ।

তথাপিও ডেচডিমোনা আৰু কেচিওৰ প্ৰতি অথেলোৰ কৌতুহল বৃদ্ধি হ'বলৈ ধৰিলে। ইয়াগোক তেওঁ বাৰে বাৰে এই সম্পৰ্কে ক'বলৈ কোৱাত তেৰো বহু কথা অস্পষ্ট ভাৱেই ব্যক্ত কৰিলে। তেওঁ এনেকি অতি পাণ্ডিত্যপূৰ্ণভাৱে ক'বলৈ ধৰিলে যে চৰিত্ৰৰ পৱিত্ৰতা সকলো মানুহৰে অমূল্য সম্পদ। পাৰ্থিৱ সম্পত্তি নাথাকিলেও মানুহ দুখীয়া হ'ব নোৱাৰে। কিয়নো এইবোৰ

ক্ষন্তেকীয়াহে। চিৰস্থায়ী নহয়। আনহাতে অইন ব্যক্তিৰ যশ খ্যাতি যদি কোনোবাই কাঢ়ি নিয়ে, তাৰ দ্বাৰা তেওঁ নিজ ব্যক্তিত্ব বৃদ্ধি কৰিব নোৱাৰে। কিন্তু অইনৰ ক্ষতি অপূৰণীয় হৈ থাকে। আকৌ স্বামী আৰু পত্নীৰ মাজত যদি সন্দেহৰ বীজ অংকুৰিত হয় আৰু ঈৰ্ষাৰ ভাৱ উদয় হয় তেন্তে দাম্পত্য জীৱনৰ মধুময় ইতিহাসৰ যৱনিকা পৰে। ইয়াগোৰ মতে নিজ স্ত্ৰীক গভীৰ ভাৱে ভালপোৱা স্বত্বেও যদি স্বামীয়ে আস্থাত ল'ব নোৱাৰে, দাম্পত্য জীৱনত তেওঁ কাহানিও সন্দেহ আৰু অনিশ্চয়তাৰ পৰা মুক্ত হ'ব নোৱাৰে। অথেলোক আৰু অধিক কোৱাৰ প্ৰয়োজন নহ'ল। এনেকি যেতিয়া ইয়াগোই প্ৰশ্নবাণ নিক্ষেপ কৰাৰ সুৰত এই কথা ক'লে যে বৃদ্ধ পিতৃ ব্ৰেবেনচিওৰ অজানিতেই ডেচডিমোনাই অথেলোৰ স'তে বিবাহ বন্ধনত আৱদ্ধ হৈ অতি মৰমৰ পিতৃক জানো ফাঁকি দিয়া নাছিল। অথেলোই ইয়াগোৰ প্ৰতিটো কথাই বিশ্বাস কৰিলে। তেওঁ এই কথাও বুজিলে যে যি ডেচডিমোনাই পিতৃৰ ইচ্ছাৰ বিৰুদ্ধে গৈ নিজৰ গোত্ৰৰ যোগ্যপাত্ৰক অস্বীকাৰ কৰি অথেলোৰ স'তে বিবাহ পাশত আৱদ্ধ হৈছিল সেই ডেচডিমোনাৰ বাবে তেওঁৰ দৰে এজন কৃষ্ণাঙ্গ বৃদ্ধক প্ৰতাৰণা কৰি কেচিওক বুকুৰ আপোন কৰি লোৱাৰ ক্ষেত্ৰত আচৰিত হ'বলগীয়া একো নাই।

তথাপিও যথোপযুক্ত প্ৰমান অবিহনে তেওঁ প্ৰাণৰ প্ৰিয়া ডেচডিমোনাৰ বিশ্বসঘাতকতাৰ কথা মানি ল'বলৈ প্ৰস্তুত নহয়। সন্দেহৰ বীজ অধিক ঘনীভূত হ'ল। এদিন অথেলোৰ অসুস্থতাৰ সময়ত তেওঁৰ পত্নীয়ে তেওঁৰ কপালত এখন ৰুমাল বান্ধি দিব খুজিলত হঠাতেই ৰুমালখন মাটিত পৰি গ'ল। কিন্তু ডেচডিমোনাই লক্ষ্য নকৰিলে। ইয়াগোৰ পত্নী এমিলিয়াই ৰুমালখন পালে। ইয়াগোই ৰুমালখন বহুদিন ধৰি বিচাৰি আছিল। এমিলিয়াৰ হাতৰ পৰা ৰুমালখন ইয়াগোই নি কেচিওৰ ঘৰত থৈ অহাৰ ব্যৱস্থা কৰিলে। প্ৰেমৰ নিদৰ্শন স্বৰূপে অথেলোই তেওঁৰ প্ৰেয়সীক ৰুমালখন প্ৰথমবাৰৰ বাবে উপহাৰ দিছিল। অথেলোই যেতিয়া স্ত্ৰীৰ ওচৰত ৰুমালখন বিচাৰিলে, তেতিয়া তাই ৰুমালখন উলিয়াই দিব নোৱাৰাত সন্দেহ অধিক ঘনীভূত হ'ল। এনেকি বীৰ অথেলোই ইয়াগোক এই কথা সকীয়াই দিলে যে যিকোনো উপায়ে কেচিও আৰু ডেচডিমোনাৰ অবৈধ প্ৰণয় সম্পৰ্কৰ প্ৰমাণ তেওঁ দিবই লাগিব। এই ক্ষেত্ৰত ব্যৰ্থ হ'লে ইয়াগোক তেওঁ কঠোৰ শাস্তি দিব যি শাস্তি নৰকতো কোনেও কেতিয়াও ভোগ কৰা নাই। এই কঠোৰ সকীয়নীৰ পাছত ইয়াগোই আৰু কিছুকথা অথেলোক অৱগত কৰালে। কিছুদিন পূৰ্বে কেচিওৰ স'তে একে শয্যাত নৈশ যাপন কৰোতে সপোনত কেচিওই কৈছিল, মৰমৰ ডেচডিমোনা, আমাৰ এই পৱিত্ৰ ভালপোৱাৰ কথা যেন কোনো ব্যক্তিয়ে নাজানে, খুব সাৱধানে থাকিবা। ইয়াৰ পাছত যেতিয়া ইয়াগোই এই কথাও ক'লে যে প্ৰেমৰ উপহাৰ স্বৰূপে অথেলোই ডেচডিমোনাক দিয়া ৰুমালখনো তেওঁ কেচিওৰ হাতত দেখিছে. তেতিয়া প্ৰতিহিংসাৰ জুইত অথেলো জ্বলি উঠিল। তেজ, তেজ বুলি তেওঁ আৰ্ত্তচিৎকাৰ কৰিবলৈ ধৰিলে। ইয়াগোই নিজেও আকাশ, বতাহ, গ্ৰহ, নক্ষত্ৰক সাক্ষী কৰি অথেলোৰ সেৱাত আত্মনিয়োগ কৰিব বুলি প্ৰতিজ্ঞাবদ্ধ হ'ল। ইয়াগোৰ পৰম আনুগত্যৰ বাবে অথেলোই সহকাৰী সেনাধ্যক্ষৰ পদত অধিষ্ঠিত কৰিলে। এনেকি কৰ্ত্তব্য সোঁৱৰাই দি এই কথাও কৈ দিলে যে সিদিনাৰ পৰা তিনিদিনৰ ভিতৰত যেন তেওঁ নৰাধম কেচিওৰ মৃত্যুৰ বতৰা শুনিবলৈ পায়।

অথেলোৰ বাবে ডেচডিমোনাৰ নৈতিক অধঃপতন সহ্য কৰাতোও এক দুঃসহ বেদনা। এই পাপৰ প্ৰায়শ্চিত্ত হ'বই লাগিব। তাৰ বাবে ডেচডিমোনাক তেওঁ বিহ খুৱাই হত্যা কৰিব। কিন্তু ইয়াগোৰ মতে যি ফুলশয্যাৰ পৱিত্ৰতা আৰু মৰ্যাদা ডেচডিমোনাই ৰক্ষা কৰিব নোৱাৰিলে সেই শয্যাতে তাইক ডিঙি চেপি হত্যা কৰা হওঁক। অন্যহাতে কেচিওৰ কথা অথেলোৱে চিন্তা কৰিব

নালাগে। ইয়াগোই নিজেই কেচিওক হত্যা কৰিব।

হঠাৎ কেচিওৰ পদোন্নতি হ'ল। ডিউকৰ কৃপাত চাইপ্ৰাচ দ্বীপৰ শাসনভাৰ কেচিওৰ ওপৰত ন্যস্ত হ'ল। অথেলোক শীঘ্ৰে ভেনিচলৈ উভতি যোৱাৰ নিৰ্দেশ দি লডোভিকোক বাৰ্ত্তাবাহক হিচাপে পঠিয়াই দিলে। কেচিওৰ পদোন্নতিৰ বতৰাই অথেলোক যেনেদৰে আঘাত দিলে, বিপৰীতে ডেচডিমোনা উৎফুল্লিত হ'ল। ডেচডিমোনাৰ আনন্দৰ অন্যতম কাৰণ আছিল যি চাইপ্ৰাচে তেওঁলোকৰ জীৱনৰ সুখ সমৃদ্ধি কাঢ়ি নিছে, সেই চাইপ্ৰাচ এৰি তেওঁলোক শীঘ্ৰেই ভেনিচলৈ প্ৰত্যাৰ্পন কৰিব। কিন্তু পত্নীৰ আনন্দ স্ফুৰ্ত্তিত অথেলোৰ সন্দেহ আৰু অধিক বৃদ্ধি পাবলৈ ধৰিলে। সেই নিশা অথেলোই ডেচডিমোনাৰ ওচৰত বহি নানা প্ৰশ্নবাণেৰে তাইক থকা-সৰকা কৰিলে। স্বামীৰ আচৰণত ডেচডিমোনা শঙ্কিত হ'ল। মাথো সন্দেহৰ বশৱৰ্ত্তী হৈয়েই অথেলোই ধৈৰ্য্যৰ বান্ধোন অতিক্ৰম কৰিলে। ডেচডিমোনাক তেওঁ দুশ্চৰিত্ৰা, পতিতা বুলি অভিহিত কৰিলে। নাৰকীয় ব্যভিচাৰতকৈ তেওঁৰ পাপ বেছি ঘৃণনীয়। অতিমাত্ৰা আবেগিক হৈ অথেলোই কান্দি পেলালে। যি ডেচডিমোনাৰ প্ৰতি অথেলোই চূড়ান্ত অবিশ্বাস প্ৰদৰ্শন কৰিছে, সেই অথেলোৰ সকলো অভিযোগ অস্বীকাৰ কৰি 'অমানুহ' ইয়াগোৰ পত্নী এমিলিয়াই ঈশ্বৰৰ নামত শপত খাই কৈছে ডেচডিমোনা নিষ্পাপ আৰু অথেলোৰ সন্দেহ ভিত্তিহীন। যদি ডেচডিমোনা চৰিত্ৰহীনা হয়, তেন্তে বিশ্বৰ কোনো নাৰীয়ে নিজকে পৱিত্ৰ বুলি দাবী কৰিব নোৱাৰিব।

দাম্পত্য জীৱনত মুখামুখি হোৱা ডেচডিমোনাৰ অন্তহীন দুৰ্দশা আৰু আলৈ-আথানিৰ বিষয়ে এমিলিয়াই ইয়াগোক অৱগত কৰোৱাৰ উপৰিও এই কথা মুক্তভাৱে কৈছে যে কোনো স্বাৰ্থান্ধ ব্যক্তিয়ে নিজৰ কু-অভিসন্ধিৰ বাবেই এটাৰ পাছত এটাকৈ কুৎসা ৰটনা কৰি ডেচডিমোনাৰ জীৱন বিষাক্ত কৰি পেলাইছে। ইয়াগোই প্ৰত্যুত্তৰত ক'লে যে পত্নীৰ প্ৰতি অথেলোৰ এই নিষ্ঠুৰ আচৰণ ৰাজ্যশাসনৰ সমস্যাই ভাৰাক্ৰান্ত কৰি তোলা তেওঁৰ সাময়িক মানসিক দুৰ্বলতাৰ বাহিৰে আন একো নহয়। এটা সময়ত নিশ্চয় অথেলোই নিজৰ ভুলবোৰ বুজি পাব।

ডেচডিমোনাৰ মুৰ্খ প্ৰণয়প্ৰাৰ্থী ৰ'ডাৰিগো। ৰ'ডাৰিগোই ডেচডিমোনাৰ সান্নিধ্য লাভৰ বাবে ইয়াগোক কটকী হিচাপে ব্যৱহাৰ কৰাৰ কথা। এই কৰ্ম সমাধা কৰাৰ বাবে মুৰ্খ ৰ'ডাৰিগোই ইয়াগোৰ পাছত যথেষ্ট অৰ্থ ব্যয় কৰিছে। কিন্তু চতুৰ ইয়াগোই ৰ'ডাৰিগোৰ পৰা টকা-পইচা সৰকোৱাৰ বাহিৰে তেওঁৰ ইচ্ছা পূৰণৰ ক্ষেত্ৰত মুঠেই আগবঢ়া নাই। ইমান দিনে ইয়াগোই তেওঁক মাথো ভুৱা দি আহিছে। ৰ'ডাৰিগোই এই অভিযোগ উত্থাপন কৰি তেওঁক ভাবুকি দিয়াত তেওঁ ৰ'ডাৰিগোৰ অভিযোগ অস্বীকাৰ নকৰিলে। ইয়াগোই তেতিয়া এই কথাও ক'লে যে তেওঁ ৰ'ডাৰিগোৰ বাবে অনেক কাম কৰিছে আৰু এতিয়াও যদি তেওঁৰ সাহস আছে, তাৰ পৰিচয় তেওঁ দিব পাৰে। সময় সমাগত। কিয়নো ভেনিচৰ ডিউকে কেচিওক চাইপ্ৰাচৰ শাসক হিচাপে মনোনীত কৰিছে। এনেকি অথেলোক চাইপ্ৰাচ এৰি ভেনিচলৈ যোৱাৰ নিৰ্দেশ দিছে। এই সময়ত যদি অথেলোই ডেচডিমোনাক লৈ ভেনিচলৈ উভতি যায়, তেতিয়া আৰু ৰ'ডাৰিগোই তেওঁৰ স্বপ্নৰ নাৰী গৰাকীক লাভ কৰাৰ আশা বৃথা। গতিকে চাইপ্ৰাচ দ্বীপত কেচিওই যাতে অথেলোৰ পদত কোনোপধ্যেই অধিষ্ঠিত হব নোৱাৰে তাৰ বাবে তেওঁ কেচিওক হত্যা কৰাৰ বাহিৰে অন্য বিকল্প নাই। ইয়াগোই এই কথাও ক'লে যে সেই নিশা কেচিওই নগৰৰ এগৰাকী বেশ্যা আৰু তেওঁৰ অন্যতম প্ৰেমিকা বিয়াঙ্কাৰ ঘৰত নৈশ আহাৰ গ্ৰহণ কৰিব আৰু তাৰ পৰা ঘুৰি অহাৰ বাটত ৰ'ডাৰিগোই অনায়াসে তেওঁৰ কৰ্ম সমাধা কৰিব পাৰিব। ইয়াগোৰ এই পৰামৰ্শত তেওঁ সহজে পতিয়ন গ'ল।

নিশা ইয়াগো আৰু ৰ'ডাৰিগোই কেচিওৰ বাবে অপেক্ষা কৰি বাটত চুপতি মাৰি ৰৈ থাকিল। মাজনিশা বিয়াঙ্কাৰ ঘৰৰ পৰা ৰাতিৰ আহাৰ খাই উভতি অহাৰ পথত ৰ'ডাৰিগোই তেওঁৰ ওপৰত জপিয়াই পৰিল। কেচিওই নিজক বচোৱাৰ বাবে তেওঁৰ আক্ৰমণকাৰীক আঘাত কৰিলে। এনেতে আন্ধাৰৰ পৰা ওলাই ইয়াগোই কেচিওৰ ভৰিত প্ৰচণ্ড আঘাত কৰাত তেওঁ যন্ত্ৰণাত চিঞৰি উঠে। লডোভিকো আৰু গ্ৰেচিয়ানো নামৰ দুই বন্ধু আহি উপস্থিত হোৱাত ইয়াগোই সিহঁতক বিব্ৰত কৰাৰ অপচেষ্টা কৰে। ইয়াগোই একো নজনাৰ ভাও লয়। কেচিওক আহত অৱস্থাত দেখা পাই তেওঁ মৰ্মান্তিক আঘাত পোৱাৰ অভিনয় কৰি চিঞৰি উঠে। ইয়াগোই এই পৈশাচিক কাৰ্য্যৰ বাবে ওচৰতে পৰি থকা ৰ'ডাৰিগোক দোষী সাব্যস্ত কৰি তেওঁৰ বুকুত চুৰি বহুৱাই দিয়ে। কেচিওৰ মৃত্যুযন্ত্ৰণাৰ চিৎকাৰ অথেলোৰ কাণত পৰাৰ লগে লগে তেওঁ এই কথা ভাবিলে যে কেচিওৰ জীৱনৰ লগতে যুক্ত হৈ থকা আন এক পাপিষ্ঠ, পিশাচিনীৰ জীৱনো এই নিশাই খতম কৰিব লাগিব।

মাথো ইয়াগো নামৰ এক নৰাধমৰ প্ৰৰোচনাত পৰি যি গৰাকী মহীয়সী নাৰীক সন্দেহৰ বশৱৰ্ত্তী হৈয়েই তিলতিলকৈ অতি অমানৱীয় ভাৱে অথেলোই অন্তিম দশালৈ ঠেলি দিব বিচাৰিছে সেই ডেচডিমোনা কিন্তু প্ৰকৃতিৰ এক অপৰূপ সৃষ্টি। তথাপিও তেওঁক হত্যা কৰিবই লাগিব। নহ'লে এই নাৰীয়ে যে আৰু অনেক পুৰুষক প্ৰতাৰণা কৰিব। অথেলো অত্যন্ত দৃঢ় হ'ল। পত্নীৰ প্ৰতি চূড়ান্ত নিষ্ঠুৰ হৈও তেওঁ শেষবাৰৰ বাবে নিদ্ৰাৰত অৱস্থাত ডেচডিমোনাৰ দুগালত অনেক চুমা খালে। ক্ষন্তেক পাছত ডেচডিমোনাই সাৰ পাই স্বামীক তেওঁৰ বুকুলৈ আমন্ত্ৰণ জনালে। কিন্তু অথেলোই অতীতৰ সকলো ভুলৰ মাৰ্জনা বিচাৰি ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা কৰিছে নে নাই সেই কথা তেওঁৰ পত্নীক সুধিলে। লাহে লাহে অথেলোই হিংস্ৰ ৰূপ ধাৰণ কৰিলে। উত্তেজনাত তেওঁ থৰ থৰ কৰি কপিবলৈ ধৰিলে। স্বামীৰ এই ৰুদ্ৰমুৰ্ত্তি দেখি ডেচডিমোনাৰ হৃদয় কঁপি উঠিল। সিদিনা নিশাটোৰ বাবে তেওঁ জীৱন ভিক্ষা খুজিও ব্যৰ্থ হ'ল। মাত্ৰ আধাঘণ্টা জীয়াই থকাৰ বাবে কাবৌ কাকুতি কৰিও ডেচডিমোনা ব্যৰ্থ হ'ল। চৰম হিংস্ৰতাৰে অলপো সময় অপব্যয় নকৰি অথেলোই তেওঁৰ সৰ্বশক্তি প্ৰয়োগ কৰি অতি নৃশংস ভাৱে ডিঙি চেপি হত্যা কৰিলে ডেচডিমোনাক। মৃত্যুৰ সময়ত আহি উপস্থিত হ'ল ইয়াগোৰ পত্নী এমিলিয়া। এমিলিয়া আহিছিল ৰ'ডাৰিগোৰ মৃত্যু আৰু কেচিও গুৰুতৰ ভাৱে আঘাতপ্ৰাপ্ত হোৱাৰ খবৰ দিবলৈ। কিন্তু আহি যেতিয়া ডেচডিমোনাৰ এই অৱস্থা দেখিবলৈ পালে তাই উচপ খাই উঠিল। শোকত ম্ৰিয়মান হ'ল। শেষ নিঃশ্বাস ত্যাগ কৰাৰ আগতে সতী ডেচডিমোনাই এমিলিয়াক মাথো কৈ গ'ল যে এই কাম তেওঁ নিজেই কৰিছে, তেওঁৰ স্বামী অথেলোক যেন শেষবাৰৰ বাবে তেওঁৰ হ'কৈ এমিলিয়াই প্ৰেমৰ শুভেচ্ছা জনায়।

ডেচডিমোনাৰ অমানুষিক হত্যাকাণ্ডৰ পাছত এমিলিয়াই স্বামী ইয়াগোৰ সকলো কপটতা আৰু শঠতাৰ কথা প্ৰকাশ কৰি দিলে। সাধুতাৰ মুখা পিন্ধি ইয়াগোই যে আত্মস্বাৰ্থ সিদ্ধিৰ বাবে তিলতিলকৈ অথেলো ডেচডিমোনাৰ প্ৰেমৰ সংসাৰ ধ্বংস কৰিলে এই কথা স্পষ্টকৈ ওলাই পৰিল। এমিলিয়াই স্বামীৰ দুশ্চৰিত্ৰৰ কথা উদঙাই দিয়াৰ বাবে ইয়াগোই এমিলিয়াক হত্যা কৰিলে। ইয়াগোক বন্দী কৰা হ'ল। বন্দী ইয়াগোক দেখা পোৱাৰ লগে লগে অথেলোৰ অন্তৰাত্মা জ্বলি উঠিল। তেওঁ একে ঘাপে ইয়াগোক হত্যা কৰাৰ চেষ্টা কৰিলে। কিন্তু চয়তানৰ মৃত্যু নাই। পিশাচ ইয়াগো নমৰিল। গুৰুতৰভাৱে আহত হ'ল। চাইপ্ৰাচৰ নতুন মুৰব্বী কেচিওৰ হাতত ইয়াগোৰ শাস্তিৰ দায়িত্ব অৰ্পণ কৰি অথেলোই সকলোৰে পৰা বিদায় ল'লে। সকলোকে উদ্দেশ্যি দীৰ্ঘ বক্তৃতা প্ৰদানৰ পাছত

নিজেই নিজৰ বুকুত চুৰি বহুৱাই দি অথেলোই ডেচডিমোনাৰ শৰশয্যাত ঢলি পৰিল।

শেক্সপীয়েৰৰ 'অথেলো' নাটকখনত মেকিয়াভেলিৰ প্ৰভাৱ অত্যন্ত স্পষ্ট। অথেলো আৰু ইয়াগো দুয়োজনেই মেকিয়াভেলিৰ অহংবোধ সম্পন্ন। অৱশ্যে অথেলোৰ ক্ষেত্ৰত এই অহংবোধ সিমান প্ৰৱল নহয়। ইয়াগো মেকিয়াভেলিয়ান ভিলেইন। তেওঁ অথেলোৰ জীৱনলৈ বিষবাষ্প ছটিয়াই অথেলো আৰু ডেচডিমোনাৰ প্ৰেমৰ সংসাৰখন এক দুৰ্বিঃসহ যন্ত্ৰণাৰ জগতলৈ ঠেলি দিছে। অৱশ্যে এই ক্ষেত্ৰত নায়কৰ নিজৰ দুৰ্বলতাও আছে। শেক্সপীয়েৰৰ ট্ৰেজেদি সমূহত নায়কৰ কোনো মাৰাত্মক ভুলৰ বাবেই জীৱনত কৰুণ পৰিণতিৰ সন্মুখীন হয়। অথেলোৰ ক্ষেত্ৰতো ইয়াৰ ব্যতিক্ৰম হোৱা নাই। অথেলোই কিয় ডেচডিমোনাক হত্যা কৰিবলগীয়া হ'ল এই প্ৰশ্নৰ এক আলোচনা হোৱা দৰ্কাৰ। সমালোচক লিলি কেম্পবেলৰ মতে অথেলোই মাথো সন্দেহৰ বশৱৰ্তী হৈয়েই পত্নী ডেচডিমোনাক হত্যা কৰিছে। এচ, ব্ৰুক নামৰ সমালোচক এজনে এই বিষয়ত কেম্পবেলৰ স'তে সহমত পোষণ কৰিছে।

অথেলোৰ সন্দেহপ্ৰৱণ মনেই তেওঁক জটিলতাৰ মাজলৈ ঠেলি দিয়ে। কোনো কোনো সমালোচকৰ মতে, অথেলোৰ প্ৰেমৰ ব্যৰ্থতা সন্দেহৰ বাবে নহয়, তেওঁৰ অহংবোধৰ বাবেহে। ব্ৰেডলীৰ মতে ইয়াগোই সহজতে অথেলোক প্ৰভাৱিত কৰিব পৰা নাছিল। কিন্তু যেতিয়া তেওঁ ক'লে যে বিদেশী অথেলোই ভেনিচীয় ডেচডিমোনাক বুজিব পৰা নাই, তেতিয়া অথেলোৰ চিন্তাৰ পৰিবৰ্ত্তন হ'ল। ব্ৰেডলীৰ শিক্ষক সমালোচক ক'লৰিজেও কৈছে যে অথেলোই ডেচডিমোনাক সন্দেহৰ ভিত্তিত হত্যা কৰা নাই। ইয়াগোই তেওঁৰ অলৌকিক শক্তিৰ দ্বাৰাই অথেলোৰ মনত অবিশ্বাসৰ বীজ ৰোপন কৰিছিল। অৱশেষত সেই অবিশ্বাসেই ডেচডিমোনাৰ মৃত্যুদূত হৈ দেখা দিলে। ডেচডিমোনাই জীয়াই থাকিব বিচাৰিছিল। তাই ভাৱিছিল মৃত্যুতকৈ নিৰ্বাসনদণ্ডও ভাল। তাৰ পিছত এৰাতিৰ বাবে তাই জীৱন ভিক্ষা বিচাৰিছিল। তাৰপিছত অন্ততঃ কেইটিমান মূহুৰ্ত্তৰ বাবে তাই কাতৰ আবেদন জনাইছিল প্ৰাণাধিক স্বামী অথেলোৰ ওচৰত। কিন্তু সকলো বিফল হ'ল। অৱশেষত নৃশংস হত্যাৰ বলি হ'ল ফুলৰ দৰে পবিত্ৰ ডেচডিমোনা।

OOOOOOOOOO

মেকবেথ

১৬৬০ খ্ৰীষ্টাব্দত শেক্সপীয়েৰে মেকবেথ ৰচনা কৰে। ১৬১১ খ্ৰীঃত নাটকখন প্ৰথম অভিনীত হয়। ফোলিও সংস্কৰণত নাটকখন প্ৰথম প্ৰকাশিত হয় ১৬২৩ খ্ৰীঃত।

বহুদিন আগতে স্কটলেণ্ডত ডানকান নামৰ এজন বৃদ্ধ ৰজাই ৰাজত্ব কৰিছিল। ৰজা হিচাপে তেওঁ আছিল অত্যন্ত নম্ৰ, সৎ আৰু শান্তি প্ৰিয়। সাধুৰজা ডানকানৰ ৰাজ্যত হঠাতেই দুৰ্যোগৰ ধুমুহাই দেখা দিলে। মেকড'নাল্ড নামৰ এজন উচ্চপদস্থ ৰাজকৰ্মচাৰীয়ে ৰজাৰ সততাকেই দুৰ্বলতা বুলি জ্ঞান কৰি ৰজাৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰিলে। কাউডৰৰ অধিপতিজনেও মেকড'নাল্ডৰ স'তে যোগদান কৰিলে। নৰৱেৰ ৰজায়ো বিদ্ৰোহী সকলৰ সপক্ষে ৰণত অগ্ৰসৰ হ'ল। বিদ্ৰোহ দমন কৰাৰ বাবে ৰজা ডানকানে তেওঁৰ দুজন বীৰ সেনাপতি মেকবেথ আৰু ব্যাংকোক যুদ্ধক্ষেত্ৰলৈ পঠিয়াই দিলে। দুয়োপক্ষৰ মাজত তয়াময়া ৰণ হ'ল। ৰণত মেকবেথ আৰু ব্যাংকো বিজয়ী হ'ল। মেকবেথে মেকড'নাল্ডৰ শিৰচ্ছেদ কৰিলে। নৰৱেৰ ৰজাই ক্ষমাভিক্ষা কৰিলে।

কাউডৰৰ অধিপতি জনক বন্দী কৰাৰ উপৰিও তেওঁক পদৰ পৰাই অপসাৰিত কৰা হ'ল।

বিদ্ৰোহ দমন কৰি দুই অশ্বাৰোহী বীৰে ৰাজধানীলৈ উভতি অহাৰ পথত এক জনপ্ৰাণীহীন প্ৰান্তৰত তিনিগৰাকী ডাইনীৰ মুখামুখি হ'ল। প্ৰথমজনী ডাইনীয়ে মেকবেথক গ্লেমিছৰ অধীশ্বৰ বুলি অভিবাদন জনালে। দ্বিতীয়জনীয়ে তেওঁক কাউডৰৰ অধীশ্বৰ হিচাপে অভিনন্দন জনালে। তৃতীয় গৰাকী ডাইনীয়ে মেকবেথক স্কটলেণ্ডৰ ভৱিষ্যত ৰজা বুলি অভিবাদন জনালে। মেকবেথ ইতিপূৰ্বেই আছিল গ্লেমিছৰ অধিপতি। দ্বিতীয় আৰু তৃতীয়গৰাকী ডাইনীয়ে তেওঁক ক্ৰমে কাউডৰৰ অধীশ্বৰ আৰু স্কটলেণ্ডৰ ভৱিষ্যত ৰজা বুলি ভৱিষ্যতবাণী কৰিলত স্বাভাৱিকতেই তেওঁৰ উচ্চাকাঙ্খা বাঢ়ি গ'ল। ব্যাংকোৰ ক্ষেত্ৰতো তেওঁলোকে ভৱিষ্যতবাণী কৰিলে যে ব্যাংকো নিজে ৰজা হ'ব নোৱাৰিব কিন্তু তেওঁ এটা ৰাজবংশৰ পিতৃ হ'ব। এইদৰে ভৱিষ্যতবাণী কৰাৰ পিছতেই ডাইনী কেইজনী অদৃশ্য হ'ল। এই অদ্ভুত দৃশ্য আৰু ভৱিষ্যতবাণীত তেওঁলোকে আশ্চৰ্য্য প্ৰকাশ কৰিলে। এনেতে বিপৰীত দিশৰ পৰা ৰচ আৰু এনাচ আহি হাজিৰ হ'ল। ৰজাৰ নামত তেওঁলোকে মেকবেথ আৰু ব্যাংকোক অভিনন্দন জনালে। আৰু এই কথাও ক'লে যে কাউডৰৰ ভূস্বামীক ৰজাই মৃত্যুদণ্ডেৰে দণ্ডিত কৰিছে আৰু মেকবেথক কাউডৰৰ অধীশ্বৰ হিচাপে অধিষ্ঠিত কৰিছে। ইমান সোনকালে ডাইনীসকলৰ ভৱিষ্যতবাণী বাস্তৱত ৰূপায়িত হ'ব বুলি কোনেও কল্পনাও কৰিব পৰা নাছিল। এনে অৱস্থাত মেকবেথে ভাৱিবলৈ ধৰিলে তৃতীয়গৰাকী ডাইনীৰ ভৱিষ্যতবাণীও নিশ্চয় ফলৱতী হ'ব।

যুদ্ধ বিজয় কৰি উভতি অহাৰ পাছত ৰজাই দুয়োজন বীৰ সেনাপতিকে যথাযোগ্য আদৰ অভ্যৰ্থনা প্ৰদৰ্শন কৰিলে। তদুপৰি তেওঁ এই কথাও ক'লে যে সেনাপতি মেকবেথক অধিক সন্মান জনোৱাৰ উদ্দেশ্যে তেওঁ মেকবেথৰ দুৰ্গত এৰাতিৰ বাবে আলহী হ'ব। মেকবেথে তেতিয়া এই সকলোবোৰ কথা বিৱৰি তেওঁৰ মন্ত্ৰী লেডী মেকবেথলৈ এখন চিঠি লিখিলে। লেডী মেকবেথ আছিল মেকবেথৰ দৰেই অতি উচ্চাকাঙ্খী। চিঠি পঢ়ি যেতিয়া ডাইনী কেইগৰাকীৰ ভৱিষ্যতবাণী আৰু সেইবোৰৰ আংশিক পৰিপূৰ্ণতাৰ কথা লেডী মেকবেথে জানিব পাৰিলে তেতিয়া তাইৰ মনোজগতত তুমুল আলোড়ণৰ সৃষ্টি হ'ল। এনেকি লেডী মেকবেথে এই মাৰাত্মক সিদ্ধান্তও লৈ পেলালে যে ৰজা ডানকান যেতিয়া তেওঁলোকৰ দুৰ্গত ৰাতি থকাকৈ আলহী হ'বহি সেই নিশা তেওঁলোকে ৰজাক হত্যা কৰিব। এইদৰে ৰজাক হত্যা কৰি হ'লেও তৃতীয়গৰাকী ডাইনীৰ ভৱিষ্যতবাণী ফলৱতী কৰিব লাগিব।

নিশা ৰজা ডানকান আন আন ডা-ডাঙৰীয়া সকলৰ সৈতে দুৰ্গত আহি উপস্থিত হ'ল। অতিথিক যথাৰীতি আপ্যায়ন কৰাত বিন্দুমাত্ৰও ত্ৰুটি কৰা নাই। সকলো ক্ষেত্ৰতেই লেডী মেকবেথে যথেষ্ট সতৰ্কতা অৱলম্বন কৰিছে। তাই নিজেই অৱশ্যে ৰজাক হত্যাও কৰিব পাৰিলেহেতেঁন। কিন্তু ৰজা ডানকানৰ পকা চুলিবোৰ চোৱাৰ পাছত লেডী মেকবেথৰ নিজ পিতৃৰ কথা মনত পৰিল। সেইবাবে তাই নিজে ৰজাক হত্যা কৰিব নোৱাৰিলে। মেকবেথক তাই উচটাবলৈ ধৰিলে। কিন্তু মেকবেথৰ মনতো দ্বন্দ্ব। কিয়নো ডানকান আছিল তেওঁৰ ৰজা, তেওঁৰ আত্মীয় আৰু সেই নিশাৰ বাবে তেওঁৰ অতিথি। সকলো দিশৰ পৰাই মেকবেথৰ কৰ্ত্তব্য হৈছে ৰজাক নিৰাপত্তা প্ৰদান কৰাটোহে, হত্যা কৰা নহয়। কিন্তু পত্নী লেডী মেকবেথৰ প্ৰৰোচনাত মাজনিশা ৰজাৰ শোৱনি কোঠাত সোমাই তেওঁ অৱশেষত ৰজাক হত্যা কৰিলে। ৰজাৰ হত্যাকাণ্ডৰ পাছত তেওঁৰ দুই পুত্ৰ মেলকম আৰু ড'নালবেইন বিদেশলৈ পলাই গ'ল। ৰাজনৈতিক আশ্ৰয় বিচাৰি মেলকম গ'ল

ইংলণ্ডলৈ আৰু ড'নালবেইন গ'ল আয়াৰলেণ্ডলৈ। প্ৰথমতে মেকবেথে কৈছিল যে ৰখীয়া দুজনেই ৰজাক হত্যা কৰিছে, সেইবাবে পবিত্ৰ ক্ৰোধত তেওঁ সিহঁতক হত্যা কৰিলে। কিন্তু এইবাৰ তেওঁ ক'লে যে মেলকম আৰু ড'নালবেইনে ৰজাক হত্যা কৰিছে, সেইবাবে সিহঁতে পলাই গ'ল।

ৰজা ডানকানৰ বৰ্বৰোচিত হত্যাকাণ্ডৰ পাছত স্কটলেণ্ডৰ ৰাজসিংহাসন উত্তৰাধিকাৰী বিহীন হৈ পৰিল। মৃতৰজা ডানকানৰ এজন নিকটাত্মীয় আৰু ৰাজসভাৰ এজন অতি সন্মানীয় ব্যক্তি হিচাপে ডা-ডাঙৰীয়াসকলে মেকবেথকেই ৰাজপাটত বহুৱালে। মেকবেথ ৰজা হ'ল সঁচা। কিন্তু ডাইনীসকলৰ ভৱিষ্যতবাণী মতে মেকবেথে ৰজা হ'লেও তেওঁৰ ভৱিষ্যত বংশধৰসকল ৰজা হ'ব নোৱাৰে। কিয়নো মেকবেথৰ পাছত ব্যাংকোহে এটা নতুন ৰাজবংশৰ পিতৃ হ'ব। এইবোৰ স্মৃতিয়ে মেকবেথৰ পাছে পাছে প্ৰেতাত্মাৰ দৰে খেদি ফুৰিব ধৰিলে। প্ৰতি নিশাই তেওঁ কিছুমান ভয়লগা সপোনৰ মুখামুখি হ'ল। তেওঁ মানসিক শান্তি হেৰুৱাই পেলালে। এনে অৱস্থাত তেওঁ ব্যাংকো আৰু তেওঁৰ পুত্ৰ ফ্লিয়েঞ্চক হত্যা কৰিবলৈ গুপ্তঘাতক নিয়োগ কৰিলে। মেকবেথে এদিন নিশা ভোজসভাৰ আয়োজন কৰিলে। এই ভোজসভাত ব্যাংকোক মুখ্য আলহী হিচাপে নিমন্ত্ৰণ জনোৱা হ'ল। তেওঁ নিয়োগ কৰি থোৱা ঘাতক দুজন বাটত ৰৈ আছিল। নিশাৰ এন্ধাৰত ব্যাংকো আৰু তেওঁৰ পুত্ৰ ফ্লিয়েঞ্চ ভোজসভালৈ আহোতে বাটত যমদূতৰ হাতত পৰিল। ব্যাংকোক সিহঁতে হত্যা কৰিলে যদিও ফ্লিয়েঞ্চ এন্ধাৰৰ সুযোগ লৈ পলাই গ'ল। নিশা ভোজসভা আৰম্ভ হ'ল। ব্যাংকো নাহিল। মেকবেথে বৰ উদ্বেগ প্ৰকাশ কৰিলে। লাহে লাহে তেওঁৰ অস্থিৰতা প্ৰকাশ পাবলৈ ধৰিলে। তেওঁ ব্যাংকোৰ প্ৰেতাত্মা দেখিবলৈ পালে। চিঞৰি উঠিল। আন অভ্যাগত সকলৰ মাজৰ পৰা লেডী মেকবেথে তেওঁক আতঁৰাই লৈ গ'ল। মেকবেথৰ এই অস্বাভাৱিকতাত ডা-ডাঙৰীয়াসকলে ইজনে সিজনৰ মুখলৈ চালে, কিন্তু কোনেও মুখেৰে এটা শব্দও উচ্চাৰণ নকৰিলে।

ৰাজ্যৰ এনে বিপৰ্য্যয়ৰ সময়ত ফাইফৰ অধিপতি মেকডাফে মেলকমৰ সহায় বিচাৰি ইংলণ্ডলৈ পলাই গ'ল। মেকবেথে এই কথা জনাৰ লগে লগে মেকডাফৰ পুত্ৰ পৰিবাৰ সকলোকে হত্যাৰ নিৰ্দেশ দিলে। তেওঁৰ সা-সম্পত্তিও বাজেয়াপ্ত কৰা হ'ল। লাহে লাহে মেকবেথ এক নৰখাদক পিশাচত পৰিণত হ'ল। ৰজা, প্ৰজা, নাৰী, শিশুৰ তেজেৰে মেকবেথৰ হাত কলংকিত হৈ পৰিল। তেওঁ পুনৰায় ডাইনীসকলৰ পৰা তেওঁৰ ভৱিষ্যত সম্পৰ্কে জনাৰ ইচ্ছা কৰিলে।

এদিন মাজনিশা ডাইনী কেইগৰাকীক তেওঁ পুনৰ লগ পালে। এইবাৰ সিহঁতে তেওঁক কেইটিমান অলৌকিক দৃশ্য দেখুৱালে। ধুমুহাৰ ভয়ঙ্কৰ গাজনিয়ে মাটি কঁপাই তুলিলে। লাহে লাহে মেকবেথৰ সন্মুখেদি পাৰ হৈ গ'ল অস্ত্ৰ শস্ত্ৰৰে সজ্জিত এক দেহহীন মুণ্ড। মেকবেথক ফাইফৰ অধিপতি মেকডাফৰ পৰা সাৱধান হৈ থাকিবলৈ নিৰ্দেশ দি মানৱ শিৰৰ এই ভয়ানক প্ৰতিকৃতিটো অদৃশ্য হৈ গ'ল। তাৰপাছত আকৌ বিজুলী ঢেৰেকণি। এইবাৰ ডাইনীসকলৰ যাদুৰ বলত এটি ৰক্তাক্ত শিশুৰ প্ৰতিকৃতি ওলাই আহিল। ই মেকবেথক নিষ্ঠুৰ, নিৰ্ভীক আৰু দৃঢ়মনা হোৱাৰ বাবে উপদেশ দিলে। এই কথাও ক'লে যে নাৰী গৰ্ভজাত কোনো মানুহে মেকবেথৰ কোনো অনিষ্ট কৰিব নোৱাৰে। শেষত, হাতত গছৰ ডাল লৈ থকা আৰু ৰাজমুকুট পৰিহিত এটি মানৱ শিশু আহিল। এই শিশুটোৱে ভৱিষ্যতবাণী কৰিলে যে যেতিয়ালৈকে বীৰনাম হাবি ডান্সিনেন পাহাৰৰ পিনে আগবাঢ়ি নাহে তেতিয়ালৈকে মেকবেথ পৰাজিত নহয়। এইদৰে ভৱিষ্যতবাণী কৰি এই অলৌকিক শক্তিবোৰ এটা এটাকৈ অদৃশ্য হৈ গ'ল। এই ভৱিষ্যতবাণীবোৰে তেওঁৰ দুঃশ্চিন্তা আঁতৰ কৰিলে। কিন্তু তথাপিও তেওঁ সম্পূৰ্ণ সন্তুষ্ট হ'ব নোৱাৰিলে। তেওঁ ব্যাংকোৰ

বিষয়ে জানিব বিচাৰিলে। তেতিয়া মেকবেথে আঠজন ৰজাৰ এটা শাৰী দেখা পালে। অষ্টমজনৰ হাতত এটা আৰ্চী। আৰ্চীৰ ভিতৰত আৰু বহুত ৰজাৰ প্ৰতিমূৰ্ত্তি। শেষত মুখত হাঁহিৰে ব্যাংকোৰ প্ৰেতাত্মা। মেকবেথে সকলো কথাই বুজি পালে। তেওঁৰ মনত ভীষন ধুমুহা আৰম্ভ হ'ল। সচাঁই ব্যাংকোৰ বংশধৰসকলেই স্কটলেণ্ডৰ ভৱিষ্যত উত্তৰাধিকাৰী হ'ব!

নৰ পিশাচ মেকবেথৰ স্বেচ্ছাচাৰী নীতিত স্কটলেণ্ডবাসী অতিষ্ঠ হ'ল। অনেকেই পলাই গৈ মেলকমৰ স'তে যোগ দিলে। মেলকম আৰু তেওঁৰ সহযোগী মেকডাফে এদল শক্তিশালী সৈন্য লৈ স্কটলেণ্ড অভিমুখে আগবাঢ়িল। মেকবেথ তেতিয়া অকলশৰীয়া। পত্নী লেডী মেকবেথ মানসিক ৰোগত আক্ৰান্ত। মেলকমে বীৰনাম হাবিৰ কাষেদি যোৱাৰ সময়ত প্ৰকৃত সৈন্য সংখ্যা লুকাই ৰখাৰ উদ্দেশ্যে প্ৰতিজন সৈন্যকে এডালকৈ গছৰ ডাল কান্ধত লৈ যোৱাৰ আদেশ দিলে। দূৰৰ পৰা এনে দৃশ্য দেখা গ'ল যে বীৰনাম হাবি ডান্সিনেন পাহাৰৰ ফালে আগবাঢ়ি আহি আছে। মেকবেথে ভাবিলে যে ডাইনীসকলে তেওঁক প্ৰতাৰণা কৰিছে। এনে দৈৱ-দুৰ্বিপাকৰ সময়তে মেকবেথৰ অন্যতম মন্ত্ৰণাদাতা লেডী মেকবেথৰো মৃত্যু হ'ল।

যুদ্ধ আৰম্ভ হ'ল। অপৰিসীম বীৰত্বেৰে মেকবেথে যুদ্ধক্ষেত্ৰত নিজপক্ষৰ সৈন্য পৰিচালনা কৰিব ধৰিলে। তেওঁৰ দৃঢ় বিশ্বাস যুদ্ধত তেওঁ বিজয়ী হ'বই। কিয়নো পৃথিৱীত নাৰী গৰ্ভজাত কোনো মানুহেই তেওঁক হত্যা কৰিব নোৱাৰে, তেওঁৰ একো ক্ষতিও কৰিব নোৱাৰে। মেকডাফো দৃঢ় প্ৰতিজ্ঞ। পৰিয়াল হত্যাৰ প্ৰতিশোধ তেওঁ ল'বই লাগিব। অৱশেষত যুদ্ধক্ষেত্ৰৰ ইমূৰৰ পৰা সিমূৰলৈ বিচাৰি মেকডাফে মেকবেথক লগ পালে। মেকবেথে তেওঁক উপলুঙা কৰাত তেওঁ ক'লে যে মাতৃগৰ্ভৰ পৰা সময় হোৱাৰ আগতেই কৃত্ৰিম উপায়েৰে তেওঁক উলিয়াই অনা হৈছিল। মেকবেথ অত্যন্ত হতাশ হ'ল। মেকডাফে একেঘাপে তেওঁৰ শিৰচ্ছেদ কৰিলে। এইদৰে এজন অত্যাচাৰী শাসকৰ হাতৰ পৰা স্কটলেণ্ড উদ্ধাৰ হ'ল। মেলকম স্কটলেণ্ডৰ সিংহাসনত বহিল। স্কটলেণ্ড বাসীয়েও স্বস্তিৰ নিঃশ্বাস কাঢ়িলে।

ট্ৰেজেদি হিচাপে 'মেকবেথ'ত কোনো জটিলতা নাই। নাটকখনৰ আটাইবোৰ চৰিত্ৰই সহজে বোধগম্য। অতি স্পষ্ট। নাটকখন বুজি উঠিবলৈ পাঠক বা দৰ্শকৰ বিশেষ একো অসুবিধা নহয়। বিদ্ৰোহীসকলক তয়াময়া ৰণত পৰাস্ত কৰি আহি জীৱনৰ চৰম উত্থানৰ পাছত মেকডাফৰ হাতত মৃত্যু হোৱালৈকে এই সোতৰ বছৰে যিবোৰ ঘটনা ঘটিছে সেই আটাইবোৰ সৰু বৰ ঘটনাই অতি সুসংবদ্ধ। মেকবেথে ৰজাক হত্যা কৰিছে। ৰজাক হত্যা কৰি ৰাজসিংহাসনত অধিষ্ঠিত হৈছে। শেষ পৰ্য্যায়ত নিজেও অপৰাধ আৰু পাপৰ প্ৰায়শ্চিত্ত যথাৰ্থভাৱেই ভোগ কৰিছে। প্ৰতিটো ঘটনাই মূল ঘটনাৰ সৈতে অঙ্গাঙ্গীভাৱে জড়িত।

সমালোচক কেম্প্বেলে 'মেকবেথ'ক ইংৰাজী নাট্য সাহিত্যৰ শ্ৰেষ্ঠ সম্পদ বুলি অভিহিত কৰিছে। তেওঁ ইচকাইলাচৰ নাটকৰ স'তে 'মেকবেথ'ক তুলনা কৰিছে। ইচকাইলাচ আছিল গ্ৰীক নাটকৰ শ্ৰেষ্ঠ কাহিনীকাৰ। শ্বেক্সপীয়েৰৰ 'মেকবেথ' ইচকাইলাচৰ নাটকৰ দৰেই একেধৰণৰ ট্ৰেজেদি।

OOOOOOOOOOO

10932

কিং লীয়েৰ

'কিং লীয়েৰ' নাটকৰ প্ৰথম দৃশ্যতেই ৰজা লীয়েৰে এক মাৰাত্মক ভুল কৰিছে। যি ভুলৰ বাবেই ট্ৰেজেদিখনৰ সৃষ্টি হ'ল। শেষ বয়সত ৰজাই হঠাতে সিদ্ধান্ত ল'লে যে তেওঁৰ ৰাজ্য তেওঁৰ জীয়েক কেইগৰাকীৰ মাজত ভগাই দিব আৰু তেওঁৰ মৰ্য্যাদাৰ চিনস্বৰূপে তেওঁ মাথো এশজন নাইট তেওঁৰ লগত ৰাখিব। তেওঁৰ প্ৰথম জীয়েক গনেৰিল ডিউক অব এলবানিৰ পত্নী, দ্বিতীয় গৰাকী জীয়েক ৰেগানৰ পাণি গ্ৰহণ কৰিছে ডিউক অব কৰ্ণওৱালে। কনিষ্ঠা কন্যা কৰ্ডেলিয়াৰ পাণিপ্ৰাৰ্থী হৈ ৰাজসভাত ইতিমধ্যে আহি উপস্থিত হৈছে ডিউক অব বাৰ্গেন্‌ডী আৰু স্বয়ং ফ্ৰান্সৰ ৰজাই। ৰাজসভাত আন আন সকলৰ উপৰিও উপস্থিত আছে ৰজাৰ দুই মন্ত্ৰী গ্ল'ষ্টাৰ আৰু কেন্ট। সকলোৰে উপস্থিতিত ৰজাই জীয়েকহঁতৰ কোনে ৰজাক অধিক ভাল পায় এই কথা জানিব বিচাৰিলে। গনেৰিলে ক'লে যে তেওঁ পিতৃ-দেৱতাক ইমানেই ভাল পায় যে সেই কথা ভাষাৰে প্ৰকাশ কৰা সম্ভৱ নহয়। দৃষ্টি, স্বাধীনতা আৰু ফৰকাল আকাশতকৈও তেওঁৰ পিতৃ অধিক প্ৰিয়। নিজ জীৱনকৈও পিতৃ লীয়েৰ গনেৰিলৰ বাবে আপোন। গনেৰিলৰ স'তে একে সুৰতেই সুৰ মিলাই ৰেগানেও নিজৰ ভাব ব্যক্ত কৰিলে। গনেৰিল আৰু ৰেগানৰ এনে চাতুৰ্য্য ভৰা উক্তিত যে কপটতা আৰু স্বাৰ্থপৰতা লুকাই আছে সেই কথা বুঢ়া লীয়েৰে কল্পনাও কৰিব নোৱাৰিলে। তেওঁ অতি আনন্দিত হ'ল। কিন্তু কনিষ্ঠা কন্যা কৰ্ডেলিয়াৰ বচনত ৰজা সন্তুষ্ট হ'ব নোৱাৰিলে। পিতৃ হিচাপে লীয়েৰক তেওঁ যিদৰে ভাল পাব লাগে ঠিক তেনেদৰেই ভাল পায়। অন্তৰৰ কথা তেওঁ জিভাৰে ব্যক্ত কৰিব নোৱাৰে। জন্মদাতা পিতৃক তেওঁ শ্ৰদ্ধা কৰে, কিন্তু যেতিয়া অইন এজন পুৰুষৰ স'তে তেওঁ দাম্পত্য জীৱন আৰম্ভ কৰিব তেতিয়া তেওঁৰ ভালপোৱা মাথো পিতৃৰ মাজতে সীমাবদ্ধ নাথাকিব। পিতৃৰ প্ৰতি থকা প্ৰেমৰ আধা তেওঁৰ স্বামীলৈকে গুচি যাব। কনিষ্ঠা কন্যা কৰ্ডেলিয়াৰ এনে উক্তিত ৰজা অতিশয় ক্ৰোধান্বিত হ'ল। প্ৰথমা আৰু দ্বিতীয়া কন্যাৰ মাজত তেওঁ ৰাজ্য ভাগ কৰি দিলে। কৰ্ডেলিয়া বঞ্চিত হ'ল। প্ৰকৃততে কৰ্ডেলিয়াই পিতৃ লীয়েৰক আটাইতকৈ বেছি ভাল পাইছিল। প্ৰাণ ঢালি ভাল পাইছিল। কিন্তু বায়েকহঁতৰ দৰে কপটাচৰণ কৰিব নোৱাৰাৰ বাবেই কৰ্ডেলিয়া হ'ল বঞ্চিতা, নিৰ্বাসিতা। ডিউক অব আলবেনি আৰু কৰ্ণৱাল ৰাজমুকুটৰ অধিকাৰী হ'ল। লীয়েৰৰ এই ভুল সিদ্ধান্তৰ প্ৰতিবাদ কৰিলে ৰাজমন্ত্ৰী কেন্টে। কৰ্ডেলিয়াক উত্তৰাধিকাৰী স্বত্বৰ পৰা বঞ্চিত কৰি নিৰ্বাসন দণ্ড দিয়া কাৰ্য্যৰ বিৰোধিতা কৰিলে তেওঁ। তাৰ বাবে কেন্টক ৰজাই সতৰ্কবাণী শুনালে। এনেকি তেওঁক হত্যাৰ ভাবুকিও দিয়া হ'ল।

কেন্ট গুচি যোৱাৰ পাছত কৰ্ডেলিয়াৰ দুই পাণিপ্ৰাৰ্থী বাৰ্গেন্‌ডী আৰু ফ্ৰান্সৰ ৰজা আহি উপস্থিত হ'ল। বাৰ্গেন্‌ডীয়ে কৰ্ডেলিয়াৰ দুৰ্ভাগ্যৰ কথা জনাৰ পাছত স্ব-ইচ্ছাই তাইৰ আশা পৰিত্যাগ কৰি ওভতি গ'ল। কিন্তু ফ্ৰান্সৰ ৰজাই কৰ্ডেলিয়াক তেওঁৰ জীৱনৰ শ্ৰেষ্ঠ উপহাৰ জ্ঞান কৰি পৰম আনন্দে তাইৰ পাণি গ্ৰহণ কৰিলে। কৰ্ডেলিয়াক লগত লৈ ফ্ৰান্সৰ ৰজাই বিদায় ল'লে।

লীয়েৰৰ মন্ত্ৰী গ্লষ্টাৰৰ দুই পুত্ৰ এডগাৰ আৰু এডমণ্ড। এডগাৰ অনেক সৎ গুণৰ অধিকাৰী। বিপৰীতে এডমণ্ড হ'ল জাৰজ সন্তান। তেওঁ পিতাকক পতিয়ন নিয়ালে যে এডগাৰে তেওঁক হত্যা কৰিব বিচাৰে। গ'ষ্টাৰৰ মনত এই বিশ্বাস ৰোপন কৰি দিয়াৰ পাছৰ পৰা এডগাৰ পলাই থাকিবলৈ বাধ্য হ'ল। এডমণ্ডৰ আনন্দৰ সীমা নাই।

লাহে লাহে ৰজাই নিজৰ ভুলৰ প্ৰতি সচেতন হ'ব ধৰিলে। গনেৰিল আৰু ৰেগানৰ উক্তিত যে কপটতা আৰু স্বাৰ্থপৰতা আছিল এই কথা তেওঁ এতিয়া উপলব্ধি কৰিবলৈ ধৰিলে। মাত্ৰ এশজন নাইটক লগত লৈ দুই মৰমৰ কন্যাৰ ঘৰত যেতিয়া দিন কটাবলৈ গৈ পদে পদে ৰজা লীয়েৰে অপমান সহ্য কৰিবলগীয়া হ'ল, যেতিয়া গনেৰিলে নাইটসকলক বিভিন্ন ধৰণে অপমান কৰাত লাগিল, বৃদ্ধ লীয়েৰ নামৰ এলেহুৱা মানুহজনৰ প্ৰতি বিতৃষ্ণাৰ ভাব প্ৰকাশ কৰিব ধৰিলে তেতিয়া আৰু তেওঁৰ বুজিবলৈ বাকী নাথাকিল যে পিতৃৰ প্ৰতি গনেৰিলে কৰা ভালপোৱাৰ উক্তি মিথ্যাচাৰ আৰু প্ৰৱঞ্চনাৰ বাহিৰে আন একোৱেই নাছিল। এতিয়া ৰজা লীয়েৰ গনেৰিলৰ বাবে এক অদৰ্কাৰী বোজাস্বৰূপহে।

এদিন ৰজাৰ নিৰ্বাসিত মন্ত্ৰী কেন্টে ছদ্মবেশত আহি গনেৰিলৰ ঘৰত উপস্থিত হ'ল। ৰজাই তেওঁক চিনি নেপালে। তেওঁ ৰজাৰ এজন অনুচৰ হিচাপে থকাৰ ইচ্ছা কৰিলে। ৰজাই কেন্টক অতি বিশ্বাসী এজন অনুচৰ হিচাপে তেওঁৰ লগত ৰাখিলে। এই সময়ছোৱাত লীয়েৰে জীয়েকৰ ঘৰত কি অমানৱীয় আচৰণৰ মুখামুখি হ'ব লগাত পৰিছে এই কথা প্ৰত্যক্ষ কৰিলে। গনেৰিলৰ ভৃত্য অচওৱাল্ডে এবাৰ ৰজাক অপদস্থ কৰাৰ সময়তে লগে লগে কেন্টৰ উপস্থিতিতে ৰজাৰ দুহিতা গনেৰিলে যথেষ্ঠ তিৰস্কাৰ কৰিবলৈ ধৰিলে। ৰজাৰ মৰ্যাদাসূচক এশজন নাইটৰ তেওঁৰ বাবে কোনো প্ৰয়োজন নাই বুলি ক'লে। পঞ্চাশজন নাইটেই ৰজাৰ প্ৰয়োজনতকৈ অধিক। মুখামুখিভাৱে নিজ কন্যাই লীয়েৰক এনেদৰে অপদস্থ কৰাত তেওঁ অন্তৰত তীব্ৰ যন্ত্ৰণা অনুভৱ কৰিলে। গনেৰিলৰ গৃহ ত্যাগ কৰি তেওঁ দ্বিতীয় কন্যা ৰেগানৰ কাষলৈ যোৱাৰ সিদ্ধান্ত ল'লে। লগে লগে গনেৰিলে ৰেগানলৈ এখন চিঠি লিখি কোনো বিলম্ব নকৰাকৈ অচওৱাল্ডক পঠিয়াই দিলে। চিঠিত এই কথা লিখি পঠিয়ালে যে ৰেগানে যেন কোনোপধ্যেই বুঢ়া লীয়েৰক তেওঁৰ ঘৰত আশ্ৰয় নিদিয়ে। অৱশ্যে অচওৱাল্ড গৈ পোৱাৰ আগতে লীয়েৰৰ চিঠিলৈ কেন্ট ৰেগানৰ দৰবাৰ পালেগৈ। ৰেগানৰ ঘৰত কেন্ট আৰু অচওৱাল্ড মুখামুখি সংঘৰ্ষত লিপ্ত হ'ল। দুয়োৰে মাজৰ হতাহতি হোৱাৰ পাছত কেন্টক তাত বান্ধি থয়।

লীয়েৰ গৈ যেতিয়া ৰেগানৰ ঘৰত উপস্থিত হ'ল তেতিয়া তেওঁ দেখিবলৈ পালে যে তেওঁৰ অতি বিশ্বাসী অনুচৰ কেন্টৰ ভৰিত ৰচী লগাই বান্ধি থোৱা আছে। তেওঁ জানিব পাৰিলে যে ৰেগান আৰু কৰ্ণওয়ালৰ নিৰ্দেশমতেই এইটো কৰা হৈছে। ৰজা লীয়েৰে যেতিয়া তেওঁৰ জীয়েক আৰু জোৱায়েকক লগ ধৰিব বিচাৰিলে, তেতিয়া তেওঁ জানিব পাৰিলে যে তেওঁলোক দীৰ্ঘ ভ্ৰমণৰ অন্তত ক্লান্ত হৈছে, গতিকে এতিয়া বিশ্ৰাম কৰি থকাৰ বাবে ৰজাক দেখা কৰিব নোৱাৰে। কিছু সময়ৰ বাবে লীয়েৰে অপেক্ষা কৰিব লাগিব। ৰজাই ইয়াতো এক অপমানৰ সম্ভাৱনা দেখা পালে। কিছুসময় পাছত জীয়েক আৰু জোৱায়েক যেতিয়া ওলাই আহিল তেওঁলোকে ৰজাৰ আগমনত আনন্দিত হোৱাতো দূৰৰে কথা, তীব্ৰ অসন্তুষ্টিৰ ভাৱহে ব্যক্ত কৰিলে। এনেকি গনেৰিলৰ বিৰুদ্ধে কোনো কথা তেওঁৰ পৰা সিহঁতে শুনিব নিবিচাৰে এই কথাও ক'লে। গনেৰিলে ৰজাৰ বাবে পঞ্চাশজন নাইটৰ কথা কৈছিল। কিন্তু ৰেগানে পঁচিশজনেই যথেষ্ঠ হ'ব বুলি জনাই দিলে। সেয়েহে ৰজাই ভাৱিলে ৰেগানৰ তুলনাত গনেৰিলেই যথেষ্ঠ উদাৰ আছিল। ৰজাই গনেৰিলৰ ওচৰলৈ যোৱাৰ সিদ্ধান্ত ল'লে। গনেৰিলেও আগৰ মত সলনি কৰিছে। বৰ্ত্তমান গনেৰিলে ৰজাৰ স'তে দহজন, পাঁচজন বা এজনো নাইট নথকাটোহে ইচ্ছা কৰে। লীয়েৰৰ হৃদয় ভাঙি পৰিল। গনেৰিলৰ এনে কথাৰ পাছত ৰেগানৰ উক্তি, 'এজনৰেই বা প্ৰয়োজন ক'ত?'

এসময়ত বিশাল সাম্ৰাজ্যৰ অধীশ্বৰ মহাৰাজ লীয়েৰৰ স'তে যদি মৰ্যাদাৰ প্ৰতীকস্বৰূপে

এজন নাইট লগত থকাটোও নিষ্প্ৰয়োজন, তেন্তে তেওঁৰ দুহিতাসকলৰ দেহাত ইমান জাকজমক পৰিধানৰ প্ৰয়োজন কিয়? ৰজা লীয়েৰ যেন উন্মাদপ্ৰায় হৈ পৰিল। গ্লষ্টাৰ, ফুল আৰু কেন্টৰ স'তে ৰজাই তৎক্ষণাত সেই ঠাই ত্যাগ কৰিলে। সমুদ্ৰ পৃষ্ঠৰ পৰা প্ৰবল বেগত এছাটি ধুমুহা বৈ আহিল। আকাশ মেঘাচ্ছন্ন হ'ল। বিজুলী-ঢেৰেকণিয়ে এক ভয়ঙ্কৰ পৰিবেশৰ সৃষ্টি কৰিলে। চৌদিশে এন্ধাৰ। প্ৰবল ধুমুহা। মেঘৰ গাজনি। এই অৱস্থাতে ৰজাই তেওঁৰ অশ্বাৰোহী নাইটসকলক লগত লৈ এন্ধাৰ উপত্যকাৰ বহল বুকুলৈ যাত্ৰা কৰিলে। ৰজাৰ বাবে আজি কোনো আশ্ৰয় নাই। সকলো ছেদেলি ভেদেলি হৈ যোৱাৰ পাছত কেন্টে ৰজাক এন্ধাৰৰ মাজতে বিচাৰি ফুৰিব ধৰিলে। প্ৰচণ্ড বতাহ বৰষুণৰ মাজত উলঙ্গপ্ৰায় অৱস্থাত কেন্টে ৰজাক লগ পালে। লগত আছে ফুল বহুৱা। তেওঁ ৰজাৰ স'তে নানান ধৰণৰ কথাৰ অৱতাৰণা কৰিছে। উন্মাদপ্ৰায় অৱস্থাত ৰজাই হাতদুখন মুঠি মাৰি ধৰি আকাশলৈ চাই কিবাকিবি কৈ আছে। ৰজাৰ এই হৃদয়বিদাৰক অৱস্থাত বতাহ-বৰষুণ-ধুমুহা সকলোকে তেওঁ আহ্বান জনাইছে তেওঁক নিঃশেষ কৰিবলৈ। জীৱনৰ প্ৰতি তেওঁৰ এতিয়া কোনো মোহ নাই।

অৱশ্যে প্ৰকৃতি ৰাজ্যৰ এই প্ৰলয় ধুমুহাৰ প্ৰতি ৰজা লীয়েৰৰ কাণসাৰ নাই। তেওঁৰ মনোজগতত বোৱা ধুমুহাই এই ধুমুহাতকৈ প্ৰবল। লীয়েৰৰ নিজৰ কথাত, 'মোৰ হৃদয়ৰ ধুমুহাই মোৰ ইন্দ্ৰিয়ৰ অনুভৱ শক্তি নিঃশেষ কৰিছে। মই মাত্ৰ অনুভৱ কৰিছো মোৰ অন্তৰৰ তীব্ৰ যন্ত্ৰণাহে। নিজ সন্তানৰ অকৃতজ্ঞতা। অৰ্থাৎ যি হাতেৰে খাদ্য তুলি দিয়া হয়, সেই হাতকেই দাঁতেৰে কামুৰি চিৰাচিৰ কৰি পেলোৱা উচিত নহয় জানো!'

প্ৰবল ধুমুহাৰ পৰা ৰজাক এটা মাটিৰ ঘৰলৈ লৈ যোৱা হ'ল। ইতিমধ্যে সেই মাটিৰ ঘৰটোত আশ্ৰয়লৈ আছিল জাৰজ ভাতৃ এডমণ্ডৰ চক্ৰান্তত গৃহহাৰা হোৱা মন্ত্ৰী গ্লষ্টাৰৰ পুত্ৰ এডগাৰ। এডগাৰক সেই বলিয়াভাৱত লগ পাই লীয়েৰে প্ৰশ্ন কৰিছে, তেওঁৰো নিজৰ জীয়েকহতঁৰ বাবে এনে অৱস্থা হ'ল নে? বাহিৰত তীব্ৰ বতাহ বৰষুণ, আৰু সেই মাটিৰ ঘৰটোৰ ভিতৰত আশ্ৰয় লৈছে ৰজা লীয়েৰ, বলিয়াৰ ভাও ধৰা এডগাৰ, ছদ্মবেশী মন্ত্ৰী কেন্ট আৰু ফুল নামৰ বহুৱাজন। 'কিং লীয়েৰ' নাটকৰ এই দৃশ্য সঁচাকৈয়ে বিশ্বসাহিত্যৰ এক অবিস্মৰণীয় অধ্যায়।

ৰজাৰ উন্মাদনা বৃদ্ধি পালে। তেওঁৰ দেহত থকা সামান্য বস্ত্ৰখিনিও তেওঁ ফালি পেলালে। এই মূহুৰ্ত্ততে গ্লষ্টাৰ আহি উপস্থিত হ'ল। আটায়ে ৰজাক কিছু শান্ত কৰিলে। কিন্তু ইমান সময়তো গ্লষ্টাৰে তেওঁৰ পুত্ৰ বলিয়াৰ ভাও ধৰা এডগাৰক চিনি নাপালে। কেন্টে লীয়েৰৰ এই দুৰ্দশাৰ কথা কৰ্ডেলিয়া আৰু তেওঁৰ গিৰিয়েক ফ্ৰান্সৰ ৰজাক অৱগত কৰালে। তেওঁ ৰজাৰ বাবে সহায় বিচাৰিলে। ৰেগান আৰু তেওঁৰ স্বামী কৰ্ণওৱালে লীয়েৰক বিচাৰি আছে। সম্ভৱত লীয়েৰক তেওঁলোকে হত্যা কৰিব। ফান্সৰ ৰজাও আহি পালে। কৰ্ণৱালে ভাবিলে গ্লষ্টাৰে ফান্সৰ ৰজাক খবৰ দি মাতি আনিছে। সেইবাবেই তেওঁ গ্লষ্টাৰৰ দুয়োটা চকু উঘালি পেলালে। অন্ধ গ্লষ্টাৰক তেওঁৰ পুত্ৰ এডগাৰে ড'ভাৰ শৃঙ্গলৈ লৈ গ'ল। গ্লষ্টাৰৰ আশা তেওঁ তাৰপৰা আত্মহত্যা কৰিব। কিন্তু তেওঁ আত্মহত্যা কৰিব নোৱাৰে। কিয়নো জীৱনৰ যন্ত্ৰণা যিমানেই তীব্ৰ নহওঁক কিয় মৃত্যু নোহোৱালৈকে তাক তেওঁ সহ্য কৰিবই লাগিব।

এবাৰ অন্ধ গ্লষ্টাৰ আৰু উন্মাদ ৰজা লীয়েৰ মুখামুখি হ'ল। গ্লষ্টাৰে অনুভৱ কৰিলে তেওঁৰ অন্ধতাৰ যন্ত্ৰণা যে লীয়েৰৰ যন্ত্ৰণাতকৈ অনেক কম। 'নিয়তি অতি নিৰ্মম' বুলি তেওঁ চিঞৰি উঠিল। লীয়েৰে ক'লে, 'জন্মৰ সময়ত আমি সকলোৱে কান্দিছিলো, কিয়নো মুৰ্খৰ ৰঙ্গমঞ্চ

এই পৃথিৱীৰ বুকুলৈ আমাৰ আগমন হ'ল।' ৰজাক সুস্থ কৰাৰ বাবে কৰ্ডেলিয়াৰ নেতৃত্বত থকা ফৰাচী সৈন্য শিবিৰত ৰজাক লৈ যোৱা হ'ল। তাত কৰ্ডেলিয়াই পিতৃক যথেষ্ট যত্নেৰে সেৱা শুশ্ৰূষা কৰি কিছু পৰিমানে সুস্থ কৰিলে। ৰজা টোপনি গ'ল। স্নেহৰ চুমাৰে বৃদ্ধ লীয়েৰৰ মুখমণ্ডল উপচি পৰিল। সাৰ পোৱাৰ পাছত কৰ্ডেলিয়াৰ মৰমত ৰজা অভিভুত হ'ল। কৰ্ডেলিয়াৰ কাষত তেওঁ আঠু ল'ব বিচাৰিলে। লাহে লাহে তেওঁ স্থিৰতা ঘুৰাই পালে।

ইফালে গ্লষ্টাৰৰ জাৰজ পুত্ৰ এডমণ্ডে ৰেগান আৰু গনেৰিলৰ লগ লাগি ফৰাচী সৈন্য শিবিৰ আক্ৰমণ কৰিলে। যুদ্ধত ফৰাচী বাহিনী পৰাজিত হ'ল। লীয়েৰ আৰু কৰ্ডেলিয়া বন্দী হ'ল। বন্দী কৰ্ডেলিয়াক হত্যা কৰাৰ বাবে সকলো ব্যৱস্থা কৰা হ'ল। ইফালে ডিউক অব আলবেনি নিজৰ পত্নীৰ প্ৰতি তীব্ৰ অসন্তুষ্ট। এই অসন্তুষ্টিৰ মুল কাৰণ দুটা। প্ৰথম, গনেৰিল আৰু ৰেগান দুয়োজনেই এডমণ্ডৰ প্ৰতি আসক্ত। দ্বিতীয়, বায়েক-ভনীয়েক দুয়োগৰাকীয়েই সিহঁতৰ সৰলমনা পিতৃৰ প্ৰতি অবিচাৰ কৰিছে। এডমণ্ডকলৈ দুয়োভনীৰ মাজত বিৰোধ তীব্ৰ হ'ল। গনেৰিলে আপোন ভগ্নী ৰেগ্যানক বিহ খুৱাই হত্যা কৰিলে। তাৰ পাছত তাই নিজেও আত্মহত্যা কৰিলে। ডিউক অব আলবেলিয়ে বৃটেইনৰ ৰজা হিচাপে পূৰ্ণ দায়িত্বভাৰ গ্ৰহণ কৰিলে। এডগাৰ আৰু এডমণ্ডৰ মাজত দ্বন্দ্বযুদ্ধ হ'ল। এডমণ্ড পৰাজিত হৈ মৃত্যুক আকোৱালি ল'ব লগা হ'ল। ই ফালে কৰ্ডেলিয়াৰ মৃত্যুৰ পাছত লীয়েৰৰ বাবে জীয়াই থকাৰ কোনো অৰ্থই নোহোৱা হ'ল। শোকগ্ৰস্ত ৰজা লীয়েৰেও 'মুৰ্খৰ ৰঙ্গমঞ্চ' এই পৃথিৱীৰ পৰা চিৰদিনৰ বাবে বিদায় ল'লে।

"কিং লীয়েৰ' কাব্যধৰ্মী নাটক। কাব্যধৰ্মী নাটকৰ এক অন্যতম ধৰ্ম হ'ল ই যুগৰ পৰিসীমাৰ উৰ্দ্ধত আৰোহন কৰি চিৰন্তন সৌন্দৰ্য্য আৰু সুকুমাৰ জগতত অনায়াসে প্ৰৱেশ কৰে। শ্বেক্সপীয়েৰৰ কাব্যাশ্ৰয়ী নাটকবোৰত কাব্যই ভাৱৰ বাহক। অৱশ্যে নাট্যচৰিত্ৰৰ যিবোৰ সমাজৰ নিম্নস্তৰৰ অধিবাসী, উন্মাদ বা ভৃত্য তেওঁলোকে গদ্যৰে ভাৱ ব্যক্ত কৰে। লীয়েৰৰ ভাৱ-ভাষা ইংৰাজী সাহিত্যৰ শ্ৰেষ্ঠ সম্পদ। 'কিং লীয়েৰ'ও শ্বেক্সপীয়েৰৰ শ্ৰেষ্ঠ ট্ৰেজেদি। কিন্তু অনেক সমালোচকৰ মতে শ্ৰেষ্ঠতাৰ শীৰ্ষত আৰোহন কৰিও মঞ্চ ৰূপায়নৰ ক্ষেত্ৰত "কিং লীয়েৰ" ব্যৰ্থ। সমালোচক ব্ৰেডলীৰ মতে "কিং লীয়েৰ" মঞ্চত অভিনয় কৰা সম্ভৱ নহয়। নাটকখনত লীয়েৰৰ মনোজগতৰ যি প্ৰবল ধুমুহা সেয়া মঞ্চত চিত্ৰিত কৰা সম্ভৱ নহয়। নাটকখনত স্থান কালৰো অস্পষ্টতা আছে।

শ্বেক্সপীয়েৰ আৰু তেওঁৰ বুৰঞ্জীমূলক নাটক

এলিজাবেথীয় যুগত শ্বেক্সপীয়েৰৰ উপৰিও অনেক প্ৰতিভাশালী নাট্যকাৰে ইতিহাসৰ ঘটনাৱলীৰ আলমত নাটক ৰচনা কৰিছিল। টিউডৰ যুগ ইংলেণ্ডৰ বুৰঞ্জীৰ এক গৌৰৱময় যুগ। আকৌ এলিজাবেথীয় যুগ হ'ল টিউডৰ যুগৰেই এক উজ্বলতম অধ্যায়। শ্বেক্সপীয়েৰৰ বুৰঞ্জীমূলক নাটকসমূহ নিঃসন্দেহে ইংলেণ্ডৰ ইতিহাসৰ ঐতিহ্য বহন কৰিছে। তেওঁৰ বুৰঞ্জীমূলক নাটকসমূহৰ ওপৰত দৃষ্টিপাত কৰাৰ পূৰ্বেই সমসাময়িক আন নাট্যকাৰসকলৰ বুৰঞ্জীমূলক নাটকৰ পৰ্য্যালোচনা কৰা প্ৰয়োজন।

শ্বেক্সপীয়েৰৰ সমসাময়িক বা তেওঁৰ পূৰ্বসুৰীসকলে ঐতিহাসিক নাটক ৰচনাৰ ক্ষেত্ৰত বিশেষ পাৱদৰ্শিতা প্ৰদৰ্শন কৰিব পৰা নাই। মাত্ৰ কেইটিমান সীমিত ঘটনাকেই তেওঁলোকে বিষয়বস্তু

হিচাপে নিৰ্বাচন কৰিছিল। সকলো নাটকতেই একেবোৰ চৰিত্ৰৰ সমাহাৰ পৰিলক্ষিত হৈছিল। চৰিত্ৰবোৰো আছিল প্ৰাণহীন, নাট্যকাৰৰ হাতৰ পুতলাৰ দৰে। শ্বেক্সপীয়েৰৰ সমসাময়িক নাট্যকাৰসকলৰ ভিতৰত খ্ৰীষ্টোফাৰ মাৰ্লো আছিল বুৰঞ্জীমূলক নাটকৰ শ্ৰেষ্ঠ নাট্যকাৰ। নাটকত ব্যৱহৃত অমিত্ৰাক্ষৰ ছন্দৰ বাবে ইংৰাজী নাট্য সাহিত্যৰ ইতিহাসত তেওঁৰ বিশেষ সুনাম আছে। বুৰঞ্জীৰ ঘটনাবলীক তেওঁ সুসংহতৰূপত সন্নিবিষ্ট কৰি নাটকক তেওঁ অপূৰ্ব শিল্পকৃতিত পৰিণত কৰিছিল। তেওঁৰ 'টাম্বাৰলেইন', 'ড° ফষ্টাচ' আৰু 'দ্বিতীয় এড্ওৱাৰ্ড'ত নাটক আৰু কবিতাৰ অপূৰ্ব সমন্বয় ঘটিছে। 'দ্বিতীয় এড্ওৱাৰ্ড'ত এড্ওৱাৰ্ড প্ৰকৃতাৰ্থত নায়ক হোৱাৰ যোগ্য নহয়। ৰজা হিচাপে তেওঁ বাৰে বাৰে কৰ্ত্তব্যৰ প্ৰতি অৱহেলা কৰিছে। তথাপিও নাট্যকাৰে তেওঁক নায়ক হিচাপে প্ৰতিষ্ঠা কৰাত সফল হৈছে। নাট্যকাৰ হিচাপে ইয়াতেই মাৰ্লোৰ শ্ৰেষ্ঠত্ব। এড্ওৱাৰ্ডৰ ভাগ্য বিপৰ্য্যয়ত দৰ্শক আৰু পাঠকৰ মন সহানুভূতিত ভৰি পৰে। মৰ্টিমাৰৰ নিৰ্দেশত এড্ওৱাৰ্ডৰ ওপৰত অমানুসিক অত্যাচাৰ চলোৱা হয়। ক্ষুধাৰ্ত্ত ৰজাই এমুঠি অন্নৰ বাবে হাহাকাৰ কৰে। তৃষ্ণাতুৰ অৱস্থাত তেওঁক এটুপি পানীৰ পৰাও বঞ্চিত কৰি নিৰ্মমভাৱে অত্যাচাৰ কৰা সেই দৃশ্য হৃদয় বিদাৰক। সমালোচক চাৰ্লচ লেম্বৰ মতে শ্বেক্সপীয়েৰও এনে দৃশ্য অংকণ কৰিব পৰা নাই।

শ্বেক্সপীয়েৰে ট্ৰেজেদি আৰু বুৰঞ্জীমূলক নাট ৰচনা কৰাৰ ক্ষেত্ৰত খ্ৰীষ্টোফাৰ মাৰ্লোক গুৰু হিচাপে গ্ৰহণ কৰিছিল। তেওঁৰ 'দ্বিতীয় ৰিচাৰ্ড' আৰু 'তৃতীয় ৰিচাৰ্ড' উভয়তেই মাৰ্লোৰ প্ৰভাৱ অতি স্পষ্ট। 'তৃতীয় ৰিচাৰ্ড'ত মেকিয়াভেলীৰ প্ৰভাৱ লক্ষণীয়। মাৰ্লোৰ 'দ্বিতীয় এডওৱাৰ্ড' আৰু শ্বেক্সপীয়েৰৰ 'দ্বিতীয় ৰিচাৰ্ড'ৰ সাদৃশ্য মনকৰিবলগীয়া। দুয়োটাতেই ৰজা দুজন অত্যন্ত দুৰ্বল চৰিত্ৰৰ। দুয়োজন স্বৈৰাচাৰী। অৱশ্যে এডওৱাৰ্ডৰ চৰিত্ৰ অধিক ঘৃণনীয়। তেওঁৰ চৰিত্ৰত যৌনবিকৃতি আছে। ইয়াৰ বিপৰীতে ৰিচাৰ্ডৰ আছে এটি মহৎ গুণ। তেওঁ কবি। অৱশ্যে ভাল ৰজা হ'বলৈ কবি হোৱাৰ প্ৰয়োজন নাই।

শ্বেক্সপীয়েৰে তেওঁৰ উল্লেখযোগ্য কেইবাখনো নাটকত মাৰ্লোতকৈ অধিক শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰিছে। ইংলেণ্ডৰ বুৰঞ্জীক ভিত্তি কৰি তেওঁ দহখন নাটক ৰচনা কৰিছে। ৰোমৰ পটভূমিক লৈ ৰচনা কৰিছে তিনিখন নাটক। তদুপৰি তেওঁৰ ট্ৰেজেদিসমূহৰো ঐতিহাসিক ভিত্তি আছে। তথাপিও শ্বেক্সপীয়েৰৰ বুৰঞ্জীমূলক নাটক বুলি ক'লে আমি Tetralogy ৰ অন্তৰ্ভুক্ত আঠখন নাটক আৰু বিচ্ছিন্ন ভাৱে থকা 'কিংজন' আৰু 'অষ্টম হেনৰী' মুঠ এই দহখন নাটককেই বুজো।

শ্বেক্সপীয়েৰে তেওঁৰ ঐতিহাসিক নাটকসমূহৰ অধিকাংশই ৰচনা কৰিছে মধ্যযুগৰ পটভূমিকাত। কিন্তু নাট্যকাৰ, সমালোচক জৰ্জ বাৰ্নাৰ্ড শ্বৰ প্ৰশ্ন, শ্বেক্সপীয়েৰে জানো মধ্যযুগৰ মৰ্মবাণীক তেওঁৰ নাটকত ৰূপায়িত কৰিব পাৰিছে? শ্ব'ই তেওঁৰ 'চেইণ্ট জোৱান' নাটকৰ ভূমিকাত স্পষ্টভাৱে কৈছে, শ্বেক্সপীয়েৰ এই দিশত সম্পূৰ্ণ ব্যৰ্থ। প্ৰকৃতাৰ্থত শ্বেক্সপীয়েৰে তেওঁৰ যুগৰ উপযোগীকৈ মধ্যযুগৰ ইতিহাসক নাট্যৰূপ দিছে। সেয়েহে তেওঁৰ নাটকসমূহত টিউডৰ যুগৰ আশা-আকাঙ্খা মূৰ্ত হৈ উঠিছে।

ঐতিহাসিক নাটকৰ ক্ষেত্ৰত শ্বেক্সপীয়েৰ অৱশ্যেই প্ৰচাৰধৰ্মী। শ্বেক্সপীয়েৰ আছিল ৰাজতন্ত্ৰত বিশ্বাসী। ৰজাৰ সাৰ্বভৌম ক্ষমতাত তেওঁ বিশ্বাস কৰিছিল। সম্ভৱত তেওঁ বহুসময়ত ইচ্ছাকৃতভাৱেই মধ্যযুগক তেওঁৰ নাটকত কিছু বিকৃতভাৱে উপস্থাপন কৰিছিল। টিউডৰ যুগসুলভ ৰাজনীতিৰ প্ৰচাৰ ইয়াৰ অন্তৰ্নিহিত উদ্দেশ্য আছিল বুলি ভাবিব পাৰি। ৰজা যদিও সাৰ্বভৌম ক্ষমতাৰ অধীশ্বৰ আছিল, তথাপিও মাজে সময়ে লৰ্ড, নাইট আৰু পুৰোহিতসকলৰ হাতৰ পুতলা

হিচাপে ৰজাই কাম কৰিবলৈ বাধ্য হৈছিল। শ্বেক্সপীয়েৰে তেওঁৰ নাটকত ৰজাৰ প্ৰতি প্ৰজাৰ আনুগত্যক গুৰুত্ব প্ৰদান কৰিছিল। ৰজাই যদিও ভাৱিছিল যে পুৰোহিতসকল তেওঁৰ অধীন, তথাপিও পুৰোহিতসকলেও তেওঁলোকৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰি প্ৰাধান্য বিস্তাৰ কৰাৰ বাবে প্ৰাণে পণে চেষ্টা কৰিছিল। কেন্টাৰবাৰৰ আৰ্কবিছপ টমাছ বেকেট আৰু ৰজা হেনৰীৰ সংঘাত ইয়াৰ দৃষ্টান্ত স্বৰূপ। ৰজাৰ মতে, পুৰোহিত সম্প্ৰদায়ে মাথো আধ্যাত্মিক দিশটোৰ প্ৰতিহে মনোযোগ দিয়া উচিত। ৰাজনীতিৰ চৰ্চা তেওঁলোকৰ বাবে অনাধিকাৰ প্ৰবেশ স্বৰূপ।

ইংলেণ্ডৰ ইতিহাসত বাৰে বাৰে ৰজাৰ দুৰ্বলতাৰ বাবে প্ৰজাসাধাৰণে মূল্য দিবলগীয়া হৈছে। দেশ আৰু জাতিৰ যথেষ্ট ক্ষতিও হৈছে। সেয়েহে শ্বেক্সপীয়েৰে আদৰ্শ ৰজাৰ সন্ধান কৰিছে। তেওঁৰ আদৰ্শ ৰজা মেকিয়াভেলীৰ আদৰ্শ ৰজাৰ দৰে মাথো সিংহৰ দৰে সাহসী আৰু শিয়ালৰ দৰে ধূৰ্ত্ত হ'লেই নহ'ব। তৃতীয় বিচাৰ্ডৰ সকলো গুণ থকা স্বত্বেও তেওঁ আদৰ্শ ৰজা হ'ব নোৱাৰিলে। তেওঁৰ আদৰ্শবান ৰজা কল্পনাপ্ৰৱণ হ'ব লাগিব। প্ৰজাৰ মঙ্গলৰ বাবে তেওঁ যথেষ্ট সচেতন হ'ব লাগিব। তেওঁ সাহস আৰু শক্তিৰ প্ৰতীক হ'ব লাগিব। প্ৰজা সাধাৰণৰ স'তে তেওঁৰ সু-সম্পৰ্ক থাকিব লাগিব। সকলো ধৰণৰ গৃহ কন্দলক তেওঁ গজালিতেই নিশেঃষ কৰিব লাগিব। সৰ্বস্তৰৰ ৰাজ্যবাসীক ৰজাই তেওঁৰ পদানত কৰি ৰাখিব লাগিব। কিন্তু শ্বেক্সপীয়েৰে লক্ষ্য কৰিছে যে বেছিভাগ ৰজাৰেই এই গুণাৱলী নাই। তৃতীয় ৰিচাৰ্ড সাহসী, কিন্তু স্বৈৰাচাৰী। দ্বিতীয় ৰিচাৰ্ড কল্পনাপ্ৰৱণ, কবি, কিন্তু অত্যন্ত দুৰ্বল। ৰজা ষষ্ঠ হেনৰীও দুৰ্বল। চতুৰ্থ হেনৰী সাহসী, কিন্তু তেওঁ শ্বেক্সপীয়েৰৰ দৃষ্টিত আদৰ্শ ৰজা নহয়। কাৰণ তেওঁ দ্বিতীয় ৰিচাৰ্ডৰ ৰাজ্য বেদখলকাৰী। তদুপৰি চতুৰ্থ হেনৰী প্ৰজাসাধাৰণৰ পৰা আছিল সম্পূৰ্ণ বিচ্ছিন্ন। পঞ্চম হেনৰী আছিল শ্বেক্সপীয়েৰৰ আদৰ্শ ৰজা। আদৰ্শ ৰজাৰ সকলো গুণাৱলী তেওঁৰ চৰিত্ৰত বিদ্যমান। প্ৰথমতে, তেওঁ অসাধাৰণ শৌৰ্য্য-বীৰ্যৰ অধিকাৰী। দ্বিতীয়তে, তেওঁ পিতৃৰ দৰে ৰাজ্য দখলকাৰী বা অপহৰণকাৰী নহয়। উত্তৰাধিকাৰী সূত্ৰেই তেওঁ ৰাজসিংহাসন আৰোহন কৰিছে। তৃতীয়তে, জনসাধাৰণৰ স'তে তেওঁৰ নিবিড় সম্পৰ্ক আছিল। সমাজৰ সকলো স্তৰৰ মানুহৰ স'তেই তেওঁ সময় অতিবাহিত কৰিছিল। উদাহৰণ ফলষ্টাফ। ফলষ্টাফৰ স'তে তেওঁ আনন্দ উপভোগ কৰাত অকণো দ্বিধাবোধ অনুভৱ কৰা নাই। ফলষ্টাফ সমাজৰ নিম্নস্তৰৰ এজন অস্বাভাৱিক প্ৰকৃতিৰ লোক। এই স্তৰৰ মানুহৰ স'তে সম্পৰ্ক ৰক্ষা কৰি তেওঁ সাধাৰণ প্ৰজাক স্পষ্টৰূপত বুজি পাইছে। তেওঁ ফলষ্টাফৰ স'তে আনন্দ উপভোগ কৰাত যেনে অভ্যস্ত, হেনৰী পাচীৰ স'তে যুদ্ধ কৰাতো যথেষ্ট নিপুন। তেওঁৰ অন্যতম গুণ হ'ল তেওঁ দেশপ্ৰেমিক। ইংলেণ্ডৰ বাহিৰে তেওঁ একোৱেই বুজি পোৱা নাছিল। আন কোনো ৰজাৰ তেওঁৰ দৰে জ্বলন্ত দেশপ্ৰেম নাছিল। সেয়েহে তেওঁ যেতিয়া প্ৰজাসাধাৰণক দেশৰ হ'কে যুদ্ধ কৰিবলৈ আহ্বান জনাইছিল তেতিয়া সকলোৱেই ব্যক্তিস্বাৰ্থ বিসৰ্জন দি দেশৰ হ'কে প্ৰাণ দিবলৈ আগবাঢ়ি আহিছিল। এটা কথাত পঞ্চম হেনৰী আছিল জনগনৰ মনৰ ৰজা।

বুৰঞ্জীমূলক নাটকৰ ৰচয়িতা হিচাপে শ্বেক্সপীয়েৰ কোনো নামজ্বলা ইতিহাসবিদ নাছিল। পৰ্য্যাপ্ত জ্ঞান আহৰণৰ বাবে তেওঁ ইতিহাস অধ্যয়ণ কৰিছিল। হলিনশ্বেডৰ 'ইলেণ্ডৰ বুৰঞ্জী' অধ্যয়ন কৰাৰ উপৰিও তেওঁ ৰবাৰ্ট ফেবিয়ান, গ্ৰাফ্টন আৰু ষ্টো ৰচিত ইতিহাস বিতং অধ্যয়ন কৰিছিল। টমাচ মুৰৰ 'দা লাইফ অব ৰিচাৰ্ড দা থাৰ্ড'ৰ স'তে তেওঁৰ নিবিড় পৰিচয় আছিল। শ্বেক্সপীয়েৰৰ যুগত প্ৰত্যেক সাহিত্যিকেই 'দা মিৰৰ অব মেজিষ্ট্ৰেট্চ' গ্ৰন্থখন পঢ়িছিল। এই গ্ৰন্থসম্ভাৰ অধ্যয়ন কৰি শ্বেক্সপীয়েৰে ইতিহাসৰ অপৰিসীম জ্ঞান আহৰণ কৰিছিল।

...সমৰ্থক। টিউডৰ ৰাজবংশৰ প্ৰতি তেওঁৰ আছিল ... যে ৰজাই ঈশ্বৰৰ আদেশত সিংহাসনত অধিষ্ঠিত হয়। ৰজাৰ ... বা সম্ভ্ৰান্তবংশীয় সকলৰ স্থান, তাৰপাছত পুৰোহিত সকলৰ আৰু সৰ্বশেষত ...ধাৰণৰ স্থান। প্ৰজাক তেওঁ উপেক্ষা কৰা নাই। যাৰ য'ত স্থান সেই কথাহে তেওঁ ক'ব খুজিছে। বাৰ্নাৰ্ডশ্ব'ৰ মতে, শ্বেক্সপীয়েৰৰ ঐতিহাসিক নাটকত ইতিহাসৰ সত্যতা সুৰক্ষিত হোৱা নাই। কাৰণ, শ্বেক্সপীয়েৰ মুলত শিল্পী, বুৰঞ্জীবিদ নহয়। দ্বিতীয়তে, ইতিহাসক তেওঁ এক বিশেষ দৃষ্টিতহে ব্যৱহাৰ কৰিছে। অনেক ঘটনাৱলী তেওঁ আৱশ্যকবোধে গ্ৰহণ বা বৰ্জন কৰিছে। ইতিহাসৰ পুনৰাবৃত্তি ঘটে বুলি তেওঁ বিশ্বাস কৰে। মানুহে আপোনস্বাৰ্থত পৰস্পৰৰ স'তে দ্বন্দ্বত লিপ্ত হৈ নিজৰ সৰ্বনাশ মাতি আনে। ইতিহাসৰ পৃষ্ঠাত ইয়াৰ অনেক দৃষ্টান্ত পোৱা যায়। শ্বেক্সপীয়েৰে তেওঁৰ বুৰঞ্জীমূলক নাটকসমূহৰ মাজেৰে এই শিক্ষাই প্ৰচাৰ কৰিছে। ৰজা পঞ্চম হেনৰীয়ে ফ্ৰান্স জয় কৰিছিল। 'ষষ্ঠ হেনৰী' নাটকত গৃহযুদ্ধই সৰ্বনাশৰ মূল হৈছে। গৃহ কন্দলৰ পৰিণতিত ফ্ৰান্স ইংৰাজৰ হাতৰ পৰা গুচি গৈছে।

নৱজাগৰণৰ যুগত ৰাষ্ট্ৰনীতিবিদসকলে এই শিক্ষা প্ৰচাৰ কৰিছিল যে, ৰজাক বিনা বিচাৰে মানি চলিব লাগিব। কিন্তু শ্বেক্সপীয়েৰে এই নীতিৰো সামান্য ইফাল সিফাল কৰি দেখুৱাব খুজিলে যে কেতিয়াবা কেতিয়াবা প্ৰজাসাধাৰণৰ বৃহত্তৰ স্বাৰ্থৰ প্ৰয়োজনত ৰজাও সিংহাসনচ্যুত হ'ব লাগে। ৰজা দ্বিতীয় ৰিচাৰ্ড দুৰ্বল আৰু স্বেচ্ছাচাৰী আছিল। প্ৰজাৰ বৃহত্তৰ স্বাৰ্থতেই যদিও চতুৰ্থ হেনৰীয়ে তেওঁক ক্ষমতাচ্যুত কৰিছিল সেয়াও হৈছিল ৰক্তপাতৰ মাজেৰে। এয়া আছিল পাপ। ৰক্তপাত আছিল ঘৃণনীয় অপৰাধ। ৰজা তৃতীয় ৰিচাৰ্ডক ক্ষমতাচ্যুত কৰিছিল সপ্তম হেনৰীয়ে। তেওঁৰ সেই অধিকাৰ নাছিল। কিন্তু চতুৰ্থ হেনৰীয়ে দ্বিতীয় ৰিচাৰ্ডক সিংহাসনচ্যুত কৰাৰ কোনো অধিকাৰ নাছিল। সেয়েহে চতুৰ্থ হেনৰীৰ ৰাজত্বকাল দুঃখ বেদনাৰে ভৰা। তেওঁৰ ৰাজত্বকালতো গৃহদ্বন্দ্ব। আদৰ্শ ৰজা পঞ্চম হেনৰীৰ ৰাজত্বকালতহে দেশত শান্তি-শৃঙ্খলা পুনঃ প্ৰতিষ্ঠা হয়।

এলিজাবেথীয় যুগত ৰজাক সিংহাসনচ্যুত কৰা বা হত্যা কৰা সম্পৰ্কে কোনো লিখনি প্ৰস্তুত কৰাৰ পূৰ্বেই যথেষ্ঠ সতৰ্কতা অৱলম্বন কৰাটো আছিল অতীব প্ৰয়োজনীয়। আৰ্ল অব এচেক্সে যিদিনা ৰাণী এলিজাবেথৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰিছিল তাৰ আগদিনা নিশা এচেক্সৰ বন্ধুমহলে শ্বেক্সপীয়েৰৰ 'দ্বিতীয় ৰিচাৰ্ড' নাটখন অভিনয় কৰাৰ ব্যৱস্থা কৰে। তেওঁলোকৰ উদ্দেশ্য আছিল, প্ৰজাক বুজাই দিয়া যে দ্বিতীয় ৰিচাৰ্ডৰ দৰে এলিজাবেথকো সিংহাসনচ্যুত কৰা হব পাৰে। এনে অৱস্থাত শ্বেক্সপীয়েৰে যথেষ্ঠ সতৰ্কতা অৱলম্বন কৰিহে বুৰঞ্জীমূলক নাটক ৰচনা কৰিছিল।

শ্বেক্সপীয়েৰৰ ঐতিহাসিক নাটকসমূহৰ ভিতৰত 'ষষ্ঠ হেনৰী' নাটকখনেই সৰ্বপ্ৰথম ৰচিত। 'ষষ্ঠ হেনৰী' নাটকখন তিনিটাখণ্ডত সমাপ্ত। প্ৰথম খণ্ডটি সম্ভৱত শ্বেক্সপীয়েৰ আৰু তেওঁৰ কেইজনমান সহযোগীৰ ৰচনা। প্ৰথম খণ্ডৰ বিষয়বস্তু হ'ল– টেলবটৰ শৌৰ্য্য-বীৰ্যৰ ইতিহাস আৰু তেওঁৰ কৰুণ মৃত্যু আৰু বীৰাঙ্গনা জোৱান অব্ আৰ্কৰ কীৰ্ত্তিকলাপ। শ্বেক্সপীয়েৰে জোৱান-অব্-আৰ্কৰ চৰিত্ৰ অংকণত প্ৰয়োজনাধিক ইংৰাজ প্ৰীতি প্ৰদৰ্শন কৰাৰ অভিযোগ আছে। অৱশ্যে শ্বেক্সপীয়েৰৰ সকলোবোৰ বুৰঞ্জীমূলক নাটকেই স্বদেশপ্ৰীতিৰ উজ্জ্বল স্বাক্ষৰতা বহন কৰিছে।

'ষষ্ঠ হেনৰী'ৰ দ্বিতীয় খণ্ডটিক অনেকেই মাৰ্লোৰ ৰচনা বুলি ধাৰণা কৰে। আকৌ কিছুমানৰ মতে কীড, লজ, গ্ৰীণ ন্যাশ্ব, পীল আৰু ড্ৰেটনেও নাটকখনৰ কোনো কোনো অংশ লিখিছে। শিল্পকৃতি হিচাপে দ্বিতীয়খণ্ড প্ৰথম খণ্ডতকৈ অধিক প্ৰশংসনীয়। গোলাপৰ যুদ্ধৰ বিভিষিকাই এই খণ্ডৰ মূল

উপজীব্য বিষয়। 'ষষ্ঠ হেনৰী' নাটকৰ তৃতীয়খণ্ড সম্ভৱত সম্পূৰ্ণই শ্বেক্সপীয়েৰৰ নিজৰ ৰচনা।

শ্বেক্সপীয়েৰৰ প্ৰতিভাৰ বলিষ্ঠ স্বাক্ষৰ বহন কৰা নাটকসমূহৰ ভিতৰত 'তৃতীয় ৰিচাৰ্ড' উল্লেখযোগ্য। এলিজাবেথীয় যুগত ইংলেণ্ডৰ ৰঙ্গমঞ্চত এই নাটকখনে যথেষ্ঠ জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সক্ষম হৈছিল। ঘটনাৰ সত্যতাৰ দিশৰ পৰা বিচাৰ কৰিলে 'তৃতীয় ৰিচাৰ্ড'ক ঐতিহাসিক নাটক বুলি নকৈ উপায় নাই, কিন্তু কাহিনীৰ পৰিণতিলৈ লক্ষ্য কৰি নাটকখনক ট্ৰেজেদিৰ শাৰীত অন্তৰ্ভূক্ত কৰিব পাৰি। ভাৱ-ভঙ্গী, শব্দ শৈলীৰ ব্যৱহাৰ আদিলৈ চাই ইয়াক মেলোড্ৰামা বুলি ক'লেও অত্যুক্তি কৰা নহয়।

'দ্বিতীয় ৰিচাৰ্ড'ৰ সময়ৰ পৰা শ্বেক্সপীয়েৰৰ বুৰঞ্জীমূলক নাটকে এক নতুন গতি লাভ কৰে। 'ষষ্ঠ হেনৰী'ৰ পৰা তৃতীয় ৰিচাৰ্ড' লৈকে এই চাৰিখন শ্বেক্সপীয়েৰৰ প্ৰথম পৰ্য্যায়ৰ ঐতিহাসিক নাটক। ইয়াৰ পাছত তেওঁৰ দ্বিতীয় পৰ্য্যায়ৰ ঐতিহাসিক নাট সমূহ 'দ্বিতীয় ৰিচাৰ্ড'ৰ পৰা 'পঞ্চম হেনৰী' লৈকে বিস্তৃত। দ্বিতীয় ৰিচাৰ্ড আছিল ৰজা হিচাপে সম্পূৰ্ণ ব্যৰ্থ। তেওঁৰ চৰিত্ৰত দৃঢ়তা নাছিল। দুৰ্বলতাৰ বাবেই তেওঁৰ ৰাজ্যত স্বৈৰাচাৰে দেখা দিছিল। তেওঁৰ দুৰ্বলতাই আছিল তেওঁৰ ট্ৰেজেদি। তেওঁৰ পত্নীৰ চৰিত্ৰও তেওঁৰ দৰেই দুৰ্বল। আচলতে শ্বেক্সপীয়েৰৰ বুৰঞ্জীমূলক নাটকত নাৰী চৰিত্ৰৰ মাধুৰ্য্য আছে, বলিষ্ঠতা নাই। ৰিচাৰ্ডৰ পত্নী মাধুৰ্য্যমণ্ডিত, কিন্তু লেডী মেকবেথৰ দৰে তাইৰ হাতত এনে কোনো শক্তি নাই যাৰ দ্বাৰা ৰিচাৰ্ডক কোনো শুভ বা অশুভ কৰ্মলৈ উদ্‌গনি দিব পাৰে।

শ্বেক্সপীয়েৰৰ 'চতুৰ্থ হেনৰী' নাটকখন বিশ্বৰ নাট্যমোদী সকলৰ ওচৰত ব্যাপকভাৱে সমাদৃত হোৱাৰ এটা অন্যতম কাৰণ বোধহয় ফলষ্টাফৰ চৰিত্ৰ। যুগ যুগ ধৰি অগণন দৰ্শকক ফলষ্টাফে বিমোহিত কৰিছে। ফলষ্টাফৰ চৰিত্ৰ যেন এক জীৱন্ত ৰসিকৰহে চৰিত্ৰ। চতুৰ্থ হেনৰীৰ ৰাজ্যলাভৰ পাছৰ পৰাই নাটকখন আৰম্ভ হৈছে। ৰজা দ্বিতীয় ৰিচাৰ্ডক হত্যা কৰি তেওঁ ক্ষমতাত অধিষ্ঠিত হৈছে। ৰাজ্যৰ চৌদিশে বিদ্ৰোহৰ অশনি সংকেত। ৰজাৰ মনত শান্তি নাই। আকৌ নাটকখনৰ দ্বিতীয় খণ্ডত ফলষ্টাফ হৈছে ৰজাৰ অন্যতম সেনাপতি। সেনাপতিৰ গুৰু দায়িত্ব কান্ধ পাতি লোৱাৰ পাছৰ পৰাই ফলষ্টাফেৰ ৰসিকতা বহু পৰিমানে ম্লান হৈছে। নাটকখনত ৰজাৰ মৃত্যুৰ পাছত যুৱৰাজ হেলে পঞ্চম হেনৰী নামলৈ সিংহাসনত বহিছে। সিংহাসনত অধিষ্ঠিত হোৱাৰ পাছত ৰজা পঞ্চম হেনৰীয়ে ফলষ্টাফক বৰ্জন কৰিছে।

শ্বেক্সপীয়েৰৰ 'পঞ্চম হেনৰী' নাটকখনত ফলষ্টাফৰ মৃত্যু হয়। কিন্তু ৰাণী এলিজাবেথে ফলষ্টাফক প্ৰেমিক হিচাপে পাব বিচৰাত তেওঁ আকৌ জীৱণ ধাৰণ কৰে। 'দি মেৰী ওৱাইভ্‌ছ অব উইন্ডচৰ'ত ফলষ্টাফে দুগৰাকী পৰস্ত্ৰীৰ স'তে প্ৰেম কৰি ৰাণীৰ আনন্দবিধান কৰিছিল।

শ্বেক্সপীয়েৰৰ ফলষ্টাফৰ চৰিত্ৰ এক অতুলনীয় সৃষ্টি। যুগ যুগ ধৰি বিশ্বৰ কোটি কোটি দৰ্শকক ফলষ্টাফে হাঁহিৰ খোৰাক যোগাইছে। কিন্তু তেওঁৰ নৈতিক চৰিত্ৰৰ অধপতনৰ বাবে ডাঃ জনচনেও উদ্বেগ প্ৰকাশ কৰিছে। আন এজন সমালোচক জাৰভিনাচে কৈছে যে তেওঁৰ বিবেক বা লাজ বুলিবলৈ একোৱেই নাছিল। পিউৰিটান সমালোচক সকলে তেওঁক 'মিছলীয়া', 'মদাহী', 'এলেহুৱা', 'লম্পট', 'কাপুৰুষ', 'প্ৰৱঞ্চক' আদি বিশেষণ আৰোপ কৰিছিল।

'কিং জন' আৰু 'অষ্টম হেনৰী' তেওঁৰ Tetralogy ৰ অন্তৰ্ভূক্ত নহয়। শিল্পকৃতি হিচাপে 'কিং জন' সাৰ্থক নহয়। ৰজা হিচাপে কিং জন ব্যৰ্থ। তেওঁৰ চৰিত্ৰত বিশ্বাসঘাতকতা, ভীৰুতা আৰু নিষ্ঠুৰতা আছে। শ্বেক্সপীয়েৰৰ আদৰ্শ ৰজাৰ কোনো গুণ তেওঁৰ চৰিত্ৰত নাই।

তেওঁৰ 'অষ্টম হেনৰী' নাটক ৰচনাৰ ক্ষেত্ৰত জন ফ্লেচাৰে তেওঁক সহায় কৰিছিল। নাটকখনত ছন্দগত পাৰ্থক্য বিশেষ লক্ষণীয়। এমাৰচনৰ মতে, নাটকখনত দুজন ৰচয়িতাৰ হাতৰ ছাপ পৰিস্ফুট হয়। কোনো কোনো সমালোচকৰ মতে মেচিঞ্জাৰেও নাটকখন লিখাৰ ক্ষেত্ৰত শ্বেক্সপীয়েৰক সহায় কৰিছিল।

০০০০০০০০০০০

শ্বেক্সপীয়েৰৰ কমেডি

মধ্যযুগত নাটক আছিল ধৰ্মাশ্ৰয়ী। পুৰোহিতশ্ৰেণীয়ে সাধাৰণ মানুহৰ মন ধৰ্মপ্ৰৱন কৰাৰ উদ্দেশ্যে নাটকৰ প্ৰৱৰ্ত্তন কৰে। গ্ৰীক নাট্যকাৰ এৰিষ্টোফেন্চ বা লেটিন নাট্যকাৰ প্লটাচ আৰু টেৰেঞ্চৰ নাটক ৰচনা কৰাৰ প্ৰধান উদ্দেশ্য আছিল ধেমেলীয়া চৰিত্ৰৰ প্ৰয়োগেৰে ব্যঙ্গাত্মক মাধ্যমত সমাজৰ সংস্কাৰ সাধন কৰা। কিন্তু বিশ্বৰ শ্ৰেষ্ঠ নাট্যকাৰ শ্বেক্সপীয়েৰে নাটকক কেতিয়াও সমাজ সংস্কাৰৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰা নাই। শ্বেক্সপীয়েৰ প্ৰকৃতাৰ্থতেই মহৎ শিল্পী। দৰ্শকক বিমল আনন্দ প্ৰদান কৰাই তেওঁৰ লক্ষ্য। কমেডি ৰচনাত তেওঁৰ কোনো দাৰ্শনিকতাও নাই।

শ্বেক্সপীয়েৰৰ প্ৰথম পৰ্যায়ৰ নাটকসমূহত কিছু ধ্ৰুপদী বৈশিষ্ট্য লক্ষ্য কৰা যায়। এই নাটকসমূহৰ চৰিত্ৰবোৰত কোনো ধৰণৰ জটিলতা নাই। তেওঁৰ নাটকবোৰত অনেক চৰিত্ৰই ছদ্মবেশ ধাৰণ কৰিছে। এই ক্ষেত্ৰত তেওঁৰ ওপৰত প্লটাচ আৰু টেৰেন্চৰ প্ৰভাৱৰ কথা অস্বীকাৰ কৰিব নোৱাৰি। তৎস্বত্তেও শ্বেক্সপীয়েৰ কিন্তু কোনো পধ্যেই ধ্ৰুপদী (Classical) নাট্যকাৰ নাছিল। তেওঁ কমেডি ৰচনাৰ ক্ষেত্ৰত ক্লাচিকেল পন্থীসকলৰ কঠোৰ সমালোচনাকো অগ্ৰাহ্য কৰি ৰোমান্টিকতাৰ মুক্ত জগতত বিচৰণ কৰিছিল। তেওঁৰ কমেডিৰ চৰিত্ৰবোৰ দৰ্শক বা পাঠকৰ মনৰ মানুহ। তেওঁলোকৰ হাঁহি-কান্দোন সাধাৰণ মানুহৰ হাঁহি কান্দোনৰ স'তে অভিন্ন।

শ্বেক্সপীয়েৰৰ ৰোমান্টিক কমেডিৰ ৰচনা তেওঁৰ নাট্যকাৰ জীৱনৰ এক গুৰুত্বপূৰ্ণ সংযোজন। তেওঁৰ ৰোমান্টিক কমেডি সমূহ প্ৰেম আৰু ৰোমান্টিকতাৰ মহাকাব্য স্বৰূপ। এইবিধ নাটকৰ মূল বিষয়বস্তু প্ৰেম। নায়ক নায়িকাৰ জীৱনৰ মূল উদ্দেশ্যই প্ৰেম। তেওঁলোকৰ দৃষ্টিত প্ৰেম অমৃততুল্য। ভালপোৱাই জীৱনৰ আনন্দ, জীৱনৰ একমাত্ৰ আকৰ্ষণ। প্ৰেমেই সংসাৰৰ একমাত্ৰ সত্য। বাকী সমস্তই অসাৰ। নায়ক নায়িকাৰ জীৱনত যেন আন কোনো সমস্যা নাই। শ্বেক্সপীয়েৰৰ আটাইবোৰ ৰোমান্টিক কমেডিতেই প্ৰেমৰ এক মধুৰ ঝংকাৰ প্ৰতিধ্বনিত হয়। নায়ক নায়িকাৰ প্ৰেমৰ দ্বৈত সংগীতত আকাশ বতাহ মুখৰিত হয়। যেন 'প্ৰেমত ঘূৰিছে ভূমণ্ডল, প্ৰেমত ভ্ৰমিছে শতদল।'

শ্বেক্সপীয়েৰৰ কমেডিত নাটকৰ মূল্য অপৰিসীম। তেওঁৰ 'ভেনিচৰ সদাগৰ' (The Merchant of Venice) নাটকত পোৰ্চিয়াই বলিষ্ঠ ভূমিকা গ্ৰহণ কৰে। মাথো পোৰ্চিয়াৰ বাবেই ছাইলকে এণ্ট'নিওৰ বুকুৰ পৰা এক পাউণ্ড মাংস কাটি নিব নোৱাৰিলে। এণ্ট'নিওৰ জীৱন ৰক্ষা পৰাৰ মূলতে পোৰ্চিয়াৰ ব্যক্তিত্ব আৰু বুদ্ধিমত্তা। একেদৰে 'এজ ইউ লাইক ইট' নাটকত ৰোজালিন্দৰ ভূমিকা অপৰিহাৰ্য। ইয়াত ৰোজালিন্দৰ বাবেই সকলোৰে পুনৰ মিলন সম্ভৱ হয়। নিৰ্বাসিত অৰ্লেণ্ডো আৰু অলিভাৰে তেওঁলোকৰ হেৰোৱা সম্পদ ওভোতাই পায়। 'অলচ ৱেল দেট এণ্ডচ ৱেল' নাটকৰ নায়িকা হেলেনাই পথভ্ৰষ্ট স্বামীক সুপথ দেখুৱাই দাম্পত্য জীৱন সুখী

আৰু মধুময় কৰি তোলে।

জৰ্জ বাৰ্নাৰ্ডশ্ব'ই নাৰীক অজগৰ সাপ বুলি কৈছে। কিন্তু শ্বেক্সপীয়েৰে নাৰীক কেতিয়াও ইমান বীভৎস ৰূপত কল্পনা কৰা নাই। কমেডি সমূহত তেওঁ নাৰীক পুৰুষতকৈ অধিক ক্ষমতাশালী হিচাপে প্ৰতিপন্ন কৰিব বিচাৰিছে। জীৱনত সুখ-স্বাচ্ছন্দ্যৰ বাবে নাৰীৰ অৱিহণা অপৰিমেয়। পুৰুষৰ শৌৰ্য্য বীৰ্য আছে, নাৰীৰ আছে মাধুৰ্য্য। তেওঁৰ কমেডিৰ নায়িকাসকল জীৱন যুদ্ধত কেতিয়াও ব্যৰ্থ নহয়। অনেক ঘাত-প্ৰতিঘাত অতিক্ৰম কৰি হ'লেও শ্বেক্সপীয়েৰৰ কমেডিৰ নায়িকাই প্ৰেমিকৰ সান্নিধ্য লাভ কৰি হৃদয় শীতল কৰিছে। অৱশ্যে তেওঁৰ প্ৰথম পৰ্য্যায়ৰ নায়িকাসকলে প্ৰেমিকা হিচাপে সম্পূৰ্ণ সফলতা লাভ কৰিব পৰা নাই। 'দি কমেডি অব এৰৰচ'ত এড্ৰিয়ানাই নিজ স্বামীক সন্দেহৰ দৃষ্টিৰে চোৱাত দাম্পত্য জীৱনত বিশ্বাসহীনতাৰ সৃষ্টি হৈছে। 'দি টু জেণ্টেলমেন অব ভেৰোনা'ৰ নায়িকাদ্বয় জুলিয়া আৰু চিলভিয়া সম্ভৱত ৰোমান্টিক নায়িকাসকলৰ ভিতৰত অগ্ৰদূত। এই দুয়োগৰাকী নায়িকাই প্ৰেমৰ বাবে জীৱনত অনেক ত্যাগ স্বীকাৰ কৰিছে। 'লাভ্চ লেবাৰচ লষ্ট'ত নায়িকাকেইগৰাকীয়ে নায়ক সকলৰ জীৱনলৈ প্ৰেমৰ অমৃত ধাৰা বোৱাইছে। এই নাটকখনত শ্বেক্সপীয়েৰৰ ওপৰত লিলিৰ প্ৰভাৱ স্পষ্ট।

শ্বেক্সপীয়েৰৰ 'ডাৰ্ক' কমেডিৰ নায়িকাসকলৰ স'তে তেওঁৰ ৰোমান্টিক কমেডিৰ নায়িকাসকলৰ কিছু ভিন্নতা পৰিলক্ষিত হয়। তেওঁৰ 'ডাৰ্ক' কমেডিসমূহত প্ৰেমৰ মূৰ্চ্ছনা অনুপস্থিত। প্ৰেমৰ বিপৰীতে ইয়াত তিক্ততা আৰু আৰু নৈৰাশ্যৰ সুৰহে ধ্বনিত হয়। ৰোমান্টিক কমেডিত শ্বেক্সপীয়েৰ উদাৰ, জীৱনমুখী। নৱজাগৰণৰ প্ৰভাৱো ইয়াত স্পষ্ট। প্ৰেম আৰু জীৱনৰ আহ্বানেই যেন ইয়াৰ মৰ্মবাণী। কিন্তু 'ডাৰ্ক' কমেডিবোৰত তেওঁৰ জীৱনমুখী মনোভাৱ নাই। জীৱনৰ জয়গান নাই। বিশ্বাসঘাতকতাই যেন জীৱনৰ মূল উপাদান। ইয়াত নায়ক-নায়িকা প্ৰেমৰ বান্ধোনত আবদ্ধ নহয়। কামনা-বাসনাৰ মায়াজালতহে সিহঁত বন্দী।

কিন্তু আচৰিত কথা হ'ল এয়ে যে যি নায়িকাসকলে শ্বেক্সপীয়েৰৰ কমেডিসমূহত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল, সেই নায়িকাৰ চৰিত্ৰ ৰঙ্গমঞ্চত ৰূপায়ণ কৰাৰ বাবে শ্বেক্সপীয়েৰৰ যুগত অভিনেত্ৰীৰ আছিল অত্যন্তই অভাৱ। নাৰী চৰিত্ৰৰ ৰূপায়ণৰ বাবে অভিনেতাসকলে কিছুমান কিশোৰক প্ৰশিক্ষণ দিবলগীয়া হৈছিল। সেই কিশোৰসকলেই শ্বেক্সপীয়েৰৰ কমেডিৰ নায়িকাৰ ভূমিকাত অৱতীৰ্ণ হৈছিল।

শ্বেক্সপীয়েৰ স্বভাৱতঃ আছিল ৰোমান্টিক নাট্যকাৰ। তেওঁৰ ৰোমান্টিকতাৰ পৰিপূৰ্ণতাৰ বাবে নাটকসমূহত চিত্তাকৰ্ষক কাহিনীৰ গীতিময় প্ৰকাশ কৰিছিল। উদাহৰণ স্বৰূপে 'ৰোমিও আৰু জুলিয়েট'ত নায়ক-নায়িকাৰ উভয়ৰ কণ্ঠতেই আবেগ বিহ্বল গীতি কবিতাৰ সুৰ ধ্বনিত হৈছে। মাথো 'ৰোমিও জুলিয়েট'এ নহয়, তেওঁৰ সমগ্ৰ নাট্যাৱলীতেই নাট্যকাৰৰ কবিসত্বাৰ অস্বাভাৱিক স্বৰূপ প্ৰতিভাত হৈছে।

০০০০০০০০০০০

শ্বেক্সপীয়েৰৰ কবিতা

শ্বেক্সপীয়েৰ মূলতঃ কবি। তেওঁ কবি নাট্যকাৰ। তেওঁৰ নাটক সমূহত কবিতাৰ সোণসেৰীয়া উপাদানৰ প্ৰাচুৰ্য এক লক্ষণীয় বিষয়। এই নাটক সমূহৰ উপৰিও তেওঁ কেবাখনো কাব্যগ্ৰন্থ ৰচনা

কৰি বিশ্ব সাহিত্যৰ ইতিহাসত এক অক্ষয়কীৰ্ত্তি প্ৰতিষ্ঠা কৰিছে। ১৫৯৩ খ্ৰীষ্টাব্দত তেওঁৰ প্ৰথম কাব্যগ্ৰন্থ 'ভেনাচ এণ্ড এড'নিচ' প্ৰকাশিত হয়। সেই সময়ত তেওঁৰ বিশেষ কোনো নাটক প্ৰকাশিত হোৱা নাছিল। অভিনেতা হিচাপেই তেওঁ সু-পৰিচিত আছিল। 'ভেনাচ এণ্ড এড'নিচ'ৰ পাছত তেওঁ ৰচনা কৰে 'দ্য ৰেপ অব লুক্ৰিচ' শীৰ্ষক এটি দীঘলীয়া কবিতা ।

ইংলণ্ডৰ ৰাণী প্ৰথম এলিজাবেথৰ যুগৰ সাহিত্যত প্ৰেম আৰু প্ৰাণোচ্ছল জীৱনৰ প্ৰকাশ আছিল এক লক্ষণীয় বিষয়। শ্বেক্সপীয়েৰৰ সমসাময়িক কবি সকলে এটাৰ পিচত এটাকৈ প্ৰেমৰ কবিতা ৰচনা কৰি বিশেষ খ্যাতি অৰ্জন কৰিছিল। শ্বেক্সপীয়েৰেও তেওঁৰ যুগৰ আহ্বানৰ প্ৰতি সহাঁৰি জনাই কবিতা ৰচনাত প্ৰবৃত্ত হৈছিল।। তেওঁৰ 'ভেনাচ এণ্ড এড'নিচ' আছিল প্ৰেমৰ কাহিনী। প্ৰেম আৰু সৌন্দৰ্য্যৰ দেৱী ভেনাচ কাৰো কন্যা বা মাতৃ নহয়। ভেনাচ নন্দন বাসিনী উৰ্বশী। কিন্তু তাই প্ৰেমত পৰিছে এজন অতি সাধাৰণ যুবকৰ সতে। যুবক এড'নিচ কিন্তু এই ক্ষেত্ৰত সম্পূৰ্ণ উদাসীন। তেওঁ হাবিত পহু চিকাৰ কৰি ঘূৰি ফুৰে। ইয়াতে তেওঁ বিমল আনন্দ লাভ কৰে। তেওঁ অশ্বাৰোহী হৈ বিশ্ব বিজয় কৰিবলৈ সাজু আছে। কিন্তু প্ৰেমৰ প্ৰতি তেওঁ অতিকৈ বিমুখ। আনহাতে প্ৰেমৰ দেৱী ভেনাচ তেওঁৰ প্ৰেম লাভৰ বাবে যেন উন্মাদিনী হৈ পৰিছে। মগনীয়াৰ দৰেই নানান ধৰণে কাবৌ কাকুতি কৰিছে। তথাপিও এড'নিচৰ সহাঁৰি লাভৰ পৰা তেওঁ বঞ্চিত হৈছে। এদিন এড'নিচৰ জীৱনলৈ কাল ধুমুহা নামি আহিল। অটব্য অৰণ্যত চিকাৰ বিচাৰি গৈ মৃত্যুৰ মুখত পৰিল। এড'নিচৰ শোকত ভেনাচ ম্ৰিয়মান হৈ পৰিল। এড'নিচৰ মৃতদেহ এটি ফুললৈ ৰূপান্তৰিত হ'ল। সেই ফুলৰ সৌৰভেই চিৰদিনৰ বাবে এড'নিচক অমৰ কৰি ৰাখিলে।

শ্বেক্সপীয়েৰে এই কবিতাটিৰ উপাদান সংগ্ৰহ কৰিছে অভিডৰ 'মেটাম'ৰ ফচিচ্'ৰ পৰা। 'ফেয়াৰী কুইন'ৰ কবি স্পেনচাৰৰ ওচৰতো তেওঁ কিছু পৰিমাণে ঋণী। কিন্তু কবিতাটিত থকা প্ৰকৃতিৰ অপৰূপ বৰ্ণনা সম্পূৰ্ণ ৰূপে কবিৰ নিজা।

'দ্য ৰেপ অব লুক্ৰিচ' কবিতাত কাহিনীৰ নায়িকা লুক্ৰিচ। লুক্ৰিচ পবিত্ৰতাৰ প্ৰতীক। তাই ধৰ্ষিতা হৈছে টাৰ্কুইন নামৰ এটা লম্পটৰ দ্বাৰা। কবিতাটিত শুভ আৰু অশুভৰ সংঘাত লক্ষণীয়। কিন্তু সাময়িকভাৱে ইয়াত অশুভৰ জয় হৈছে। কবিতাটিত কবিৰ হৃদয়ৰ গভীৰ যন্ত্ৰণা অনুৰণিত হৈছে।

'ভেনাচ এণ্ড এড'নিচ' আৰু 'দ্য লেপ অব লুক্ৰিচ'ৰ বিষয় বস্তু সম্পূৰ্ণ বিপৰীত। 'ভেনাচ এণ্ড এড'নিচ'ত ভেনাচ অতি কামাতুৰা নাৰী হিচাপে চিহ্নিত হৈছে। আনহাতে এড'নিচৰ চৰিত্ৰ ভেনাচৰ বিপৰীত। আকৌ 'দ্য ৰেপ অব লুক্ৰিচ' ত লুক্ৰিচ পবিত্ৰ আৰু সতী সাধ্বী ছোৱালী। কিন্তু টাৰ্কুইন কামান্ধ লম্পট।

'দ্য ফিনিক্স এণ্ড টাৰ্টল' কবিতাটিত ফিনিক্স আৰু টাৰ্টল চৰাইৰ প্ৰেম আৰু মৃত্যুৰ কাহিনী বৰ্ণনা কৰা হৈছে। কবিতাটিত ফিনিক্স স্ত্ৰী আৰু টাৰ্টল পুৰুষ। মৃত্যুৰ পিছত একেই চিতাত সিহঁতক ভষ্মিত কৰা হয়। সেই চিতা ভস্মৰ মাজৰ পৰাই ফিনিক্স চৰাই জনীয়ে পুনৰায় নতুন জীৱন লাভ কৰে। শ্বেক্সপীয়েৰৰ ধাৰণা ফিনিক্স আৰু টাৰ্টলৰ কোনো সন্তান সন্ততি নাই। ইয়াত ফিনিক্স সৌন্দৰ্য আৰু টাৰ্টল সত্যৰ প্ৰতীক। অনেকৰ মতে এই কবিতাটি শ্বেক্সপীয়েৰৰ নিজৰ ৰচনা নহয়। ৰবাৰ্ট চেষ্টাৰৰ 'লাভ্‌চ মাষ্টাৰ' নামৰ কাব্যগ্ৰন্থত কবিতাটি প্ৰথম প্ৰকাশিত হৈছিল। অৱশ্যে একেই কাব্যগ্ৰন্থত বেন জনচন, চেপমেন আৰু মাৰ্ষ্টনৰ কবিতাও প্ৰকাশ পাইছিল।

ইংৰাজী সাহিত্যৰ ইতিহাসত এলিজাবেথীয় যুগটো আছিল মূলতঃ গীতি কবিতাৰ

যুগ। এই যুগতেই চিডনী, ড্ৰেটন, লজ, লৰ্ড ব্ৰুক, স্পেন্সাৰ আদি কবি সকলে ইংৰাজী কাব্য সাহিত্যৰ ভৰাল সমৃদ্ধ কৰিছিল। ১৫৯৩ খ্ৰীষ্টাব্দত চিদনীৰ দৈৰ্ঘ্য শাৰীয়া কবিতাৰ সংকলন Astrophell & Stella প্ৰকাশিত হয়। তাৰ পিছৰ পৰাই এই যুগৰ এই কবি সকলে 'ছনেট' কবিতাৰ মাধ্যমেৰেই নিজৰ আবেগ, অনুভূতি প্ৰকাশ কৰিবলৈ ধৰে। শ্বেক্সপীয়েৰে তেওঁৰ জীৱনত ১৫৪ টি ছনেট ৰচনা কৰে। এই ছনেট সমূহত তেওঁ ব্যক্তিগত জীৱনৰ সুখ দুঃখ, আশা-নিৰাশা, আবেগ -অনুভূতি ব্যক্ত কৰিছে। কোনো কোনো সমালোচকৰ মতে এই কবিতাবোৰত কবিৰ জীৱনৰ কোনো গোপন অধ্যায় লুকাই আছে। তেওঁৰ জীৱনীকাৰ ৰেলীৰমতে ছনেটসমূহ শ্বেক্সপীয়েৰৰ জীৱনৰ ৰহস্যৰ গুহাস্বৰূপ। কিন্তু সকলোৱে একেমুখে স্বীকাৰ কৰিছে যে এই ছনেট সমূহে শ্বেক্সপীয়েৰৰ বহুমুখীপ্ৰতিভাৰ সাক্ষ্য বহণ কৰিছে। ইয়াত তেওঁৰ সুক্ষ্ম চেতনা সম্পন্ন মনৰ আবেগ অনুভূতি প্ৰকাশিত হোৱাৰ উপৰি প্ৰকাশ ভঙ্গীৰ সৌন্দৰ্য, উপমা, কল্পচিত্ৰ, আদিৰ পয়োভৰ ঘটিছে। এইদৰে এই ছনেট সমূহে বিশ্ব সাহিত্যৰ শ্ৰেষ্ঠ প্ৰণয় কবিতাৰ স্থান দখল কৰিছে।

শ্বেক্সপীয়েৰে তেওঁৰ ছনেট সমূহ W. H. নামৰ এগৰাকী ব্যক্তিলৈ উচৰ্গা কৰিছে। এই গৰাকী ব্যক্তিকেই কবিয়ে তেওঁৰ ছনেট ৰচনাৰ উৎস বুলি অভিহিত কৰিছে। কিন্তু আশ্চৰ্যৰ বিষয় এঁয়ে যে যোৱা চাৰিশ বছৰতো সমালোচক বা বিশেষজ্ঞ সকলে এই গৰাকী W. H. ৰ পৰিচয় উদ্‌ঘাটন কৰিব পৰা নাই। এই সম্পৰ্কে এতিয়াও গৱেষণা অব্যাহত আছে। কিন্তু সমস্যাৰ সমাধান হোৱা নাই। এগৰাকী প্ৰসিদ্ধ সমালোচক ৰাউজৰ মতে, W. H. হ'ল Henry Wriothesley, আৰ্ল অব চাদাম্পটন। আনহাতে ডোভাৰ উইলচনৰ মতে,W. H. হ'ল William Herbert আৰ্ল অব পেম্ব্ৰুক। আকৌ কোনো কোনো সমালোচকৰ মতে, শ্বেক্সপীয়েৰৰ ছনেটৰ এই W. H. হ'ল লেডী চাদাম্পটনৰ তৃতীয় স্বামী উইলিয়াম হাৰ্ভে নাইবা উইলিয়াম হল। এই ব্যক্তি গৰাকী যিয়েই নহওক কিয় তেওঁ যে অতি উচ্চ বংশজাত আৰু অপৰূপ শাৰীৰিক সৌন্দৰ্যৰ অধিকাৰী আছিল সেই কথা সহজেই অনুমান কৰিব পাৰি। এনেকি শ্বেক্সপীয়েৰে এটি ছনেটত এই যুবক জনৰ মুখমণ্ডল প্ৰকৃতিয়ে নিজ হাতে তৈয়াৰ কৰা বুলিও উল্লেখ কৰিছে। কবিয়ে যুবক জনৰ মুখ মণ্ডলত নাৰী সুলভ সৌন্দৰ্যৰ প্ৰকাশ ঘটা বুলিও উল্লেখ কৰিছে।

শ্বেক্সপীয়েৰৰ ছনেটবোৰক মূলতঃ দুটি পৰ্যায়ত ভাগ কৰিব পাৰি। প্ৰথম পৰ্যায়ত ১২৬ টি আৰু দ্বিতীয় পৰ্যায়ত ২৮ টি ছনেট। দ্বিতীয় পৰ্যায়ৰ ছনেটবোৰ এগৰাকী ৰহস্যময়ী নাৰীৰ উদ্দেশ্যে লিখা হৈছিল। এই ৰহস্য ময়ী নাৰী গৰাকী শ্বেক্সপীয়েৰৰ কবিতাৰ Dark Lady খ্যাত কবিৰ প্ৰিয় সখী তেওঁৰ প্ৰিয়তমা। ছনেট সমূহৰ পৰা এইটো সুস্পষ্ট হৈ পৰে যে কবিয়ে এই মহিলাগৰাকীৰ সতে গভীৰ ভাৱে প্ৰণয় পাশত আৱদ্ধ হৈ পৰিছিল। প্ৰেয়সীৰ কাজল বৰণ চকু আৰু দীঘল চুলিটাৰি আছিল কবিৰ বাবে বিশেষ আকৰ্ষণ। অইন পুৰুষৰ সতে বিবাহপাশত আবদ্ধ হোৱা সত্বেও কবিৰ প্ৰেয়সীয়ে তেওঁৰ প্ৰেমৰ মাজত নিজকে বিলাই দিছিল। (শ্বেক্সপীয়েৰৰ ১২৬ নং কবিতাটি প্ৰকৃতাৰ্থত ছনেটৰ শাৰীত অন্তৰ্ভূক্ত কৰিব নোৱাৰি।)

শ্বেক্সপীয়েৰে প্ৰথম পৰ্যায়ৰ ছনেটবোৰত তেওঁৰ বন্ধু W. H.ৰ প্ৰশস্তি গাইছে। ইয়াত তেওঁ বন্ধুক বিবাহ বান্ধোনত আৱদ্ধ হোৱাৰ বাবেও আহ্বান জনাইছে। কিন্তু তেওঁৰ বন্ধুৱে কাক বিয়া কৰাব সেই সম্পৰ্কে তেওঁ নিৰৱতা অৱলম্বন কৰিছে। বন্ধুক বিবাহ পাশত আৱদ্ধ কৰোৱাৰ বাবে প্ৰথম সোঁতৰটা ছনেটত কবিয়ে নানান ধৰণৰ যুক্তিৰ অৱতাৰণা কৰিছে। কবিৰ মতে মাথো বিবাহ পাশত আৱদ্ধ হৈ সতি সন্ততিৰ জৰিয়তে তেওঁৰ বন্ধুৱে অপৰূপ শাৰীৰিক সৌন্দৰ্য যুগমীয়া

কৰি ৰখা উচিত। নিয়তিৰ কৃপাত যিসকল মানুহ শাৰীৰিক মানসিক সৌন্দৰ্যৰ গৰাকী হয় তেওঁলোকে সেই সৌন্দৰ্য অপব্যয় নকৰি তাক বিস্তাৰ ঘটোৱা উচিত। এইদৰে সৌন্দৰ্যৰ গোলাপ পাহি যুগমীয়া কৰিব পাৰি। (ছনেট নং-১)। আকৌ কবিয়ে কৈছে ৰাতিপুৱাৰ বেলিয়ে হেঙুলীয়া ৰহণ সানি যেতিয়া ই ওলাই আহে, তেতিয়া ই সকলোৰে দৃষ্টি আকৰ্ষণ কৰে। কিন্তু অস্তগামী সূৰ্যৰ পোহৰে কাৰো মন আকৰ্ষন কৰিব নোৱাৰে। একেদৰে কবিৰ বন্ধুৱেও ভৱিষ্যৎ বংশধৰ অবিহনে জীৱনৰ বিয়লি পৰত সকলো শ্ৰদ্ধা আৰু প্ৰশংসাৰ পৰা বঞ্চিত হ'ব (ছনেট নং-৪)। কোনো নাৰীৰ জীৱনলৈ বৈধব্যৰ যন্ত্ৰণা নামি অহাৰ ভয়তেই যদি কবিৰ বন্ধুৱে নিঃসঙ্গ জীৱন কটোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে, তেন্তে তেওঁ ভূল কৰিছে। কাৰণ কবিৰ মতে তেওঁৰ মৃত্যুৰ পিছত যিহেতু কোনো সন্তান আদি নাথাকিব, প্ৰকৃতিয়েও তেতিয়াবৈধব্যৰ চকুলো টুকিব (ছনেট নং-৬)। আনহাতে কবিয়ে তেওঁৰ কবিতাত যিমান ৰূপ লাৱন্যৰ ছবিয়ে অংকিত নকৰক কিয়, যদি তেওঁৰ কোনো বংশধৰ নাথাকে, তেন্তে মানুহ যে ইমান ৰূপ লাৱন্যৰ অধিকাৰী হ'ব পাৰেএই কথা কোনেও বিশ্বাস নকৰে (ছনেট নং-১৭)। সেয়ে তেওঁৰ অপৰূপ সৌন্দৰ্য তেওঁৰ সন্তানৰ জৰিয়তে চিৰস্থায়ী হ'ব। কবিৰ ধাৰণা তেওঁৰ বন্ধু গৰাকী আছিল হেলেন আৰু এড'নিচৰ অপূৰ্ব সমন্বয়। আকৌ এটি ছনেট (৩৩ নং)ত শ্বেক্সপীয়েৰে বন্ধুৰ ৰূপৰ বৰ্ণনা দিবলৈ গৈ কৈছে, সৌৰজগতৰ সূৰ্যও কলংকিত হ'ব পাৰে, কিন্তু তেওঁৰ বন্ধুৰ গাত কোনো কলংকৰ দাগ নাই। অথচ সেই বন্ধুৰ প্ৰতি এসময়ত সন্দেহ জনক হৈ পৰে। কবিৰ প্ৰেয়সী ডাৰ্ক লেডীৰ সঁতে তেওঁৰ বন্ধুৰ প্ৰেমৰ সম্পৰ্ক গঢ়ি উঠে। ইয়াত কবিয়ে মৰ্মান্তিক আঘাত পায়। বন্ধুৰ প্ৰতি তেওঁৰ ইৰ্যাৰ ভাৱ জাগি উঠে। কবিয়ে তীব্ৰ মানসিক যন্ত্ৰণাত ভুগিবলৈ ধৰে। তেওঁৰ সন্দেহ হয়, তেওঁৰ Dark Lady ৰ হয়তো আন কোনো জনৰ সতেও গোপন প্ৰেমৰ অভিসাৰ চলিছিল। ইয়াতেই শ্বেক্সপীয়েৰৰ প্ৰেমৰ ব্যৰ্থতা লক্ষ্য কৰা যায়। অৱশ্যে প্ৰেমৰ ব্যৰ্থতাতকৈ বন্ধু বিচ্ছেদৰ যন্ত্ৰণা আছিল তেওঁৰ বাবে অধিক দুৰ্বিসহ। সুন্দৰৰ চক্ৰবেহু ৰচনা কৰি এই নাৰীয়ে মাথো কবিকেই প্ৰতাৰিত কৰা নাই, তেওঁৰ প্ৰিয় বন্ধুক চক্ৰবেহুত বন্দী কৰি কবিক বন্ধু স্নেহৰ পৰা বিতাৰিত কৰিছে। কবিয়ে তেওঁৰ বন্ধুৰ এই স্খলনত মৰ্মাহত হৈছে। কবিৰ মতে মানুহৰ চৰিত্ৰৰ পবিত্ৰতা -অমূল্য সম্পদ। ইয়াতেই মানুহৰ প্ৰকৃত মূল্য নিৰূপিত হয়। ই ফুলৰ সৌৰভৰ দৰেই। এই পৱিত্ৰতা নাথাকিলে মানুহৰ সৌন্দৰ্যৰো কোনো মূল্য নাথাকে। মানুহৰ নৈতিকতাৰ অৱনতি হ'লে কুৎচিৎ ঘ্ৰাণৰ ঘাঁহনিৰ দৰে হৈ পৰে। তেওঁৰ বন্ধুৰ ইন্দ্ৰিয় পৰায়ণতাই তেওঁৰ নৈতিক স্খলনৰ মূল কাৰণ। কবিয়ে কল্পনা কৰিছে যে তেওঁৰ বন্ধুৰ দোষত্ৰুটিবোৰ যেন প্ৰস্ফুটিত গোলাপৰ পাহিত আশ্ৰয় লোৱা এবিধ বিষাক্ত কীট।

শ্বেক্সপীয়েৰৰ দ্বিতীয় পৰ্যায়ৰ ছনেটবোৰত কবিৰ আত্ম বিলাপৰ সুৰ লক্ষ কৰা হয়। কামনা-বাসনাৰ জ্বলাজুইত যেন কবিৰ হৃদয় দহি গৈছে। এই কবিতা সমূহত তেওঁৰ প্ৰেমৰ পবিত্ৰতা নাই। নাৰী মাংসৰ প্ৰতি কবিৰ দুৰ্বাৰ লোলুপতাইতেওঁৰ প্ৰেমক কলুষিত কৰিছে। কবিতাবোৰত আবেগতকৈ শ্লেষ আৰু ব্যঙ্গই বেচি। প্ৰথম ভাগত শালীনতা ৰক্ষা কৰিব পাৰিলেও শেহলৈকে শ্বেক্সপীয়েৰৰ ৰুচীহীনতা প্ৰকাশ পাইছে। ৰেনেচাঁচৰ যুগৰ পেট্ৰাৰ্কৰ ঐতিহ্য অনুসৰি শ্বেক্সপীয়েৰেও প্ৰথমতে নায়িকাৰ সৌন্দৰ্যৰ গুণ-গৰিমা বখানি ছনেটবোৰ আৰম্ভ কৰে। কিন্তু দ্বিতীয় পৰ্যায়ৰ এই ছনেটবোৰ শেষ হয় আত্ম-বিলাপৰ মাজেৰে। এই আত্ম বিলাপৰ মাজতেই যেন কবিৰ প্ৰেমৰ ব্যৰ্থতাৰ সুৰ অনুৰণিত হয়।

OOOOOOOOOOO

AL1